


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

ত্ৰয়োদশ বছৰ ■ সংখ্যা ৫৩ ■ গুৱাহাটী ■ বুধবাৰ, ২৮ ছেপ্টেম্বৰ, ২০২২, ১১ আহিন, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 53 Dainandin Barta ■ Guwahati, Wednesday ■ 28 Setpember, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




**শাৰদীয় দুৰ্গোৎসৱ— আজি তৃতীয়া তিথি ঃ মা চন্দ্ৰঘণ্টা পূজা**

## ব্যৱসায়ীৰ হাঁহি কাঢ়িছে অন্‌লাইন ব্যৱসায়িক প্ৰতিষ্ঠানে



**দৈনন্দিন বাৰ্তাৰ সংবাদ, ২৭ ছেপ্টেম্বৰ ঃ** সন্মুখত শাৰদীয় দুৰ্গোৎসৱ। ব্যৱসায়ীসকলে বিশেষকৈ বস্ত্ৰ ব্যৱসায়ীসকলে আশা কৰিছিল এইবাৰ ব্যৱসায় কিছু পৰিমাণে সুখৰ হ'ব। সেয়েহে আলোকসজ্জাৰে ■ ৮ পৃষ্ঠাত



## ভাৰতীয় বায়ু সেনাৰ সূৰ্য কিৰণ এৰ'বেটিক টীমৰ এয়াৰ শ্ব' প্ৰদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ব্ৰহ্মপুত্ৰ ■ ৮ পৃষ্ঠাত



## বিশ্বনাথত মন্ত্ৰী পীযূষ হাজৰিকা

# কংগ্ৰেছ এৰি মই বাচিছোঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ২৭ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰ আই টি ছেলৰ অধ্যক্ষ ৰাতুল কলিতাৰ মন্তব্যৰ আজি পীযূষ হাজৰিকাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। পীযূষ হাজৰিকাই সাংবাদিকৰ আগত কয় যে ৰাতুল কলিতা কোন মই নাজানো, মই চিনি নাপাওঁ। কিন্তু মই এটা কথা কওঁ যে কংগ্ৰেছ দল ত্যাগ কৰি মই বাচিছো। কংগ্ৰেছৰ অৱস্থা আজি বহুত বেয়া। কংগ্ৰেছত এতিয়া ভাৰত জোড়ো আৰম্ভ কৰিব গৈ প্ৰচণ্ড মাৰপিট হয়। ইফালে পি আই এফ সন্দৰ্ভত কয় যে পি আই এফৰ সকলো ব্যক্তি জেহাদী। লগতে সকলো সদস্য ভাৰতবিৰোধী। এইসকল অসমতো আছে, বৰ্তমান গ্ৰেপ্তাৰ কৰিছে আৰু কৰি থাকিম। জেহাদী আৰু দেশৰ বিৰুদ্ধে কোনো কাৰ্যকলাপ কৰিবলৈ দিয়া নহ'ব। বিশ্বনাথৰ এখন দলীয় সভাত অভিভাৱক মন্ত্ৰী পীযূষ হাজৰিকা উপস্থিত হৈ এই ধৰণে মন্তব্য কৰে সংবাদ মাধ্যমৰ আগত।



**নগাঁৱত একেলগে জুবিন গাৰ্গ, যতীন বৰা, হিমা দাস, কৃষ্ণমণি নাথ**

## আলফালৈ গ'লে ঘূৰি আহিব লাগে, সেয়ে আলফালৈ গৈ লাভ নাই ঃ জুবিন গাৰ্গ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰত আজিৰে পৰা মুকলি হ'ল 'ঋষিৰাজ হোটেল' নামৰ এখন অভিজাত হোটেল এণ্ড ৰেষ্টুৰেণ্ট। চহৰখনৰ পানীগাঁও চাৰিআলিত আজি এই আধুনিক হোটেলখন উদ্বোধন কৰে জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গ, ধিং এক্সপ্ৰেছখ্যাত প্ৰতিভাৱান খেলুৱৈ হিমা দাস, বিশিষ্ট অভিনেতা যতীন বৰা আৰু কণ্ঠশিল্পী কৃষ্ণমণি নাথে। জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ লগতে উপস্থিত বিশিষ্ট অতিথিসকলে ঋষিৰাজ হোটেলে গ্ৰাহকৰ চহিদা পূৰণ কৰি সকলো দিশত ■ ৮ পৃষ্ঠাত



## ক'লা '০৮ৰ ৩০ অক্টোবৰৰ খলনায়ক ৰঞ্জন দৈমাৰীক যাৱজ্জীৱন কাৰাদণ্ড

**দৈনন্দিন বাৰ্তাৰ সংবাদা, ২৭ ছেপ্টেম্বৰ ঃ** উগ্ৰপন্থী এন ডি এফ বিৰ নেতা ৰঞ্জন দৈমাৰীৰ ঠিকনা কাৰাগাৰ। ঠিকনাত ছীল-মোহৰ লগালে গুৱাহাটী উচ্চ ন্যায়ালয়ে। ৩০ অক্টোবৰত গুৱাহাটীৰ মাজমজিয়াৰ গণেশগুৰি, পাণবজাৰকে ধৰি ছিৰিয়েল বোমা বিস্ফোৰণৰে নিৰীহৰ তেজেৰে হাত ধোৱা তথাকথিত নেতা ৰঞ্জন দৈমাৰীক গুৱাহাটী উচ্চ ■ ৮ পৃষ্ঠাত

## খুমটাইত অচিন ৰোগত অৰ্ধশতাধিক ছাগলীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ২৭ ছেপ্টেম্বৰ ঃ** এক অচিন ৰোগত আক্ৰান্ত হৈ খুমটাই অঞ্চলৰ বগৰীয়নি গাঁৱৰ এতিয়ালৈকে অৰ্ধ শতাধিক ছাগলীৰ মৃত্যু হৈছে। ছাগলীপালকসকলে জানিবলৈ দিয়া মতে প্ৰথম অৱস্থাত ছাগলীবিলাকৰ গাত বসন্ত ৰোগসদৃশ ফোঁহা উঠি ভৰিবিলাক অকামিলা হৈ পৰে ■ ৮ পৃষ্ঠাত

## ৰাজ্যপালৰ মহিলা ভলীবলত মাননি নাপালে মাষ্টাৰ ট্ৰেইনাৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৭ ছেপ্টেম্বৰ ঃ** ক্ৰীড়াৰ জৰিয়তে মহিলাসকলৰ শাৰীৰিক, মানসিক উৎকৰ্ষ সাধন কৰাৰ উদ্দেশ্যে অসমৰ প্ৰতিখন জিলাত ২০২০ চনতে আৰম্ভ কৰা ■ ৮ পৃষ্ঠাত

# চীনৰ সেনা অভ্যুত্থান

### কমিউনিষ্ট পাৰ্টীৰ বৈঠকৰ পূৰ্বে বেইজিঙত হ'ব নেকি ক্ষমতাৰ পৰিৱৰ্তন? জিনপিঙৰ অন্তৰ্ধানক লৈ ব্যাপক চৰ্চা



*বিশ্ব পৰ্যটন দিৱস উপলক্ষে কাজিৰঙাত জীপ ছাফাৰী মন্ত্ৰী অতুল বৰা আৰু জয়ন্ত মল্ল বৰুৱাৰ, মঙলবাৰে*

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৭ ছেপ্টেম্বৰ ঃ** চীনত সামৰিক অভ্যুত্থানৰ খবৰ আৰু ৰাষ্ট্ৰপতি ঝি জিনপিঙৰ গৃহবন্দিত্বৰ খবৰে এতিয়া বিশ্বৰ ৰাজনীতি গৰম কৰি ৰাখিছে। ইয়াৰ মাজতে অহা মাহত চীনৰ শাসকীয় দল কমিউনিষ্ট পাৰ্টীৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। উক্ত বৈঠকৰ পূৰ্বেই চীনৰ ক্ষমতা হস্তান্তৰৰ সম্ভাৱনা থকা বুলি একাংশই দাবী কৰিছে। চীনৰ কমিউনিষ্ট পাৰ্টীৰ এক সূত্ৰই এনে জল্পনা-কল্পনাৰ মাজতে আকৌ কৈছে যে ৰাষ্ট্ৰপতি ঝি জিনপিঙক তৃতীয় কাৰ্যকালৰ বাবে কৰ্তৃত্ব প্ৰদান কৰা হ'ব। সমগ্ৰ বিশ্বই বেইজিঙলৈ ■ ৮ পৃষ্ঠাত

## ৰাজস্থানৰ ৰাজনৈতিক সংকটৰ সময়তে ছোনিয়া গান্ধীয়ে বিচাৰিছে এজন নেতাৰ পৰামৰ্শ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৭ ছেপ্টেম্বৰ ঃ** দলৰ সভাপতি পদৰ বাবে নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ দলৰ মাজত এতিয়া বিসম্বাদ তুংগত উঠিছে। ৰাজস্থান কংগ্ৰেছত মুখ্যমন্ত্ৰী অশোক গেহলটক সমৰ্থন কৰা বিধায়কসকলৰ বিদ্ৰোহৰ পিছত, দলটোৰ সন্মুখত ■ ৮ পৃষ্ঠাত



### বিপদৰ বন্ধুহে আচল বন্ধ

# গোৱালপাৰা জিলাত ১০ পিএফআই নেতা-কৰ্মী আটক



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাত পিএফআইৰ বিৰুদ্ধে আৰক্ষীৰ তীব্ৰ অভিযান। সমগ্ৰ জিলাখনত অভিযান চলাই বিভিন্ন প্ৰান্তৰ পৰা ইতিমধ্যে ১০জনকৈ পিএফআইৰ সদস্য গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে আৰক্ষীয়ে। ৰাতিটোৰ ভিতৰতে গোৱালপাৰা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত দহজন পি এফ আই নেতা-কৰ্মীক আটক কৰে। ইতিমধ্যে গোৱালপাৰা আৰক্ষী অধীক্ষক ৰাকেশ ৰেড্ডীয়ে জানিবলৈ ■ ৮ পৃষ্ঠাত

**ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ ৰাজ্যৰ প্ৰতিখন জিলাৰে মাতৃ আৰু শিশু স্বাস্থ্য বিষয়ক 'স্বাস্থ্য মন্থন-৩' শীৰ্ষক কৰ্মশালা আৰু পৰ্যালোচনা সভা**

## অসম দললৈ আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ (এবিডিএম) ৰাষ্ট্ৰীয় বঁটা




**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ ছেপ্টেম্বৰ ঃ** আজি পিৰামল ফাউণ্ডেচনৰ সহযোগত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ দ্বাৰা গুৱাহাটীস্থিত অসম অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ২৭-২৮ ছেপ্টেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে স্বাস্থ্য মন্থন-৩ অনুষ্ঠিত কৰা হয়। আজিৰ এই কৰ্মশালা আৰু পৰ্যালোচনাখনৰ শুভ উদ্বোধন কৰে অসমৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। এই সভাত উপস্থিত আছিল ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ সঞ্চালক ■ ৮ পৃষ্ঠাত

**গহপুৰ মহকুমা অসামৰিক চিকিৎসালয়ত নিশা উত্তপ্ত পৰিস্থিতি**

## চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসহ পত্নী-পুত্ৰই আক্ৰমণ কৰি মূৰ ফালিলে এম্বুলেন্সৰ চালকক

**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** গহপুৰ মহকুমা অসামৰিক চিকিৎসালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী তথা গহপুৰ নগৰৰ ৰূপনগৰ নিবাসী প্ৰদীপ বৰুৱা (৫০), তেওঁৰ পুত্ৰ প্ৰসেনজিৎ বৰুৱা (২৭) আৰু পত্নী বীণা ■ ৮ পৃষ্ঠাত

**ডিবিএইচআৰজিএফটিআইত সাংস্কৃতিক মন্ত্ৰী বিমল বড়া**

## 'বৈচিত্ৰ্য' আৰু 'নিলপৱন বৰুৱাক বিচাৰি' তথ্যচিত্ৰ উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ ছেপ্টেম্বৰ ঃ** ড° ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠান (ডি বি এইচ আৰ জি এফ টি আই)ত আজি আয়োজিত এক অনুষ্ঠানত ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল ■ ৮ পৃষ্ঠাত

## অভিনেত্ৰী আশা পাৰেখলৈ ২০২২ বৰ্ষৰ দাদা চাহেব ফাল্কে বঁটা



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৭ ছেপ্টেম্বৰ ঃ** ২০১৯ চনৰ পিছত এইবাৰ পুনৰ আগবঢ়োৱা হৈছে চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ বঁটা দাদা চাহেব ফাল্কে বঁটা। এইবেলি বলীউডৰ প্ৰবীণ অভিনেত্ৰী আশা পাৰেখক ২০২২ বৰ্ষৰ দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হ'ব। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ ঠাকুৰে মঙলবাৰে এই কথা ঘোষণা কৰে। উল্লেখ্য, ভাৰতীয় চিনেমাৰ ক্ষেত্ৰত দাদা চাহেব ফাল্কে বঁটাক সৰ্বোচ্চ সন্মান হিচাপে ■ ৮ পৃষ্ঠাত






### কলাবাৰী কবি চক্ৰৰ নতুন সমিতি গঠন ঃ বিশিষ্ট কবি বংশী বৰাক সম্বৰ্ধনা

# একুৰি কবিৰ কবিতাপাঠেৰে জীপাল মৰনৈৰ পাৰ

**দৈনন্দিন বাৰ্তা সেৱা, গহপুৰ, ২৭ ছেপ্টেম্বৰ** ঃ সদৌ অসম কবি সন্মিলনৰ সক্ৰিয় শাখা হিচাপে পৰিচিত কলাবাৰী কবি চক্ৰৰ এখনি গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। যোৱা ২৫ ছেপ্টেম্বৰত কলাবাৰীৰ মৰনৈপাৰস্থিত নৱ উদীয়মান যুৱক সংঘৰ কাৰ্যালয়ত বিয়লি ১.৩০ বজাৰ পৰা অনুষ্ঠিত সভাখনিত সভাপতিত্ব কৰে অবিভক্ত শোণিতপুৰ জিলা কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক হেমেন্দ্ৰ বৰাই। চক্ৰৰ সম্পাদক ৰূপজ্যোতি শইকীয়াই আঁতধৰা সভাত কবি চক্ৰৰ স্থায়ী সভাপতি সূৰ্য ৰাজখোৱাৰ অনুপস্থিতিত হেমেন্দ্ৰ বৰাই সভাপতিত্ব কৰিব লগা হয়। উল্লেখ্য যে কিছুদিনৰ পূৰ্বে এক দুৰ্ঘটনাত পতিত হৈ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা চক্ৰৰ সভাপতি সূৰ্য ৰাজখোৱাৰ আশু আৰোগ্য কামনা কৰা হয়। সদৌ অসম কবি সন্মিলনৰ 'সমলয়' মুখপত্ৰৰ সম্পাদক তথা কাব্য সমালোচক বিপুল কুমাৰ দিহিঙীয়াই আধুনিক কাব্যধাৰাৰ সম্পৰ্কে নাতিদীৰ্ঘ বক্তব্য ৰখা সভাতে কলাবাৰী কবি চক্ৰৰ সদস্য, সদস্যা সকলে কবিতা পাঠ কৰে। অনুষ্ঠানত অবিভক্ত শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক নিৰণ



ভূঞাই তেওঁৰ দুটি কবিতা পাঠ কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। জিলা কবি সন্মিলনৰ সম্পাদক অনিত শইকীয়া, দীপালী শইকীয়া পূজাৰী, দীপাঞ্জলি বৰা, পৰিস্মিতা ভূঞা দত্ত, অনুপজ্যোতি মহন্ত, চয়নিকা শইকীয়াকে ধৰি একুৰি কবিয়ে স্বৰচিত কবিতা পাঠ কৰি মৰনৈৰ পাৰ জীপাল কৰি তোলে। অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা ২০২১ বৰ্ষৰ গণেশ গগৈ বঁটাপ্ৰাপক তথা সদৌ অসম কবি সন্মিলনৰ উপ-সভাপতি, বিশিষ্ট কবি বংশী বৰাক কলাবাৰী কবি চক্ৰৰ তৰফৰ পৰা ফুলাম গামোচা, সম্বৰ্ধনা-পত্ৰ আদিৰে সম্বোধিত কৰা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি বংশী বৰাই স্বৰচিত তিনিটা কবিতা পাঠ কৰাৰ লগতে সভাত পঠিত কবিতাসমূহৰ সম্পৰ্কে চমু বক্তব্য ৰাখে। বিশিষ্ট সাহিত্যানুৰাগী, জাতীয়তাবাদী শিবিৰৰ হলি বৰা, অসম নাট্য সন্মিলনৰ কাৰ্যনিৰ্বাহক তথা বিশিষ্ট নাট্যকাৰ দিলীপ বৰা, কলাবাৰী শাখা নাট্য সন্মিলনৰ সভাপতি ধীৰেন শইকীয়া, সম্পাদক তথা বিশিষ্ট নাট পৰিচালক কৃষ্ণ শইকীয়া, নৱ উদীয়মান যুৱক সংঘৰ সভাপতি জ্যোতিপ্ৰসাদ শইকীয়া, কলাবাৰী শাখা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক মিনাৰাম পাঠক, অৱসৰপ্ৰাপ্ত শিক্ষক নাৰায়ণ ভূঞাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰা সভাত সভাপতিৰ অনুপস্থিতিত চক্ৰৰ উপ-সভানেত্ৰী দীপাঞ্জলি বৰাই পুৰণি সমিতিখন ভংগ ঘোষণা কৰে। সভাতেই ২০২২-২৪ বৰ্ষৰ দুবছৰীয়া কাৰ্যকালৰ বাবে হেমেন্দ্ৰ বৰাক সভাপতি হিচাপে নিৰ্বাচিত কৰাৰ লগতে সম্পাদক হিচাপে ব্ৰজেন শইকীয়া, সহকাৰী সম্পাদক হিচাপে পৰিস্মিতা ভূঞা দত্ত আৰু অনুপজ্যোতি মহন্ত, ধন ভৰালী হিচাপে ৰমেন শইকীয়া, সাংগঠনিক সম্পাদক হিচাপে দেৱেন ভূঞা, পত্ৰিকাৰ সভাপতি হিচাপে সূৰ্য ৰাজখোৱা আৰু সম্পাদক হিচাপে ৰূপজ্যোতি শইকীয়াক নিৰ্বাচিত কৰি এখনি ১১জনীয়া শক্তিশালী সমিতি গঠন কৰা হয়। সভাতেই নৱ নিৰ্বাচিত সভাপতি হেমেন্দ্ৰ বৰাই কবিতাক জনমুখী কৰাৰ ক্ষেত্ৰত শাখাই ল'বলগীয়া কাৰ্যপন্থা সম্পৰ্কে নাতিদীৰ্ঘ বক্তব্য ৰাখে। চম্পা শইকীয়াই গীত পৰিৱেশন কৰি অনুষ্ঠান সজীৱ কৰি তোলা সভাখনি কবি সন্মিলনৰ কাব্যমন্ত্ৰৰে সামৰণি মৰা হয়।

# ধৰ্মপুৰৰ বান বিধ্বস্ত অঞ্চলত এই জিচিএলৰ বান সাহায্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৭ ছেপ্টেম্বৰ** ঃ যোৱাটো বাৰিষাত হোৱা প্ৰলয়ংকৰী বানে সমগ্ৰ ৰাজ্যৰ লগতে ধৰ্মপুৰ সমষ্টিৰ বৃহত্তৰ পশ্চিম নলবাৰী অঞ্চলতো বিস্তৰ ক্ষতি কৰিছিল। সমষ্টিটোৰ মৎস্যজীৱী আৰু কৃষিপ্ৰধান বান বিধ্বস্ত বৰবিলাত আজি এইজিচিএলৰ উদ্যোগত ৫ শতাধিক পৰিয়ালৰ মাজত সাহায্য বিতৰণ কৰা হয়। বানপানীৰ সময়ত ধৰ্মপুৰ সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগত বানত ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰিছিল নলবাৰী জিলা উপায়ুক্ত গীতিমণি ফুকনে। পৰৱৰ্তী সময়ত জিলা উপায়ুক্তগৰাকীয়ে এপিজিচিএলৰ লগত যোগাযোগ কৰে। আৰু আজি এজিচিএলৰ সমাজ কল্যাণ নিধিৰ পৰা ৫ শতাধিক পৰিয়ালক এখনকৈ আঁঠুৱা, দুখনকৈ বিছনা চাদৰ আৰু এটাকৈ ডাঙৰ এভাৰেডী টৰ্চ প্ৰদান কৰা। উক্ত বিতৰণ কাৰ্যসূচীত উপায়ুক্ত গীতিমণি ফুকনৰ লগতে এইজিচিএলৰ পৰিচালন সঞ্চালক দেৱজ্যোতি দাস, মুখ্য সাধাৰণ সঞ্চালক ভূপেন কুমাৰ গোস্বামী, সহঃ সাধাৰণ সঞ্চালক কাশীনাথ বৈশ্য, ৰঙিয়া সংমণ্ডলৰ অংশুমান দেৱৰয়, নলবাৰী কাৰ্যালয়ৰ হৃষীকেশ শৰ্মা, মানসপ্ৰতিম পাটোৱাৰী, পকোৱা জিলা পৰিষদৰ সদস্য পৱিত্ৰ কুমাৰ ডেকা, পঞ্চায়ত সভাপতি অমৰ দাস আদি উপস্থিত থাকে।



## জোনাইত ড্ৰাগছ সৰবৰাহকাৰীক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, জোনাই, ২৭ ছেপ্টেম্বৰ** ঃ ৰাজ্যত আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখাৰ সময়তে সোমবাৰে নিশা জোনাইৰ তৰাজান গাঁৱত এজন ড্ৰাগছ সৰবৰাহকাৰীক ৰাইজৰ সহযোগত আটক কৰিবলৈ সক্ষম হয়। জানিব পৰামতে বহু দিন আগৰ পৰাই জোনাইৰ তৰাজান গাঁৱত একাংশ যুৱকে ড্ৰাগছ ব্যৱসায়ত জড়িত হৈ আহিছে। আজি বিশেষ সূত্ৰে গম পাই তৰাজান গাঁৱৰ ভিডিপিৰ দলে পম খেদি ড্ৰাগছ সৰবৰাহকাৰী এজনক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম চানু চেত্ৰী বুলি জানিব পৰা গৈছে। আৰু দুজন ড্ৰাগছ সৰবৰাহকাৰী ক্ৰমে দীপক মিলি আৰু কমল মিছিং নামৰ যুৱক দুজনে আন্ধাৰৰ সুযোগ লৈ পলায় যাবলৈ সক্ষম হয়। পিছত ৰাইজে জোনাই আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ ড্ৰাগছ সৰবৰাহকাৰী চানু চেত্ৰীক আটক কৰি লৈ যায়।

# ৰঙাপৰাৰ ৰাষ্ট্ৰপতি পদকপ্ৰাপ্ত শুভংকাৰ দে'ক আদৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ২৭ ছেপ্টেম্বৰ** ঃ ৰঙাপৰা অঞ্চলৰ বাবে এক গৌৰৱময় ইতিহাস ৰচনা কৰা ৰঙাপৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক শুভাংকৰ দে'ক কালি নিশা ৰঙাপৰাত উষ্ম আদৰণি জনোৱা হয়। এইবেলি ছাত্ৰজনক ভাৰত চৰকাৰৰ যুৱ ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনত যোৱা ২৪ ছেপ্টেম্বৰত দিল্লীত ৰাষ্ট্ৰপতি ভৱনৰ দৰবাৰ হলত দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে সেৱামূলক কামৰ বাবে শ্ৰেষ্ঠ স্বেচ্ছাসেৱক বঁটা প্ৰদান কৰিছিল। কালি বিয়লি ৬.৩০ বজাত ৰে'লেৰে ৰঙাপৰা ৰে'ল ষ্টেচনত শুভাংকৰ দে' উপস্থিত হোৱাত অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে উষ্ম আদৰণি জনায় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়নৰত ছাত্ৰজনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে। ৰঙাপৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দায়িত্বত থকা অধ্যাপক ড° অশ্বিনী ডেকা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ৰঙাপৰা আঞ্চলিক সমিতি, ৰঙাপৰা প্ৰেছ ক্লাব, অসম কেশৰী প্ৰগতি সংঘই ছাত্ৰগৰাকীক শুভেচ্ছা জনোৱাৰ লগতে ফুলাম গামোচা আৰু এটি জাপিৰে সম্বৰ্ধনা জনায় আৰু নগৰখনৰ মাজেৰে শোভাযাত্ৰা কৰে। ইপিনে, ৰঙাপৰা মতি মছজিদ পৰিচালনা সমিতিৰহৈ পৰিচালনা সমিতিৰ সভাপতি হুছেইন আনছাৰী, সম্পাদক মুন্না আনচাৰী আৰু গৰিয়া মৰিয়া জলহা জাতীয় পৰিষদৰ সদস্য আকবৰ আলীয়ে মানপত্ৰ আৰু



গামোচাৰে ছাত্ৰগৰাকীক সম্বৰ্ধনা জনায়। উল্লেখ্য যে ইতিমধ্যে শুভংকৰ দে' গুৱাহাটী বিশ্ববিদ্যালয় পৰা শ্ৰেষ্ঠ সমাজ সেৱক বঁটা লাভ কৰাৰ উপৰি ৰাজ্যিক ভিত্তিত ৰাজ্যপাল জগদীশ মুখীৰ পৰা শ্ৰেষ্ঠ সমাজ সেৱক বঁটা লাভ কৰিছে।

# গান্ধী জয়ন্তী আৰু কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া জন্ম জয়ন্তী উপলক্ষে বিভিন্ন প্ৰতিযোগিতা আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৭ ছেপ্টেম্বৰ** ঃ অহা ২ অক্টোবৰত জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধী আৰু ৩ অক্টোবৰত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া জন্ম জয়ন্তী উদ্‌যাপনৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশ সাধনৰ অৰ্থে নাজিৰাৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰৱাহৰ সৌজন্যত শিমলুগুৰিস্থ ৰোহিতেশ্বৰ শইকীয়া সোঁৱৰণী নাট্য মন্দিৰত বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰা হৈছে। ২ অক্টোবৰত পুৱা ১০ বজাৰ পৰা শিমলুগুৰিস্থ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া শিশু উদ্যান প্ৰাংগণত মহাত্মা গান্ধীৰ প্ৰতিচ্ছবি, কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াৰ প্ৰতিচ্ছবি আৰু স্বাধীনতা আন্দোলনৰ যিকোনো এটা দৃশ্য এই বিষয়ৰ ওপৰত প্ৰাক প্ৰাথমিকৰ পৰা দ্বাদশ শ্ৰেণীলৈকে তিনিটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা, শিমলুগুৰি নাট্য মন্দিৰত ১২ বছৰৰ তলৰ ছাত্ৰ-ছাত্ৰী আৰু সপ্তম শ্ৰেণীৰ পৰা স্নাতক পৰ্যায়লৈকে দেশ প্ৰেমমূলক গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা আৰু বিয়লি ৩ বজাৰ পৰা স্নাতক পৰ্যায়লৈকে মুকলি ৰখা কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৩ অক্টোবৰত অষ্টম শ্ৰেণীৰ পৰা স্নাতক পৰ্যায়ৰ লৈকে স্বাধীনতা আন্দোলনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অৱদান, ১৯৪৭ৰ পৰা ২০১০ চনলৈকে কেন্দ্ৰীয় চৰকাৰে লোৱা জনকল্যাণ আঁচনি আৰু বৰ্তমান সময়ত মহাত্মা গান্ধীৰ অহিংসা নীতিৰ প্ৰাসংগিকতা শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিটো প্ৰতিযোগিতাত অংশগ্ৰহণৰ ভৰ্তিমাচুল ২০ টকাকৈ ধাৰ্য কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীসকলক আগতীয়াকৈ ভ্ৰাম্যভাষ ৭০০২১০৭৮৫৮, ৮৪০৩৮৪৬৮০৫, ৯৫৭৭৭৫০৭২৩ নম্বৰত যোগাযোগ কৰিবৰ বাবে আয়োজক সমিতিয়ে আহ্বান জনাইছে।

## মানুহৰ সুবিধাৰ বাবে কাম কৰাটোও এক সমাজসেৱা ঃ প্ৰতুল চহৰীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৭ ছেপ্টেম্বৰ** ঃ 'ব্যক্তি এগৰাকীয়ে মানুহৰ সুবিধাৰ বাবে কাম কৰাটোও সমাজসেৱা। পঢ়ি-শুনি শিক্ষিত হৈ চৰকাৰী চাকৰি কৰাটোৱেই যথেষ্ট নহয়। নিজৰ ভৰিত ভৰ দি থিয় হৈ থাকিব পৰাটোহে ব্যক্তি এজনৰ আচল কথা।' এই মন্তব্য চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰতুল চহৰীয়াৰ। আজি চেঙেলীয়াঝাৰ ২নং চ'কত 'আজিজ ফলছ চিলিং হাউছ' নামৰ এক ব্যৱসায়িক প্ৰতিষ্ঠান মুকলি কৰি অধ্যক্ষগৰাকীয়ে শিক্ষিত যুৱক তথা প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী আহমদ আলীৰ প্ৰচেষ্টা তথা চিন্তা-চৰ্চাক ধন্যবাদ জনাই চ'কটোত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হোৱাকৈ এখন কিতাপ-কাগজৰ বিপণীও মুকলি কৰাৰ বাবে শিক্ষিত নিবনুৱাসকলৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত জ্যেষ্ঠ শিক্ষক আজিজুল হক, দৰঙৰ জ্যেষ্ঠ সাংবাদিক তথা উদীয়মান নিবন্ধকাৰ ইন্দাদুল হককে ধৰি ভালেসংখ্যক লোক উপস্থিত আছিল। আনহাতে ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী আহমদ আলীয়ে ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিষ্ঠানখন মুকলি কৰা বুলি প্ৰকাশ কৰি প্ৰতিষ্ঠানত সকলো সামগ্ৰী সঠিক মূল্যত পোৱাৰ লগতে অৰ্ডাৰ অনুযায়ী ডেকোৰেচন কৰাৰ ব্যৱস্থাও কৰা হৈছে বুলি উল্লেখ কৰে।

# মাৰ্ঘেৰিটাত পোষণ মাহ উপলক্ষে কিশোৰী পঞ্চায়ত সম্পন্ন




**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২৭ ছেপ্টেম্বৰ** ঃ মাৰ্ঘেৰিটা সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত কুমাৰপট্টি পঞ্চায়তৰ উদ্যোগত পঞ্চম ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে আজি পোষণ কিশোৰী পঞ্চায়ত কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কুমাৰপট্টি পঞ্চায়তৰ সভাপতি বিনোদ মুণ্ডা, ব্লক কৰ্ডিনেটৰ ৰূপা ফুকন, মুখ্য সেবিকা, চম্পা নন্দী ৰয়, জোহানী বাৰ্লা আদি উপস্থিত থাকে। কুমাৰপট্টি পঞ্চায়তৰ অন্তৰ্গত ভালে সংখ্যক কিশোৰী উপস্থিত থকা অনুষ্ঠানত বক্তা সকলে কিশোৰীসকলৰ শাৰীৰিক বৃদ্ধিৰ বাবে যতন কিদৰে ল'ব লাগে, কিশোৰীসকলে আত্মনিৰ্ভৰশীল ৰূপে গঢ়ি তোলাত নিজকে কিদৰে প্ৰস্তুত কৰিব পাৰিব, ৰক্তহীনতা কিদৰে আঁতৰ কৰিব পাৰি আদি বিভিন্ন বিষয়ৰ ওপৰত বক্তব্য আগবঢ়ায়। শিশু, মহিলা কিশোৰী আৰু প্ৰসুতি মাতৃসকল যাতে ৰক্তহীনতাত ভুগিব লগা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি কিদৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেই বিষয়ত বক্তব্য আগবঢ়ায়।

## ২ অক্টোবৰত পৰ্যটকৰ বাবে মুকলি হ'ব বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ২৭ ছেপ্টেম্বৰ** ঃ ২ অক্টোবৰৰ পৰা পৰ্যটকৰ বাবে মুকলি হ'ব অসম গৌৰৱ এশিঙীয়া গঁড়ৰ বসতিস্থল বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। প্ৰথম পৰ্যায়ত ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা আৰু বাগৰি বনাঞ্চল আংশিকভাৱে পৰ্যটকৰ বাবে মুকলি কৰা হ'ব বুলি বন বিভাগে জানিবলৈ দিয়ে। কাজিৰঙাৰ বৰগছ ৰিজৰ্টত অনুষ্ঠিত কৰা চিন্তন বৈঠকত উপস্থিত হৈ সাংবাদিকৰ স'তে কৰা মত বিনিময়ত ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱে এইদৰে বক্তব্য ৰাখে। তেওঁ কয় যে যোৱা ২৪ ছেপ্টেম্বৰত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্বশৰ্মা আৰু আধ্যাত্মিক গুৰু সদগুৰুৱে মুকলি কৰে। কিন্তু, অহা ২ অক্টোবৰৰ পৰাহে ৰাষ্ট্ৰীয় উদ্যানৰ আংশিক অংশত পৰ্যটকে ভ্ৰমণ কৰিব পাৰিব। আনহাতে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ হাতী ছাফাৰী অহা ১ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব। ইপিনে, বন আইন উলংঘা কৰি নিশাৰ ভাগত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত মুখ্যমন্ত্ৰী-সদগুৰু আৰু মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ প্ৰৱেশ কৰা সন্দৰ্ভত ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক যাদৱে কয় যে মুখ্যমন্ত্ৰী আৰু সদগুৰুৱে কোনো আইন উলংঘা কৰা নাই। বন বিভাগে আমন্ত্ৰণ কৰাৰ বাবেই তেওঁলোক আহিছিল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিবলৈ। আনহাতে, ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক হিচাপে অনুমতি প্ৰদান কৰাৰ বাবেই মুখ্যমন্ত্ৰী-সদগুৰু আৰু মন্ত্ৰী জয়ন্তমল্ল বৰুৱা নিশাৰ ভাগত প্ৰৱেশ কৰিছিল বুলি তেখেতে প্ৰকাশ কৰে।

# শুৱালকুছি ৰাস মহোৎসৱৰ ব্যাপক প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৭ ছেপ্টেম্বৰ** ঃ কৰ্ম-ধৰ্ম-সংস্কৃতিৰ মিলনভূমি বস্ত্ৰনগৰী শুৱালকুছিত এইবেলি অহা ৭ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰলৈ ১১দিনীয়া বিস্তৃত কাৰ্যসূচীৰে ৩০সংখ্যক সাৰ্বজনীন ৰাস মহোৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি আৰম্ভ হৈছে। তদুপলক্ষে ইতিমধ্যে প্ৰাণজিত দাসক সভাপতি, মৃগেন দাসক কাৰ্যকৰী সভাপতি, নৱ মহন্ত, সমীন্দ্ৰ দাস আৰু দীপক বৈশ্যক সম্পাদক, গোবিন্দ দাস, প্ৰবীণ কুমাৰ দাস আৰু ধীৰাজ মহন্তক উপ-সভাপতি হিচাপে লৈ এখন ৰাস মহোৎসৱ পৰিচালনা সমিতিৰ উপৰি কে'বাখনো বিভাগীয় উপ-সমিতি গঠন কৰা হৈছে বুলি জানিব পৰা গৈছে। ৰাস মহোৎসৱত যিসকল ভক্তিপ্ৰাণ ৰাইজে অন্ন, প্ৰতিমা দান দিব বিচাৰে তেওঁলোকক ৯৮৬৪১৪২১৪৭,৮৬৩৪১০৮৮৯৪ আৰু ৭০০২৬৯০৫৬৩ ফোন নম্বৰত যোগাযোগ কৰাৰ বাবে আহ্বান জনাইছে উদ্যোক্তা সমিতিয়ে। তদুপৰি অহা ৫ অক্টোবৰৰ পৰা ব্যৱসায়-প্ৰতিষ্ঠানৰ প-পত্ৰ বিতৰণ কৰিব বুলি জনাইছে সম্পাদকত্ৰয়ে। আনহাতে এইবাৰ শুৱালকুছি ৰাস মহোৎসৱত বহু আকৰ্ষণীয় মূৰ্তি, বাণিজ্য মেলা আৰু বিশাল আনন্দমেলা ৰাইজে উপভোগ কৰিব পাৰিব বুলি সাৰ্বজনীন ৰাস উদ্‌যাপন সমিতিৰ সভাপতিয়ে জানিবলৈ দিছে।


## LOST

I have lost my HS Marks-Sheet. Ms.No: 014955, Roll: 0147, NO: 30119, Year 2019
Name- SADIQUE MUHAMMAD
Father- Ramzan Ali
Mother- Sakina Khatun
Vill+Po+Ps: Kalgachia
Dist- Barpeta (Assam)
Pin- 781319
Mobile no- 9435053032



## হেৰাইছে

মোৰ নামত থকা বাঘবৰ সমবায় সমিতি লিঃৰ অনুমোদিত খুচুৰা দোকানী পৰিচয় পত্ৰ (L.No - BST 138/83/16) হেৰুৱাইছে। যদি কোনোবাই সন্ধান পায় তেন্তে 8753989623 নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনালোঁ।
মুছলিম উদ্দিন
বাঘবৰ, বৰপেটা, অসম


# ঢেকীয়াজুলিৰ শংকৰ-আজান মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি, ২৭ ছেপ্টেম্বৰ** ঃ শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ ঢেকীয়াজুলি শংকৰ-আজান মহাবিদ্যালয় কৰ্তৃপক্ষই আজি ঢেকীয়াজুলিস্থিত ত্ৰিমূৰ্তি ভৱনত দিনজোৱা কাৰ্যসূচীৰে আয়োজন কৰিলে নৱাগত আদৰণি সভা।উল্লেখ্য যে অতিকৈ পিছপৰা অঞ্চলৰ ছাত্ৰছাত্ৰী সকলৰ লগতে দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰছাত্ৰীক শৈক্ষিক দিশত আগবঢ়াই নিয়াৰ উদ্দেশ্য

### শংকৰ-আজান মহাবিদ্যালয়ে ঢেকীয়াজুলি অঞ্চলত শিক্ষাৰ এক নতুন গতি প্ৰদান কৰিছে ঃ ৰাণা প্ৰতাপ বৰুৱা

সমাজকৰ্মী আইজুল ইছলামৰ আপ্ৰাণ প্ৰচেষ্টা আৰু বৃহত্তৰ ঢেকীয়াজুলি অঞ্চলৰ ৰাইজৰ সহযোগত ২০২০ চনৰ ক'ৰোনা মহামাৰীৰ এক আতংকময় পৰিৱেশৰ সময়চোৱাতে আত্মপ্ৰকাশ ঘটিছিল শংকৰ-আজান মহাবিদ্যালয়ৰ।জন্মলগ্নৰে পৰা শংকৰ-আজান মহাবিদ্যালয় কৰ্তৃপক্ষই নিৰবে নিৰন্তৰে ছাত্ৰছাত্ৰী সকলক শৈক্ষিক দিশত আগবঢ়াই নিয়াৰ বাবে চলাই গৈছে বিৰামহীন প্ৰচেষ্টা।তাৰে ফল স্বৰূপে আজি ঢেকীয়াজুলি অঞ্চলত সু-পৰিচিত হৈ পৰিছে শংকৰ-আজান মহাবিদ্যালয়।শংকৰ-আজান মহাবিদ্যালয় কৰ্তৃপক্ষই নতুন আৰু পুৰণি ছাত্ৰছাত্ৰী সকলৰ অংশগ্ৰহণেৰে আজি আয়োজন কৰিলে নৱাগত আদৰণি সভাৰ।শংকৰ-আজান মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিশ্বজিৎ পালে সভাপতিত্ব কৰা আজিৰ সভাখনত ঢেকীয়াজুলি নেতাজী বিদ্যামন্দিৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিধু ভূষণ ৰায়, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি ৰাণা প্ৰতাপ বৰুৱা,কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সভাপতি প্ৰশান্ত বৈশ্য,অসম জ্যোতি জুনিয়ৰ কলেজৰ অধ্যক্ষ দিব্যজ্যোতি নাথ,ৰাজাবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক আইনুল হক,সদৌ অসম ছাত্ৰ সন্থাৰ ঢেকীয়াজুলি আঞ্চলিকৰ সভাপতি শংকৰ দাস,আদিবাসী ছাত্ৰ সন্থাৰ ঢেকীয়াজুলি আঞ্চলিকৰ সম্পাদক দয়ালু বাগ,শিক্ষক নবীন কুৰ্মী,কৃষক নেতা জাহেদ আলীৰ লগতে বিভিন্ন ছাত্ৰ সংগঠনৰ নেতাকৰ্মী উপস্থিত থাকে।শংকৰ-আজান মহাবিদ্যালয়ে আয়োজন কৰা নৱাগত আদৰণি সভাৰ অনুষ্ঠানটিত প্ৰায় তিনি শতাধিক ন-পুৰণি ছাত্ৰছাত্ৰীয়ে অংশগ্ৰহণ কৰি অনুষ্ঠানটিক জীপাল কৰি তোলে।

# আছাৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ প্ৰাক্তন ছাত্ৰ নেতা প্ৰদীপ তাঁতী অসুস্থ

### উন্নত চিকিৎসা প্ৰদানৰ কৰিবলৈ চৰকাৰলৈ জনালে আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা মাৰ্ঘেৰিটা, ২৭ ছেপ্টেম্বৰ** ঃ সদৌ অসম আদিবাসী ছাত্ৰ সন্থা মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ এটা সঁজাতী দলে প্ৰাক্তন আছা তথা আটছা নেতা প্ৰদীপ তাঁতীক মাৰ্ঘেৰিটাস্থিত নিজ বাসগৃহত সাক্ষাৎ কৰে। দীৰ্ঘদিন ধৰি একালৰ ছাত্ৰ নেতাজন শাৰীৰিকভাৱে অসুস্থ হৈ আছে। আছাৰ এই দলটোৰ সৈতে উপস্থিত থাকে আদিবাসী নেচনেল লিবাৰেচন আৰ্মী (আনলা)শান্তি চুক্তিৰ অন্যতম স্বাক্ষৰকাৰী তথা আনলাৰ মুখ্য সেনাধ্যক্ষ পিটাৰ দাং, আনলাৰ সভাপতি দীপেন নায়ক, প্ৰদীপ তাঁতীৰ একালৰ সংগ্ৰামী সতীৰ্থ তথা অসমজুৰি জাতীয়



চেতনাৰে জাগ্ৰত কৰা প্ৰাক্তন আটছাৰ নেতা তথা বৰ্তমান আদিবাসী জাতীয় মহাসংঘৰ সভাপতি বীৰেন মীৰ্ধা। এই সঁজাতী দলটোক প্ৰতিনিধিত্ব কৰে আদিবাসী ছাত্ৰ সন্থা মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ সভাপতি জাৰ্নেল মিঞ্জ আৰু সম্পাদক সমুৱেল তপ্নই। শাৰীৰিকভাৱে অসুস্থ হৈ থকা প্ৰদীপ তাঁতীৰ আশু আৰোগ্য কামনা কৰাৰ লগতে প্ৰাক্তন ছাত্ৰ নেতাজনৰ চিকিৎসা বাবে আনলাৰ তৰফৰ পৰা কিছু আৰ্থিক সহায্যও আগবঢ়োৱা হয়। অসমৰ প্ৰতিটো সমস্যা ক্ষেত্ৰতে মাত মাতি যোৱা সংগ্ৰামী প্ৰাক্তন ছাত্ৰ নেতা প্ৰদীপ তাঁতীক শাৰীৰিকভাৱে সুস্থ কৰি তোলাৰ ক্ষেত্ৰত সম্পূৰ্ণ দায়িত্ব অসম চৰকাৰক গ্ৰহণ কৰিবলৈ আছা মাৰ্ঘেৰিটা আঞ্চলিক সমিতিয়ে আহ্বান জনাইছে।


## NOTICE

It is for information that the list of beneficiaries approved by the State Level Selection Committee (SLSC) for distribution of Power Tillers under "One Time Special Grant for development of OBC Community" for the year 2019-20 against the sanctioned issued vide no. DW/OBC/PT/889/2019-20/50/6572-76, Dt.14/02/2020 & D W/OBC/PT/889/2019- 20/106/10092-95, Dt. 06/05/2020 have been uploaded in the official website of the Directorate of Tribal Affairs (Plain), Assam https://directorwptbc.assam.gov.in.

The approved beneficiaries are hereby requested to contact the O/o the Director, Tribal Affairs (Plain), Rukmini Nagar, Guwahati-6 Assam along with Voter ID, Caste Certificate and 3 (Three) copies of passport photos on or before 10/10/2022.

In this connection, if no communication is received from the concerned beneficiaries within 10/10/2022, it will be considered as cancelled.

Director, Tribal Affairs (Plain), Assam
Rukmini Nagar, Guwahati-6

*Janasanyog/D/13006/22*


### দিকৰাই চাহ বাগিচাৰ ১৭৩সংখ্যক দুৰ্গোৎসৱৰ ব্যাপক প্ৰস্তুতি

# মাহজোৰা প্ৰস্তুতিৰে পালন কৰিব দিকৰাইবাসী ৰাইজে দুৰ্গোৎসৱৰ ভাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২৭ ছেপ্টেম্বৰ** ঃ দুৰ্গতি নাশিনী শাৰদীয় দুৰ্গা পূজাভাগ সমগ্ৰ দেশৰ লগতে ৰাজ্যৰ বিশ্বনাথ জিলাৰ অন্যতম দিকৰাই চাহ বাগিচাতো আন আন প্ৰান্তৰ দৰে এক ঐতিহাসিক দুৰ্গা পূজাভাগৰ ব্যাপক প্ৰস্তুতি চলোৱা দেখা গৈছে। জিলাখনৰ ইটাখোলাস্থিত দিকৰাই চাহ বাগিচা ব্ৰিটিছে ১৮৩৫-৩৬ খ্ৰীষ্টাব্দতে স্থাপনৰ কালৰে পৰাই প্ৰথমে ভাৰতৰ বিভিন্ন ৰাজ্য ওড়িশা, ঝাৰখণ্ড,উত্তৰ প্ৰদেশৰ পৰা অনা চাহ শ্ৰমিক ৰাইজে ভাৰতীয় সংস্কৃতি ৰক্ষাৰ উদ্দেশ্যে গঢ় দিয়া দিকৰাই দুৰ্গা পূজাভাগ চাহ কোম্পানীয়ে পূজা ভাগ আয়োজন কৰাৰ পিছত বৰ্তমানেও বাগিচা কৰ্তৃপক্ষ আৰু চাহ শ্ৰমিক ৰাইজৰ দ্বাৰা পালন কৰি অহা দুৰ্গোৎসৱভাগ অঞ্চলটোত সাৰ্বজনীন হিচাপে প্ৰতিষ্ঠা লাভ কৰে। ১৮৫০ চনতে গঢ় লৈ উঠা দিকৰাই দুৰ্গা পূজাই সম্প্ৰতি ৰাজ্যখনৰ এটি উল্লেখ্য দুৰ্গা পূজাস্থলী আৰু আনন্দ মেলাই ৰাইজৰ বিভিন্ন প্ৰান্তৰ বহু গণ্যমান্য ব্যক্তিৰ বাবে হৈ পৰিছে জীৱনৰ এক স্মৰণীয় দুৰ্গা পূজা। বৃহত্তৰ দিকৰাইৰ ইটাখোলা অঞ্চলৰ বিভিন্ন বিশিষ্ট ব্যক্তিৰ জীৱনত



হৈ ৰৈছে জীৱনৰ এক পুৰণি স্মৃতি ৰোমন্থনৰ পূজাস্থলী। অন্যান্য প্ৰান্তৰ দৰে বিগত দুটা বছৰে ক'ভিড পৰিস্থিতিত দিকৰাই চাহ বাগিচাতো ঐতিহাসিক পূজাভাগ স্থবিৰ হৈ ৰৈছিল যদিও এই বেলি ৰাইজে উলহ-মালহেৰে পূজাভাগ পালন কৰিবলৈ যো-যা চলোৱা পৰিলক্ষিত হৈছে। বিশ্বব্যাপী ক'ভিড পৰিস্থিতি সুস্থিৰ হৈছে যদিও পৰিৱৰ্তিত সময়ৰ লগত মিলাকে চৰকাৰে বান্ধি দিয়া নিয়মাৱলীৰ মাজত অহা ২, ৩, ৪ আৰু ৫ অক্টোবৰত দুৰ্গোৎসৱৰ ভাগ পালন কৰিব বুলি জানিব দিছে পূজা সমিতিৰ সভাপতি বিজেন্দ্ৰ তচা আৰু যুটীয়া সম্পাদক আনন্দ তচা আৰু পূৰণ গোৱালাই। ইপিনে, দিকৰাই চাহ বাগিচাৰ খেলপথাৰ প্ৰাংগণত অৱস্থিত স্থায়ী দুৰ্গা পূজাস্থলী ভাগত বিগত বৰ্ষৰ দৰেই পূজাভাগৰ বিশেষ আকৰ্ষণৰ দিশ আনন্দ মেলা অৰ্থাৎ 'মিনা বজাৰ' আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা নানান দোকান-পোহাৰে ভক্তিপ্ৰাণ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব বুলি আশা প্ৰকাশ কৰিছে দিকৰাই দুৰ্গা পূজা মেলা সমিতিৰ সভাপতি সুনীল নায়ক আৰু যুটীয়া সম্পাদক যতীন তচা আৰু ৰুহীত তচাই। ইতিমধ্যে যোৱা দেওবাৰে এই বেলি দুৰ্গোৎসৱৰ মহালয়া দিনৰে পৰা দিকৰাই চাহ বাগিচাৰ ঐতিহাসিক শাৰদীয় দুৰ্গোৎসৱ ভাগৰ পূজা মণ্ডপ, প্ৰদৰ্শনী আৰু ব্যৱসায়ীসকলৰ দোকান-পোহাৰ বহোৱাৰ ব্যাপক প্ৰস্তুতিত বিশেষভাৱে পূজা সমিতি আৰু মেলা সমিতিৰ বিষয়ববীয়া গোপাল চৰৱ, জগদীশ তচা আৰু ৰাম তচাই দিনে-নিশাই তৎপৰতা প্ৰদৰ্শন কৰাৰ লগতে সমূহ ভক্তিপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# ঘগ্ৰাপাৰত 'জিৰণি ৰিজ'ৰ্ট' মুকলি মোহময়ী অভিনেত্ৰী ভ্ৰান্তি মেধিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৭ ছেপ্টেম্বৰ** ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ ৩১নং ৰাষ্ট্ৰীয় ঘাইপথ ঘগ্ৰাপাৰ হাইৱে চ'কৰ সমীপত কালি সন্ধিয়া 'জিৰণি ৰিজ'ৰ্ট'ৰ শুভ উদ্বোধন কৰে মোহময়ী অভিনেত্ৰী ভ্ৰান্তি মেধিয়ে। ঘগ্ৰাপাৰৰ শিক্ষিত নিবনুৱাদ্বয়



ক্ৰমে হীৰক তালুকদাৰ আৰু পুলেন ডেকাৰ প্ৰয়াসত গঢ় লৈ উঠা ৰিজ'ৰ্টখন মুকলি কৰি জনপ্ৰিয় অভিনেত্ৰীগৰাকীয়ে চাকৰিমুখী নহৈ শিক্ষিত যুৱসকলক ব্যৱসায়ত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। লগতে যুৱক দুয়োজনৰ এনে সাহসিকতাক অভিনেত্ৰী মেধিয়ে শলাগ লোৱাৰ উপৰিও ৰাষ্ট্ৰীয় ঘাইপথ কাষৰ এই ৰিজৰ্টখনে ভৱিষ্যতৰ দিনত সুন্দৰভাৱে আগবাঢ়ি যাব বুলি আশা কৰে। সাংবাদিক ত্ৰিদীপ কলিতাই আঁত ধৰা অনুষ্ঠানটিত বিহু নৃত্য পৰিৱেশনে পৰিৱেশ জীপাল কৰি তোলে। উল্লেখ্য যে যি সময়ত ৰাজ্যত একাধিক যুৱক-যুৱতীয়ে এটি চৰকাৰী চাকৰিৰ বাবে মন্ত্ৰী-বিধায়কক আবেদন-নিবেদন কৰি পিছে পিছে দৌৰি আছে ঠিক সেই সময়তে ঘগ্ৰাপাৰৰ উক্ত শিক্ষিত নিবনুৱা দুয়োগৰাকীয়ে ইয়াৰ ব্যতিক্ৰমী কৰ্ম হাতত লৈছে। দুয়োগৰাকী যুৱক হীৰক আৰু পুলেনে চৰকাৰী চাকৰিৰ আশা বাদ দি নিজৰ ভৰিৰ ওপৰত থিয় দিয়াৰ প্ৰয়াস কৰাৰ লগতে অন্য কুৰিজন যুৱক-যুৱতীক সংস্থাপন দিয়াৰ বাবে আগবাঢ়ি অহা পদক্ষেপক স্থানীয় সচেতন ৰাইজে ধন্যবাদ জ্ঞাপন কৰিছে।

## ৰাশিফলত আজিৰ দিনটো

**১১ আহিন, বুধবাৰ, ২৮ ছেপ্টেম্বৰ, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ শুক্লা তৃতীয়া, নক্ষত্ৰ ঃ চিত্ৰা, জন্মত ঃ তুলা ৰাশি**
**সূৰ্যোদয়- ৫-১৭-৫৩, সূৰ্যাস্ত- ৫-১১-৪৮**



■ **মেষ** ঃ আদান-প্ৰদান ■ **বৃষ** ঃ কৰ্মব্যস্ততা ■ **মিথুন** ঃ প্ৰেমত আনন্দ ■ **কৰ্কট** ঃ ছাত্ৰ-ছাত্ৰীৰ সুনাম ■ **সিংহ** ঃ গৃহ নিৰ্মাণ ■ **কন্যা** ঃ নান বাধা-বিঘিনি ■ **তুলা** ঃ অধ্যয়নত ব্যস্ত ■ **বৃশ্চিক** ঃ ব্যস্ততাৰে দিনটো ■ **ধনু** ঃ উত্তম খাদ্য লাভ ■ **মকৰ** ঃ শান্তিময় জীৱন ■ **কুম্ভ** ঃ সামাজিক ব্যস্ততা ■ **মীন** ঃ প্ৰচেষ্টাত সফল।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
২৮ ছেপ্টেম্বৰ, ২০২২ ■ বুধবাৰ ■ ১১ আহিন, ১৯৪৪ শক



মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ নৱনিযুক্ত উপাচাৰ্য ড° নিৰোদ বৰুৱাই দায়িত্বভাৰ লৈছে, মঙলবাৰে

## মহুৰামুখৰ সাংগঠনিক সভাত মন্ত্ৰী বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৭ ছেপ্টেম্বৰ ঃ** বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত দিচৈ আৰু উত্তৰ মহুৰা পঞ্চায়ত অগপৰ পঞ্চায়ত পৰিষদৰ আজি পৃথকে পৃথকে অনুষ্ঠিত সাংগঠনিক সভাত বোকাখাত বিধানসভা সমষ্টিৰ বিধায়ক, কেবিনেট মন্ত্ৰী তথা অসম গণ পৰিষদৰ সভাপতি অতুল বৰাই অংশগ্ৰহণ কৰে। প্ৰথমে ধনশিৰি টেমেৰা নাট্যমন্দিৰত মাণিক লইঙৰ সভাপতিত্বত আয়োজিত দিচৈ অগপৰ সাংগঠনিক সভাত অংশগ্ৰহণৰ পিছতে উত্তৰ মহুৰা অগপৰ সভাপতি পোৰালি বৰিৰ সভাপতিত্বত বংকোৱাল বালিচাপৰি নাট্যমন্দিৰত অনুষ্ঠিত উত্তৰ মহুৰা অগপৰ পঞ্চায়ত পৰিষদৰ সভাত অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়। বোকাখাত বিধান পৰিষদৰ সম্পাদক সুৰেন বৰি, অসম গণ পৰিষদৰ বোকাখাত সমষ্টিৰ তত্বাৱধায়ক তথা বোকাখাত সমষ্টিৰ কেন্দ্ৰীয় সম্পাদক কৃষ্ণকান্ত দাস, গোলাঘাট জিলাৰ তত্বাৱধায়ক তথা কেন্দ্ৰীয় সম্পাদক তুলসী গগৈ, তথ্য প্ৰযুক্তিৰ সম্পাদক শংকৰজ্যোতি সেনাপতি, অসম গণ পৰিষদৰ গোলাঘাট জিলাৰ সহঃ সম্পাদক দিনাম গগৈ, বোকাখাত বিধান পৰিষদৰ সম্পাদক উৎপল বৰদলৈ উপস্থিত থাকি বক্তব্য আগবঢ়োৱা সভাত বোকাখাত সমষ্টিৰ বিধায়ক তথা কৃষিমন্ত্ৰী অতুল বৰাই দলৰ সাংগঠনিক দিশৰ লগতে গোটৰ জৰিয়তে কৃষি কৰ্মৰ প্ৰতি ৰাইজক আকৃষ্ট কৰাই স্বাৱলম্বী কৰি তুলিবলৈ দলীয় কৰ্মীসকলক আহ্বান জনোৱাৰ লগতে অঞ্চলটোৰ কেইবাটাও জৰাজীৰ্ণ পথ কম দিনৰ ভিতৰত নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব বুলি উল্লেখ কৰে। দুয়োখন সভাতে অৰ্ধশতাধিক অগপৰ পঞ্চায়ত পৰিষদ, ৱাৰ্ড সমিতিৰ সদস্য-সদস্যাসকল উপস্থিত থাকে। দুয়োখন সভাত উদ্দেশ্য ব্যাখ্যা কৰে ক্ৰমে— গোলাঘাট জিলা অগপৰ সদস্য ডিম্বেশ্বৰ কুটুম আৰু সম্পাদক ভাগ্য টাইদে।

## সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয় স্থানান্তৰকৰণক লৈ কৰ্মী আৰু সহায়িকাৰ মাজত হাহাকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয় স্থানান্তৰকৰণক লৈ কৰ্মী আৰু সহায়িকাসকলৰ মাজত হাহাকাৰ। লাহৰীঘাট সমষ্টিৰ বিধায়কে কথা দি কথা ৰাখিব নোৱাৰিলে। যাৰ কাৰণে উপায়হীন হৈ লাহৰীঘাট সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াগৰাকীয়ে স্থানান্তৰ কৰিলে কাৰ্যালয়টো। যোৱা কিছুদিন আগতে বিধায়ক আচিফ মহাম্মদ নাজাৰে বিষয়াগৰাকীক কথা দিছিল কাৰ্যালয়ৰ যাৱতীয় সা-সুবিধা ঠিক-ঠাক কৰি দিব বুলি, কিন্তু দুমাহ অতিক্ৰম কৰাৰ পাছতো কাৰ্যালয়টো ঠিক-ঠাক কৰি নিদিলে। যাৰ ফলত আজি কাৰ্যালয়ৰ আচবাব-পত্ৰ সা-সামগ্ৰী আজি কোনো কৰ্মী-সহায়িকাক অৱগত নকৰি দিনৰ ১ বজাত প্ৰকল্প বিষয়াৰ নিৰ্দেশমৰ্মে কাৰ্যালয়ৰ গাণনিক বিষয়া ৰণ্টু ঠাকুৰীয়াই ট্ৰাকত ভৰাই আচবাব পত্ৰ উঠাই লৈ যায় ভাৰাঘৰলৈ। এঘন্টাৰ ভিতৰতে কাৰ্যালয় খালী কৰে। উল্লেখ্য যে কৰ্মী-সহায়িকাক অৱগত নকৰি কাৰ্যলয় গৃহটি লাওভুৰগুৱালৈ স্থানান্তৰিত কৰে। এতিয়া কাৰ্যালয়গৃহ সন্মুখত কৰ্মী-সহায়িকাসকল আহি হতভম্ব হৈ পৰে। অভিযোগমৰ্মে কাৰ্যালয় স্থানান্তৰিত, আচবাব-সা-সামগ্ৰী অন্য স্থানত নিয়া কোনো কথাই নাজানে কৰ্মীসকলে? কাৰ্যালয় বিষয়ববীয়াসকলক কৰ্মী সহায়িকাসকলে যোগাযোগৰ বাবে ফোন কৰে যদিও ফোন ৰিছিভ নকৰে। প্ৰাক্তন মন্ত্ৰী তথা লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ নজৰুল ইছলামে চৰকাৰী ভূমিতে স্থায়ী হিচাপে নিৰ্মাণ কৰা কাৰ্যালয়টি বিধায়ক পুত্ৰ আচিফ মহম্মদ নাজাৰে স্থায়ী ভূমিত লাহৰীঘাটতে ৰাখিব নোৱাৰিলে। কি কাৰণে লাওভুৰুংগালৈ লৈ গ'ল তাক লৈ এতিয়া কৰ্মীসকল অস্বস্তিত পৰিছে যদিও প্ৰকল্প বিষয়াগৰাকীয়ে জনোৱা মতে কাৰ্যালয়ৰ ভিতৰত বিভিন্ন অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। কেৱল এয়াই নহয়, এখন অফিচ চলাবলৈ যিখিনি সা-সুবিধা লাগে তাৰ তিলমানো নাই এই অফিচটোত। অৱশ্যে এই বিষয়াগৰাকী যোগদান কৰাৰ আগতে চাকৰি কৰা অন্যান্য বিষয়া-কৰ্মচাৰীসকলৰ তেনে কোনো অভিযোগ নাছিল। একমাত্ৰ এই গৰাকী বিষয়াই বিভিন্ন অভিযোগ উত্থাপিত কৰি আজি কাৰ্যালয়টি লাউভুৰংগালৈ উঠাই নিয়ে। অফিচটো লাউভুৰংগালৈ নিয়াত চৰ-চাপৰিকে ধৰি লাহৰীঘাট সমষ্টিৰ উত্তৰ-পশ্চিম দিশৰ অংগনৱাড়ী কৰ্মীসকলৰ মাজত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰিছে। লাহৰীঘাট সমষ্টিৰ বিধায়কগৰাকীয়ে পাৰিবনে পুনৰ একে স্থানতে অফিচটো আনিবলৈ। এয়া ৰাইজৰ প্ৰশ্ন।

### নয়না শইকীয়াই গৌৰৱান্বিত কৰিলে ডিগবৈ মহাবিদ্যালয়ক
## এন এছ এছ স্বেচ্ছাসেৱক ৰাষ্ট্ৰপতি বঁটা লাভ

**দৈনন্দিন বাৰ্তা সেৱা, টিংৰাই, ২৭ ছেপ্টেম্বৰ ঃ** টিংৰাইৰ মেধাৱী ছাত্ৰী নয়না শইকীয়াই গৌৰৱান্বিত কৰিলে ডিগবৈ মহাবিদ্যালয়ক । যোৱা ২৪ ছেপ্টেম্বৰত ৰাষ্ট্ৰপতি ভৱনত ২০২০-২১ বৰ্ষৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত ৰাষ্ট্ৰপতি বঁটা প্ৰদান অনুষ্ঠানত ডিগবৈ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সদস্যা নয়না শইকীয়াই এনএছএছ স্বেচ্ছাসেৱক বঁটা গ্ৰহণ কৰি ডিগবৈ মহাবিদ্যালয়লৈ পুনৰ সুনাম কঢ়িয়াই আনে। ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰালয়ে ঘোষণা কৰা ৰাষ্ট্ৰীয় সেৱা আঁচনি বঁটা ২০২০-২১ৰ বাবে নিৰ্বাচিত হৈছিল নয়না শইকীয়া। ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে যোৱা ২৪ ছেপ্টেম্বৰত ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত নয়না শইকীয়ালৈ ৰূপৰ পদক, মানপত্ৰ, এক লাখ টকাৰ চেকসহ এই বঁটা প্ৰদান কৰে। দেশৰ ৩০গৰাকী এনে স্বেচ্ছাসেৱক বঁটাপ্ৰাপক ছাত্ৰ-ছাত্ৰী ভিতৰত অসমৰ দুগৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই বঁটা পাবলৈ সক্ষম হয়। এই অনুষ্ঠানত অগণন গণ্যমান্য ব্যক্তিৰ লগতে কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী অনুৰাগ ঠাকুৰ উপস্থিত থাকে। ২০১৮-১৯ বৰ্ষত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত সমাজলৈ বিভিন্ন সেৱাৰ বাবে ডিগবৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী নয়না শইকীয়ালৈ আগবঢ়াই এই ৰাষ্ট্ৰীয় বঁটা । ইয়াৰ পূৰ্বেও ডিগবৈ কলেজৰ পৰা আন দুগৰাকী ছাত্ৰই এই বঁটা পাবলৈ সক্ষম হৈছিল। নয়না শইকীয়া ডিগবৈ টিংৰাই বনগাঁও নিবাসী ত্ৰিদীপ শইকীয়া আৰু সুৰভি শইকীয়াৰ এক মাত্ৰ কন্যা। উল্লেখ্য যে ২০১৮ বৰ্ষত ডিগবৈ মহাবিদ্যালয়ত ইংৰাজী বিভাগত স্নাতক বৰ্ষত নামভৰ্তি কৰা নয়না শইকীয়াই ডিগবৈ মহাবিদ্যালয়ৰ এনএছ এছ গোটত যোগদান কৰি পিছলৈ সক্ৰিয় হৈ পৰে। ২০১৮ চনৰ জুলাই মাহত গ্ৰীষ্মকালীন ইণ্টাৰ্নশ্বিপ কাৰ্যসূচীৰ যোগেদি ডিগবৈৰ পাণবাৰী-বগাপানীৰ সমীপৰ পথাৰবস্তি নামৰ গাঁওখনত স্বেচ্ছাসেৱক হিচাপে সেৱা প্ৰদান কৰিবলৈ সুবিধা লাভ কৰে। উক্ত গাঁও অঞ্চলত মাহজোৰা কাৰ্যসূচীৰে গাঁওবাসীৰ সমস্যাসমূহ বুজ লয়। পাছলৈ জিলা প্ৰশাসনৰ তত্বাৱধানত গাঁওখনত অনাময় আঁচনিৰ জৰিয়তে দৰিদ্ৰ পৰিয়ালৰ ঘৰত শৌচালয় ব্যৱস্থা কৰিবলৈ সক্ষম হৈছিল। লগতে খোৱাপানীৰ সু-ব্যৱস্থা নথকাত সতীৰ্থ ছাত্ৰ-ছাত্ৰীৰ পৰা এশ টকাকৈ সংগ্ৰহ কৰি দৰিদ্ৰ লোকৰ ঘৰত পানীৰ ফিল্টাৰ যোগানৰ সুনিশ্চিত কৰিছিল। লগতে ডিগবৈ তনং ববৰিল অঞ্চলৰ ৰাজহুৱা স্থানত একোটাকৈ ডাষ্টবিন প্ৰদান কৰিছিল সতীৰ্থসকলৰ সৈতে। একেটা বৰ্ষতে ডিচেম্বৰ মাহত চৰাইপুঙৰ ভিতৰুৱা অঞ্চলত সপ্তাহ যোৱা বিশেষ প্ৰশিক্ষণ শিবিৰৰ যোগেদি পশু চিকিৎসা, কৃষিক্ষেত্ৰ, কাঠফুলা খেতিৰ প্ৰশিক্ষণ, জৈৱসাৰ, কেচু সাৰ প্ৰস্তুত কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ ওপৰত পাৰ্দৰ্শিতা দেখাবলৈ সক্ষম হৈছিল । ইয়াৰ ওপৰিও নাগালেণ্ডত অনুষ্ঠিত হোৱা এন এছ এছ ৰাষ্ট্ৰীয় প্ৰশিক্ষণ শিবিৰত যোগদান কৰিবলৈ ডিগবৈ মহাবিদ্যালয় প্ৰতিনিধি হিচাপে সুযোগ লাভ কৰিছিল । নয়না শইকীয়াই ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত বৃক্ষ ৰোপণ, ৰক্তদান, ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়াকৈ নামভৰ্তিৰ ক্ষেত্ৰত সহযোগিতা, সজাগতা সভা, বানত ক্ষতিগ্ৰস্থ লোকৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰা আদি বিভিন্ন ক্ষেত্ৰৰ বিষয় সমূহত সজাগতা সৃষ্টিৰ বাবে যথেষ্ট তৎপৰতাৰে আগভাগ লৈছিল । ২০১৯ চনত ছাত্ৰী প্ৰতিনিধি হিচাপে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা নিৰ্বাচনত সাধাৰণ সম্পাদক পদত আছুৰ সমৰ্থিত প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি মাত্ৰ ১১ টা ভোট পৰাজিত হৈছিল । ২০২১ বৰ্ষত ইংৰাজী বিভাগত ডিগবৈ মহাবিদ্যালয় পৰা স্নাতক ডিগ্ৰীত উত্তীৰ্ণ হৈ বৰ্তমান নয়না শইকীয়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ইংৰাজী বিভাগত অধ্যয়নত ছাত্ৰী।

## বৰপেটা অসমৰেই নহয়, গোটেই ভাৰতবৰ্ষৰ তীৰ্থস্থান ঃ য়েছে দৰ্জে ঠংছি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৭ ছেপ্টেম্বৰ ঃ** অৰুণাচলৰ বিশিষ্ট অসমীয়া সাহিত্যিক য়েছে দৰ্জে ঠংছিয়ে শ্ৰীমন্ত শংকৰদেৱ স্থাপিত পাটবাউসী সত্ৰ দৰ্শন কৰে। অসমীয়া ভাষাৰ সাধক আৰু শ্ৰীমন্ত শংকৰদেৱৰ ভক্ত হিচাপে পাটবাউসী সত্ৰ দৰ্শন কৰি বহুত ভাল লগা মন্তব্য কৰে। শ্ৰীমন্ত শংকৰ গুৰুজনাই উজনি ত্যাগ কৰি বৰপেটালৈ আহি পাটবাউসীত সত্ৰ পাতি ১৮ বছৰ ৬ মাহ কাল নিৱাস কৰা পাটবাউসী সত্ৰত বিশিষ্ট সাহিত্যিক য়েছে দৰ্জে ঠংছি উপস্থিত হৈ সত্ৰখনত সেৱা জনায়। অসম সাহিত্য সভাৰ সভাপতি হিচাপে বিশিষ্ট সাহিত্যিক য়েছে দৰ্জে ঠংছিৰ নাম চৰ্চালৈ অহাৰ পিছতে সাহিত্যিকগৰাকীয়ে বৰপেটালৈ আহি গুৰুজনাৰ ওচৰত সেৱা জনায়। ইপিনে অসম সাহিত্য সভাৰ কৰ্মচাৰীয়ে দৰমহাৰ পৰা বঞ্চিত হৈ থকা আৰু তাৰবাবেই সাহিত্য সভাৰ একাংশ কৰ্মচাৰীয়ে কাৰ্যালয়টো তলাবন্ধ কৰি দিয়া সম্পৰ্কেও মন্তব্য কৰে। অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয়ত তলাবন্ধ কৰি দিয়াটো লাজ লগা কথা। সভাৰ বিত্তীয় সংকট আঁতৰোৱাৰ বাবে অসমৰ ৰাইজক আগবাঢ়ি আহিবলৈ আহ্বান। সভাৰ এই সমস্যা সমাধানৰ বাবে চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগ কৰিবলৈকো অসমৰ ৰাইজলৈ আহ্বান সাহিত্যিকগৰাকীৰ। তেতিয়া হয়তো চৰকাৰে ধন মোকলাই দিব পাৰে। ইপিনে অসমৰ প্ৰব্ৰজন সমস্যা সম্পৰ্কেও মন্তব্য বিশিষ্ট সাহিত্যিক য়েছে দৰ্জে ঠংছিৰ। অৰুণাচলত ইনাৰলাইন পাৰ্মিট চলি থকাৰ বাবেই অৰুণাচল সুৰক্ষিত হৈ আছে বুলিও কয়।



নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প ভাঙি দিয়াৰ দাবীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিবাদী কাৰ্যসূচী, মঙলবাৰে

केनरा बैंक Canara Bank
सिंडिकेट Syndicate

**NOWGONG BRANCH**
VIP Road, Christainpatty,
Near Stadium Market,
Nagaon, Assam- 782001

**AUCTION SALE NOTICE**

The under mentioned persons are hereby informed that they have failed to pay off the liability in the loan accounts. Notices sent to them by Registered Post have been returned undelivered to the Bank. They are therefore requested to pay off the Liability and other charges and redeem the pledged securities on or before **28-10-2022,** failing which the said securities will be sold by the Bank in public auction at the cost of the borrower at the Bank's premises at **10.30 A.M. on 31-10-2022** or on any other convenient date threafter without further notice, at the absolute discretion of the Bank.

| Sl. No. | Date of Loan | Loan Account Number | Name and address of the borrower |
|---|---|---|---|
| 1. | 17.09.2021 | 125000688571 | **Sri Debasish Borah** S/o Ghana Kanta Borah Kachalukhowa, Opp. Housing Colony, House No. 90, Nagaon-782001, Assam |

**Date: 27.09.2022** **MANAGER**

**NOTE: Amount outstanding should include all liabilities of the party under Gold Loans as well as any other loan/credit facility**

### সোপাধৰা, পিছল মানুহ, ডাইনী এক ভ্ৰান্ত ধাৰণা
## যোৰহাটত অন্ধবিশ্বাসৰ বিৰুদ্ধে সজাগতা সভা, প্ৰচাৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২৭ ছেপ্টেম্বৰ ঃ** আজি যোৰহাটৰ উপকণ্ঠ পঞ্চায়ত ৩৫নং পটীয়া ফকলা গাঁও পঞ্চায়ত, ৩১নং মধ্য চাৰিগাঁও গাঁও পঞ্চায়তৰ উদ্যোগত ভোগদৈ আৰক্ষী চকীৰ সহযোগত সমাজকৰ্মী বৈকুণ্ঠ মহন্তৰ সভাপতিত্বত ফকলা পঞ্চায়তৰ সভাগৃহত এখন অন্ধবিশ্বাস দূৰীকৰণৰ সজাগতা সভা অনুষ্ঠিত হয়। স্থানীয় ৰাইজ, আত্মসহায়ক গোটৰ সদস্য-সদস্যাসকলৰ উপস্থিতিত পঞ্চায়তৰ সভাপতি তথা সভাখনৰ মুখ্য আহবায়ক ৰাজু দত্তই উদ্দেশ্য ব্যাখ্যা আগবঢ়ায়। উদ্দেশ্যত বৰ্তমান যোৰহাট জিলাৰ বিভিন্ন অঞ্চলত অন্ধবিশ্বাস আৰু উৰাবাতৰিৰ প্ৰভাৱত সোপাধৰা, পিছল মানুহ ওলোৱাৰ উৰাবাতৰি আৰু অন্ধবিশ্বাসৰ বলি হৈ বহুতো নিৰপৰাধ মানুহ ৰাইজৰ ৰোষত পৰিব লগা পৰিৱেশ দূৰ কৰাৰ উদ্দেশ্যে এক জনসজাগতা সৃষ্টি কৰাৰ মানসেৰে সভাখন আয়োজন কৰা হৈছে বুলি উল্লেখ কৰে। সভাত ভোগদৈ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল কুমাৰ শইকীয়াই উৰাবাতৰি আৰু অন্ধবিশ্বাস হ'ল জনসজাগতাৰ অভাৱৰ এক দুঃখজনক পৰিচয় বুলি উল্লেখ কৰে। গাঁওৰক্ষী বাহিনীৰ চক্ৰ বিষয়া মৃণাল কুমাৰ শইকীয়া উপস্থিত থাকি ভাষণ আগবঢ়াই কয় যে এই পৰিৱেশ দূৰ কৰিব লাগিব ৰাইজৰ সহায়-সহযোগত আৰু জনসজাগতাৰ যোগেদি। তাৰ বাবে অসম আৰক্ষী আৰু গাঁওৰক্ষী বাহিনী ৰাইজক সহায়ৰ বাবে সদায়েই প্ৰস্তুত আছে বুলি কয়। ৩১নং মধ্য চাৰিগাঁও গাঁও পঞ্চায়তৰ সভাপতি বুবুল দত্ত, সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত সমাজ কল্যাণ বিভাগৰ বিষয়া বুধিন বৰা, সমাজকৰ্মী জগন্নাথ অগ্নিবৰাই অন্ধবিশ্বাস দূৰীকৰণৰ সম্পৰ্কত ভাষণ আগবঢ়ায়। সভাত লেতুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ অশোক গোস্বামী, গাঁও প্ৰধান অচিন্ত্য দত্ত আঞ্চলিক পঞ্চায়তৰ সদস্যা গীতা হাজৰিকা উপস্থিত থাকে। সভাৰ পিছতে পটীয়া ফকলা গাঁও পঞ্চায়তৰ সভাপতি ৰাজু দত্তৰ নেতৃত্বত দুয়োখন পঞ্চায়ত এলেকা সামৰি মাইকযোগে এক প্ৰচাৰ অভিযান ৰূপায়ণ কৰে। ভোগদৈ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল কুমাৰ শইকীয়াই মুকলি কৰা প্ৰচাৰ অভিযানত সমাজকৰ্মী জগন্নাথ অগ্নি বৰা, গাঁও প্ৰধান অচিন্ত দত্ত, বিশ্ব বৰাই দুয়োখন পঞ্চায়ত এলেকাৰ প্ৰচাৰত পূৰ্ণ সহযোগিতা আগবঢ়ায়।


ধুবুৰীত মাছমৰীয়াই উদ্ধাৰ কৰা ডলফিন, মঙলবাৰে

## কামৰূপ মহানগৰ জিলাত ৰাজসাহায্যযুক্ত ধান বনা কল স্থাপনৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ ছেপ্টেম্বৰ ঃ** অসম খাদ্য অসামৰিক যোগান নিগম আৰু মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত কৃষকৰ পৰা প্ৰতি কুইণ্টলত ২০৪০টকা মূল্যত অতিৰিক্ত ২০০ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ যি লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে, সেই উদ্দেশ্য আগত ৰাখি ধান বনা ক্ষমতা বৃদ্ধিৰ বাবে কামৰূপ মহানগৰ জিলাৰ ইচ্ছুক ব্যক্তিসকলক ধান বনা কল সংস্থাপন কৰিবলৈ কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে। ইচ্ছুক ব্যক্তিসকলে আবেদন প্ৰ-পত্ৰ httpযযafcsclassamgov.inৰ পৰা ডাউনলোড কৰি অহা ৭ অক্টোবৰৰ ভিতৰত উপাযুক্তৰ কাৰ্যালয়ত জমা দিব লাগিব। নতুনকৈ ধান বনা কল সংস্থাপন কৰাসকলক কলৰ ক্ষমতা অনুসৰি চৰকাৰৰ পৰা ৰাজ সাহায্য আগবঢ়োৱা হ'ব। নতুনকৈ ধান বনা কল সংস্থাপনৰ বাবে চৰকাৰে ঘোষণা কৰা এই ৰাজ সাহায্যসমূহ এনেধৰণৰ- প্ৰতি ঘণ্টাত ১ মেট্ৰিকটন ক্ষমতাসম্পন্ন কলৰ বাবে উচ্চতম ১০ লাখ টকা সাপেক্ষে মুঠ খৰচৰ ৫০ শতাংশ। প্ৰতি ঘণ্টাত ২ মেট্ৰিকটন ক্ষমতাসম্পন্ন কলৰ বাবে উচ্চতম ১৫লাখ টকা সাপেক্ষে মুঠ খৰচৰ ৫০ শতাংশ। প্ৰতি ঘণ্টাত ৪ মেট্ৰিকটন ক্ষমতাসম্পন্ন কলৰ বাবে উচ্চতম ৪০ লাখ টকা সাপেক্ষে মুঠ খৰচৰ ৫০ শতাংশ।

### ধুবুৰীত গৰু চোৰক গ্ৰেপ্তাৰ
## ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী ভোগডহৰ চৰৰ পৰা ৰাইজে আটক কৰিলে দুটাকৈ চোৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৭ ছেপ্টেম্বৰ ঃ** ধুবুৰীত গৰু চোৰক গ্ৰেপ্তাৰ। ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী ভোগডহৰ চৰৰ পৰা ৰাইজে আটক কৰিলে দুটাকৈ চোৰ। ধুবুৰী জিলাৰ বিভিন্ন চৰাঞ্চলত বিগত দীৰ্ঘদিনৰ পৰাই গৰু চোৰসকলে সৃষ্টি কৰি আহিছে সন্ত্ৰাস। এইবাৰ গৰু, ম'বাইলৰ লগতে নাও চুৰি কৰি ধৰা পৰিল ৰাইজৰ হাতত। অৱশ্যে এই চুৰিকাণ্ডৰ লগত জড়িত গৰু চোৰসকলৰ তালিকা দীঘলীয়া। মুঠৰ ওপৰত ৭জন চোৰ জড়িত হৈ থকাৰ অভিযোগ ভুক্তভোগীৰ। উল্লেখ যে ধুবুৰীৰ ৰিভাৰ ব্লক ১০নম্বৰ এনচিৰ জহিৰুল ইছলামৰ যোৱা শুকুৰবাৰৰ মাজ নিশাৰ ভাগত ঘৰৰ পৰা দুটাকৈ গৰু, ম'বাইলৰ লগতে এখন নাও চুৰি হয়। পিছে বিভিন্ন ঠাইত বিচাৰি নোপোৱাত হতাশাত হৈ পৰিছিল জহিৰুল ইছলামৰ লগতে পৰিয়ালৰ লোকে। অৱশ্যে ধুবুৰীৰ ভাৰত-বাংলা সীমান্তৰ ভোগডহৰৰ ৰাইজে প্ৰত্যক্ষ কৰি নাওৰ লগতে ম'বাইল আৰু দুটা চোৰক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন চোৰ ক্ৰমে—মহিবুল হক আৰু আজিজুল হক দুৱাৰে চলাকুৰা পয়েস্তিৰচৰৰ বাসিন্দা বুলি জানিব পৰা গৈছে। অৱশ্যে ধুবুৰীৰ সদৰ থানাৰ আৰক্ষীয়ে চোৰকেইটাক গ্ৰেপ্তাৰ কৰি সদৰ থানালৈ লৈ আনে যদিও এই সন্দৰ্ভত আৰক্ষীয়ে অধিক তথ্য লাভৰ জেৰা অব্যাহত ৰাখিছে।

**NEMCARE**
**Group of Institutions**
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam

**ADMISSION OPEN FOR 2022-23**

OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration

CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available

98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

## বৃহত্তৰ বৰপেটাবাসীৰ উদ্যোগত চূণপোৰা ভিঠিত শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৭ ছেপ্টেম্বৰ ঃ** অসমীয়া জাতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ সত্ৰনগৰী বৰপেটাৰ চূণপোৰা ভিঠি থানত বৃহত্তৰ বৰপেটাবাসী ৰাইজৰ উদ্যোগত আৰু চূণপোৰা ভিঠি থান পৰিচালনা সমিতিৰ সহযোগত অহা ৮, ৯ আৰু ১০ অক্টোবৰত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। একশৰণ হৰি নাম ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই উজনি অসমৰ ধুঁৱাহাটা বেলগুৰিৰ পৰা ভকত সমন্বিতে ভটিয়াই আহি বৰপেটাত প্ৰৱেশ কৰোঁতে প্ৰথমে বসতি কৰা থানখনেই হৈছে বৰপেটা চহৰৰ মাজমজিয়াত অৱস্থিত চূণপোৰা ভিঠি থান। তাৰ পাছতহে শংকৰদেৱে ক্ৰমে—কুমাৰকুছি আৰু পাটবাউসীলৈ গৈ তাত সত্ৰ স্থাপন কৰি থাকিবলৈ লৈছিল। অথচ শংকৰদেৱ গুৰুজনাই নামনিলৈ ভটিয়াই আহি প্ৰথমে পদাৰ্পণ কৰা আৰু বসতি কৰা চূণপোৰা ভিঠি থান আজি অৱহেলিত-অনাদৃত। আনকি নৱ প্ৰজন্মৰ বহু যুৱক-যুৱতীয়ে নাজানে চূণপোৰা ভিঠি থানৰ ঐতিহ্য। সেয়েহে থানখনত প্ৰতিবছৰে গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পাতি গুৰুজনাক স্মৰণ কৰাৰ লগতে চূণপোৰা ভিঠি থান সম্পৰ্কে নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকলক পৰিচয় কৰাই দিয়া আৰু থানখনত থকা অভাৱ অভিযোগসমূহ ৰজাঘৰৰ দৃষ্টি আকৰ্ষণ কৰি সমাধান কৰাৰ উদ্দেশ্যে বিগত বৰ্ষৰ পৰা বৃহত্তৰ বৰপেটাবাসী ৰাইজে থান পৰিচালনা সমিতিৰ সহযোগত শংকৰদেৱ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন কৰিবলৈ লৈছে। এইবেলিও দ্বিতীয় বৰ্ষৰ বাবে তিনিদিনীয়া কাৰ্যসূচীৰে আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন কৰাৰ যো-জা কৰা হৈছে। কাৰ্যসূচী অনুসৰি ৮ অক্টোবৰ শনিবাৰে পুৱা ৫ বজাত ঊষা কীৰ্তন, ৬-৩০ বজাত পৰিৱেশ নিকাকৰণ ৭.৩০ বজাত গছপুলি ৰোপণ, ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলন, ধৰ্মধ্বজা উত্তোলন কৰিব আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি, বৰপেটাৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে। ১০ বজাত শিশুসকলৰ মাজত দলীয় প্ৰাৰ্থনা আৰু বক্তৃতা প্ৰতিযোগিতা। প্ৰতিযোগিতাখন উদ্বোধন কৰিব বিজেপি বৰপেটা জিলা সমিতিৰ সভাপতি অনিল কুমাৰ দাসে। বিয়লি ৩ বজাত যুৱক-যুৱতীসকলৰ মাজত অনুষ্ঠিত হ'বলগীয়া বৰগীত আৰু সত্ৰীয়া নৃত্য প্ৰতিযোগিতাখন উদ্বোধন কৰিব বৰপেটা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ কমল কৃষ্ণ দাসে। ৯ অক্টোবৰ দেওবাৰে পুৱা ৯ বজাত ভাগৱত ভ্ৰমণ। ভাগৱত ভ্ৰমণ উদ্বোধন কৰিব বৰপেটা সত্ৰৰ ডেকাসত্ৰীয়া গৌতম পাঠকে। দুপৰীয়া ১২ বজাত কণ কণ ল'ৰা-ছোৱালীৰ মাজত হ'বলগীয়া খেল-ধেমালি প্ৰতিযোগিতাখন উদ্বোধন কৰিব আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ধনজিৎ পাঠকে। বিয়লি ৪ বজাত অনুষ্ঠিত হ'ব ধৰ্মালোচনা সভা, স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা বিতৰণী অনুষ্ঠান। আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি গুণীন্দ্ৰ নাথ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া ধৰ্মালোচনা সভাখনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব ৰাজ্যসভাৰ সাংসদ ভুবনেশ্বৰ কলিতাই। বিশিষ্ট অতিথি হিচাপে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, আইন আৰু ন্যায় আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আৰু একশৰণ ভাগৱতী সমাজৰ প্ৰচাৰ সচিব গুণীন্দ্ৰ চলিহাই নিৰ্দিষ্ট বক্তা হিচাপে অংশ গ্ৰহণ কৰিব। ধৰ্মালোচনা সভাখন উদ্বোধন কৰিব বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° বাবুল চন্দ্ৰ দাসে। নিশা ভাওনা প্ৰদৰ্শন অনুষ্ঠান মুকলি কৰিব সৰুক্ষেত্ৰীৰ প্ৰাক্তন বিধায়ক ডাঃ তাৰাপ্ৰসাদ দাসে। ১০ অক্টোবৰৰ বিয়লি ৪ বজাত আই-মাতৃ সমাৰোহ মুকলি কৰিব বৰপেটা পৌৰসভাৰ সভাপতি ছবিলাল দাসে। নিশা থিয়নাম অনুষ্ঠান মুকলি কৰিব বুদৰুৰটুপ শাখা সত্ৰৰ সদস্য হিমাংশু দাসে। ইতিমধ্যে বৰপেটাৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসক সভাপতি, মতিলাল পাঠক আৰু ধনজিৎ পাঠকক কাৰ্যকৰী সভাপতি, মহানন্দ পাঠকক মুখ্য সম্পাদক, শৈলেন্দ্ৰ দাস, সন্তোষলাল মজুমদাৰ, ধনজিৎ দাস আৰু সত্যেন্দ্ৰ নাথ ভৰালীক সম্পাদক হিচাপে লৈ সাতখন উপ-সমিতিসহ আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন সমিতিখন গঠন কৰা হৈছে। আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক মহানন্দ পাঠকে ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

*M. No. DA/BTC/K/Dev-05/2022-23/831* *Dt. 27/09/2022*

**QUOTATION**

The Director of Agriculture, BTC, Kokrajhar invites Sealed quotation affixing non-refundable Court Fee Stamp of **Rs. 8.25** (Rupees Eight & Twenty-five paisa) only from the registered firm in BTC, suppliers for Plant Protection chemicals under **"Plant Protection & IPM Training"** scheme for the year 2022-23 (SOPD) as per term & conditions details given below and will be received up to **29-09-2022 at 4:30** PM and same will be opened on the same date & time. The quotations or their representative may present in the office of the undersigned at the time of opening.

| Sl. No. | Item | Rate | Tender value | Remarks |
|---|---|---|---|---|
| 1 | Profenofos 50% EC | Per Litre | 4.095 Lakh | |
| 2 | Imidacloprid 17.8% SL | Per Litre | 2.516 Lakh | |
| 3 | Hexaconazole 5% SC | Per Litre | 3.192 Lakh | |

**TERMS & CONDITON:**
1. The approved Firm / Supplier shall have to supply items within 7 (seven) days on receipt of supply order.
2. Details items may be seen in the office of the undersigned during the office hours from 29-09-2022 to 07-10-2022.
3. The Quotationers should submit up-to-date tax clearance certificate and BTC registration certificate issued by Director of Agril, BTC, Kokrajhar, Trade License Certificate, Dealership license, PAN Card, GST Registration Certificate etc. to the authority.
4. The Quotations should be submitted separately as per Sl. No. 1, 2, & 3 in sealed envelopsuperscribed on the cover as **"Plant Protection"** etc. for the year 2022-23.
5. The authority is not bound to accept the lowest rates of quotations and reserves all the right to reject any / all the tenders at a time without assigning any reason thereof.
6. The rate should be shown separately for different type of Articles and varieties including all Taxes.
7. The rate should be quoted inclusive FOR.
8. The quotationers will have to deposit 2% (for general) and 1% (for ST/SC/OBC/MOBC) as security money in the form of Bank Draft / Fixed Deposit / Call Deposit in favour of the ***Director of Agriculture, BTC, Kokrajhar*** as per scheme for the year 2022-23 which will be refundable in due course.

Sd/- B. Basumatary,
Director of Agriculture,
BTC, Kokrajhar.

*IPR(BTC)-336/2022*

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২৮ ছেপ্টেম্বৰ ■ ২০২২ ■ ১১ আহিন

# কংগ্ৰেছৰ শীৰ্ষ পদৰ নিৰ্বাচন আৰু ন-পুৰণিৰ সংঘাত

কংগ্ৰেছ দলৰ ভিতৰত দ্বন্দ্ব-কন্দলৰ কথাই ইতিমধ্যে দেশবাসীয়ে নুবুজাকৈ থকা নাই। ইন্দিৰা গান্ধীৰ মৃত্যুৰ পিছৰ দলটো লাহে লাহে নিঃচিহ্ন হৈ যাবলৈ ধৰিলে। পিছৰ নেতৃত্বৰ ওপৰত দলটোৰ অধিকাংশই দলৰ প্ৰতি আস্থা লাহে লাহে হেৰুৱাই আহিবলৈ ধৰিলে। দলত খহনীয়া আৰম্ভ হৈ অনেকে দল ত্যাগ কৰিবলৈ ধৰিলে। বিজেপিৰ মোদীৰ যাদুত দলটোৰ দুৰ্বলতা স্পষ্ট হোৱাই নহয়, ইখনৰ পিছত সিখন ৰাজ্যৰ পৰা দলটো শাসনৰ ক্ষমতা হেৰুৱাই যোৱাৰ পিছত কেন্দ্ৰতো ক্ষমতা হেৰুৱাই পেলাইছিল। সুদীৰ্ঘ ২২ বছৰৰ মূৰত কংগ্ৰেছৰ শীৰ্ষ পদৰ বাবে নিৰ্বাচনৰ দিন ঘোষণাৰ পিছৰে পৰা দলটোৰ ভিতৰচ'ৰাত এই নিৰ্বাচনক লৈ কুচ-কাৱাজ অব্যাহত আছে। আগন্তু সময়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে গান্ধী পৰিয়ালৰ বাহিৰৰ প্ৰথমগৰাকী প্ৰাৰ্থী হিচাপে সাংসদ তথা প্ৰসিদ্ধ লেখক শশী থাৰুৰে প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ঘোষণা কৰাৰ পিছত ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটেও নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ কথা প্ৰকাশ পাইছে। গেহলটৰ এই ঘোষণাৰ পিছতে এফালে শচীন পাইলটৰ সমৰ্থকসকলে কংগ্ৰেছৰ মুৰব্বীৰ বাবে পাইলটক মুখ্যমন্ত্ৰীৰূপে পোৱাৰ সম্ভাৱনা প্ৰকাশ কৰি উৎফুল্ল হৈ পৰিছে। আনফালে, গেহলটৰ সমৰ্থকসকলে কংগ্ৰেছৰ মুৰব্বীৰ বাবে তেওঁ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিলে মাথোঁ দুবছৰৰ পূৰ্বে ৰাজস্থান চৰকাৰৰ পতন ঘটাবলৈ ষড়যন্ত্ৰ কৰাসকলে শাসনৰ বাঘজৰী লাভ কৰিব বুলি আশংকা প্ৰকাশ কৰিছে। শচীন পাইলটৰ সমষ্টি টংকৰ লোকসকলে প্ৰিয় নেতাগৰাকীক মুখ্যমন্ত্ৰীৰ আসনত পোৱাৰ বাবে ইমানদিনে কৰি অহা অপেক্ষাৰ অন্ত পৰিব বুলি আশা কৰিছে। ইয়াৰ বিপৰীতে গেহলটৰ গৃহ চহৰ যোধপুৰৰ বাসিন্দাসকলে গেহলট কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি পদত অধিষ্ঠিত হ'লেও মুখ্যমন্ত্ৰী পদতো কাৰ্যনিৰ্বাহ কৰি যোৱাটো বিচাৰিছে। শচীন পাইলটৰ সমৰ্থকসকলে ইতিমধ্যে নতুন যুগৰ বাবে প্ৰস্তুতি শীৰ্ষক পোষ্টাৰ আঁৰিছে ৰাজ্যখনৰ ঠায়ে ঠায়ে। ইণ্ডিয়া টুডে টিভিৰ শেহতীয়া বাতৰি অনুসৰি দুদিন মানৰ নিশাৰ ভাগত গেহলট শিবিৰত ৮০জনৰো অধিক বিধায়কে বিধানসভাৰ অধ্যক্ষ চি পি যোশীৰ হাতত পদত্যাগ পদ দাখিল কৰিছে। ইয়াৰ পিছত তেওঁলোকে গেহলটৰ চৰকাৰী বাসগৃহলৈ যোৱাৰ কথা। উল্লেখ্য যে এক ব্যক্তি, এক পদ নীতি অনুসৰি কংগ্ৰেছৰ মুৰব্বীৰ পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিলে গেহলটে মুখ্যমন্ত্ৰীৰ পদত্যাগ কৰিব লাগিব। সেই মৰ্মে বিধায়নী দলৰ বৈঠকত গেহলটে এই পদ এৰিব আৰু তেতিয়াই শচীন পাইলটৰ মুখ্যমন্ত্ৰী হোৱাৰ পথ প্ৰশস্ত হ'ব। বিধায়িনী দলৰ বৈঠকত বিষয়টো আলোচনা হোৱাৰ কথা। এই বৈঠকৰ পূৰ্বে গেহলট শিবিৰৰ বিধায়কে পদত্যাগ কৰাত দলটোৰ নেতৃত্ব বিমোৰত পৰিছে। কংগ্ৰেছৰ সাধাৰণ সম্পাদক অজয় মাকেনে সংবাদ মাধ্যমত জনোৱা মতে, দলৰ মুৰব্বী ছোনিয়া গান্ধীয়ে ৰাজস্থানৰ কংগ্ৰেছ বিধায়কসকলৰ সৈতে তেওঁক আলোচনাত বহিবলৈ নিৰ্দেশ দিছে। ইফালে দেশৰ লোকসভাৰ নিৰ্বাচন সমাগত। এনে সময়ত ৰাজস্থানত এই বিষয়টোক লৈ তাৎপৰ্য বহন কৰিছে। নিৰ্বাচনত সুফল লভিবলৈ সমস্যাটোৰ সমাধান অতি জৰুৰী হৈ পৰিছে। নহ'লে লোকসভাৰ নিৰ্বাচনত মুখথেকেচা খোৱাৰ সম্ভাৱনাই অধিক।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### সাম্প্ৰতিক ঃ সত্য কথাত মানুহৰ মৃত্যুদণ্ড

বিশ্বত অত্যাধুনিক টেকন'লজীৰ সুৰুচিপূৰ্ণ গৌৰৱোজ্জ্বল ঐতিহ্য। আধুনিকতাই ৰূপ সলাই পেলালে সাম্প্ৰতিক মানৱ জাতিৰ জন-জীৱন ধাৰণ প্ৰণালী। ন-চেনতাৰ গ্ৰাসত বৈপ্লৱিক, প্ৰতিশোধমূলক মনোবৃত্তি। কি ৰাজনৈতিক, কি সামাজিক? কি গ্ৰামাঞ্চল, কি চহৰাঞ্চল মাথোঁ সকলোৱে নগৰমুখী হোৱাৰ দিশে অগ্ৰসৰ। সমাজ সচেতনতাৰ বৰঘৰত আজি হৈছেহি 'শিক্ষাই মানুহৰ কাৰাদণ্ড' — যিটো, বৰ্তমান যুক্তিসংগত !সাম্প্ৰতিক ধন-দৌলত, উৰণ-পিন্ধন-টকাই মানুহৰ সৰ্বোচ্চ। কি থিক, আপোনাৰ দৰেই আমিবোৰৰ হৈছে ক্ৰমে এইবোৰৰ স্বভাৱগত বৈশিষ্ট্য। জগতৰ সমগ্ৰ বিশ্ব, দেশ তথা ৰাজ্যত 'সত্য কথাত মানুহৰ হৈছে মৃত্যুদণ্ড।' আজি ঠগ-প্ৰৱঞ্চনাৰ মায়াৰে বান্ধি জীৱন হৈ পৰে নিমিষতে স্তব্ধ অৰ্থাৎ ধ্বংস। দৰাচলতে সৃষ্টিৰ জীৱকুলেও নাপায় জীৱশ্ৰেষ্ঠ মানৱৰ পৰা পৰিত্ৰাণ। কোন দিশে বিকাশ, আধুনিক সভ্যতাৰ অৰাজকতাৰ ইতিহাস। খোদিত হ'ব এদিন অত্যাধুনিক টেকন'লজীৰ অনলাইন প্ৰযুক্তিগত ব্যৱহাৰ। এদিন অস্তিত্বহীন হৈ পৰিব, নাথাকিব অকণো অৱকাশ।

■ চিন্ময় ডেকা
ফোন ঃ ৬০০২৬-৬৬৫৯৩

■ দুৰ্গা পূজা ■

# যি আহি ভাঙি চূৰমাৰ কৰেহি দুখীয়াৰ হৃদয়



■ অমল চন্দ্ৰ কোঁৱৰ

আৰু কিছু দিনৰ পিছত আহি পাবহি শাৰদীয় দুৰ্গা পূজা। ইয়াৰ লগে লগে আমাৰ সকলোৰে মন শাৰদীয় দুৰ্গা পূজা দুৰ্গা পুজা হৈ পৰে। সকলোৰে এযোৰ নতুন কাপোৰ ল'বলৈ ইচ্ছা কৰে। দুৰ্গা পূজাত আমিবোৰে এযোৰ নতুন কাপোৰ নল'লে হয়তো মনবোৰ ভাল নালাগে। দুৰ্গা হ'ল বিশ্ব-ব্ৰহ্মাণ্ডৰ জড় আৰু জীৱৰ শক্তিৰূপে অন্তৰ্নিহিত হৈ থাকে আৰু সেই সৰ্বশক্তি অধিষ্ঠাত্ৰীয়েই হ'ল দুৰ্গাদেৱী বা দুৰ্গা পূজা। দুৰ্গা হ'ল জ্ঞান ইচ্ছা আৰু ক্ৰিয়া এই তিনিও শক্তিৰেই সমষ্টিভুক্ত ব্ৰহ্মশক্তিৰ ৰূপ। দুৰ্গাৰ কাম হ'ল দুষ্টক দমন আৰু শান্তক পালন। কিন্তু দুষ্টক দমন কৰিবলৈ লাগিব অস্ত্ৰ। আৰু কৰিব লাগিব এক সংগ্ৰাম। সেই কাৰণেই মহা দেৱাদিদেৱে নিজৰ ত্ৰিশূলৰ পৰা অন্য ত্ৰিশূল আৰু চক্ৰপাণি ভগৱান বিষ্ণুৱে নিজৰ চক্ৰৰ পৰা অন্য চক্ৰ দেৱীক দান কৰিছিল দুষ্টক দমন কৰিবৰ বাবে। আমি সেই দেৱীকে প্ৰতি বছৰে শাৰদীয় পূজাত আমি দুৰ্গা দেৱীৰ চৰণত চাকি-বন্তি জ্বলাই নিজৰ লগতে পৰিয়ালৰ, সমাজৰ মংগলৰ বাবে কামনা কৰোঁ। কিন্তু সময়ৰ লগে লগে এই পূজাৰো পৰিৱৰ্তন হ'ল। সেই ৰামো নাই অযোধ্যাও নাই, য'ত এতিয়া পূজা-পাৰ্বণৰো বহু পৰিৱৰ্তন হ'ল। আগতে আমি সৰু হৈ থাকোঁতে দুৰ্গা পূজাত ইমান জাক-জমকতা নাছিল। প্ৰতিটো পূজা মণ্ডপে মণ্ডপে আমি চাইছিলো দুৰ্গা গোসাঁনীক আৰু চাকি-বন্তি দি সেৱা কৰিছিলো নিজৰ, পৰিয়ালৰ মংগলৰ বাবে। কিন্তু আজি দুৰ্গা পূজা যি জাক-জমকতাৰে পৰিৱৰ্তন হৈছে তালৈ চাই অৰ্থাৎ প্ৰতিটো পূজা মণ্ডপে মণ্ডপে কোনোবাই লাখ টকা খৰচ কৰি আকৌ কোনোবাই কোটি টকা খৰচ কৰি পূজা মণ্ডপ আৰু দেৱী গোসাঁনী আনি সজাইছে সেয়া চায়ে আজি পূজা প্ৰেমী মানুহে ভাল পায়। কোনে কিমান টকা খৰচ কৰি পূজা মণ্ডপ সজাইছে, কোনে কিমান দামী আৰু ডাঙৰকৈ দুৰ্গা গোসাঁনী আনিব পাৰে তাত এক অঘোষিত প্ৰতিযোগিতা চলে। আৰু আমিবোৰেও সেইবিলাক চাই ভাল পাওঁ। আমিবোৰ প্ৰতিখন পূজা স্থানলৈ গৈ দুৰ্গা গোসাঁনীৰ চৰণত সেৱা কৰাৰ পৰিৱৰ্তে কিন্তু ধুনীয়া ধুনীয়া পেণ্ডেলবোৰহে 'ৰ' লাগি চাই ভাল পাওঁ। ইয়াৰ ভিতৰত হয়তো কোনোবাই কৈয়েই পেলায়— এইখন কমিটী দুৰ্বল, সেইখন কমিটী সবল বা ভাল ইত্যাদি ইত্যাদি। এতিয়া প্ৰতিখন দুৰ্গা পূজা মণ্ডপেই ৰঙা-নীলা দেশী-বিদেশী লাইটেৰে সজাই-পৰাই তোলে। আমি অসমীয়াবোৰে নিজৰ সাঁচতীয়া ধন আনি পূজাৰ নামত খৰচ কৰোঁ। আমিবোৰ যে অতিথিপৰায়ণ সেই বাবে বিদেশৰ পৰা অহা পুতলা, পিষ্টল, বিভিন্ন খেলনা সামগ্ৰীবিলাক কিনি বিদেশী ৰাষ্ট্ৰক ধনী কৰাত উদগনি জনাওঁ। দুৰ্গা পূজা আহিলে ধনীৰ বাবে হয় পূজা আৰু দুখীয়াৰ বাবে হয় মহা বোজা। পূজাস্থলীত যেতিয়া ধনী ঘৰৰ কণ কণ ল'ৰা-ছোৱালীক তেওঁলোকৰ মাক-দেউতাকে যিমান লাগে খেলনা সামগ্ৰী পিষ্টল, পুতলা আদি কিনি দিয়ে তেতিয়া ওচৰতে থকা দুখীয়া পৰিয়ালৰ কণ কণ সেই অবুজ শিশুবোৰে নিজৰ মাক-দেউতাকক 'খাটনি' ধৰে পূজাৰ দুই-এটা সামগ্ৰী কিনি দিবলৈ। তেতিয়া দুখীয়া মাক-দেউতাকে নিজৰ সন্তানক পূজাৰ খেলনা সামগ্ৰী কিনি দিব নোৱাৰি নিজৰ সন্তানক অনিচ্ছা সত্ত্বেও 'ধমকি', 'গালি' বা 'চোচোৰাই' মাৰি পূজাস্থলীৰ মেলা বা দোকানৰ ওচৰৰ পৰা আঁতৰাই নিব লগা হয়। কি এক কৰুণ দৃশ্য। কোনোবাই সহিছে, কোনোবাই চাইছে। আজিৰ দুৰ্গা পূজা বাৰু সঁচাকৈ দুখীয়াৰ বাবে বোজা নহয়নে? কিয়নো কাৰোবাৰ ঘৰত দিন হাজিৰা কৰা দিন দৰিদ্ৰ লোকে দিনটো হাজিৰা কৰি গধূলিৰ চাউল-দাইল যোগাৰ কৰিবলৈ যাৰ শক্তি নাই সি আকৌ নিজৰ সন্তানক পূজাৰ বেলুন, পিষ্টল বা খেলনা সামগ্ৰী কিনি দিব ক'ৰ পৰা? আমি সকলোৰে কওঁ, আজিৰ শিশু কাইলৈ দেশৰ ধৰণী। কিন্তু ধনী পৰিয়ালৰ সন্তানে পূজাৰ বেলুন, পিষ্টল বা যিকোনো সামগ্ৰী আদি মোনা ভৰাই কিনা দেখে তেতিয়া দুখীয়া মাক-দেউতাকে তেওঁলোকক দোকানৰ পৰা বা পূজাস্থলীৰ পৰা অনিচ্ছা সত্ত্বেও 'চোচৰাই' বা জোৰ-জুলুম কৰি লৈ যায়, তেতিয়া বাৰু সেই অবুজ কণমানিটোৱে অন্তৰত কিমান আঘাত পায় আমিবোৰে কেতিয়াবা ভাবি চাইছোনে? সেই সময়ত দুখীয়া পৰিয়ালৰ শিশুটিয়ে ইনাই-বিনাই কন্দাৰ বাহিৰে আৰু আন একো উপায় নাথাকে। আমিবোৰে বাৰু কেতিয়াবা ভাবি চাইছোনে জাতিৰ ভৱিষ্যৎ কণ কণ সেই শিশুবোৰৰ কথা? সিহঁতৰো মনত জানো পূজা পূজা নালাগে? এটি শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশত ই বাৰু কিমান বাধা পেলাব পাৰে আমিবোৰে কেতিয়াও ভাবি চোৱা নাই।

ফোন ঃ ৭০০২৯-২৬০৭০



# অখিল গগৈ প্ৰকৃততে কোন?

■ লক্ষীনাথ ফুকন



অসমৰ সমাজ জীৱনত এজন বহু চৰ্চিত ব্যক্তি হ'ল অখিল গগৈ। কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ৰাইজৰ দলৰ প্ৰতিষ্ঠাতা অখিল গগৈক অসমৰ ৰাইজে এজন সংগ্ৰামী ব্যক্তি বুলিয়েই জানে আৰু বুজে। নাগৰিকত্ব সংশোধনী আইন বা 'কা' গৃহীত হোৱাৰ সময়ত আমি আন্দোলনৰ পথ লৈছিলো। 'কা'ই এদিন অসমীয়াৰ জাতীয় অস্তিত্বৰ প্ৰতি ভাবুকি আনিব। এটা স্বতন্ত্ৰ জাতি বুলি ক'লে ইয়াৰ কিছুমান নিজস্ব উপাদান থাকে, সেই উপাদানবোৰৰ ভিতৰত অন্যতম হ'ল ভাষা আৰু সংস্কৃতি। 'কা'ই বাংলাদেশী মানুহক ব্যাপক প্ৰব্ৰজন ঘটোৱাৰ সম্ভাৱনা আছে। এই আশংকাত আমি বাৰুকৈ উদ্বিগ্ন। তাতে পুখুৰী এটাত ডাঙৰ মাছে সৰু মাছক খেদি খেদি খোৱাৰ দৰে বাংলা ভাষাই অসমীয়া ভাষাক বাৰে বাৰে গ্ৰাস কৰিব খোজে। বৰাক উপত্যকাত অসমীয়া ভাষা ইতিমধ্যে বিপৰ্যস্ত হ'লেই। 'কা'ই বাংলাদেশী মানুহৰ প্ৰব্ৰজনৰ পথ সুগম কৰিলে সংখ্যাগৰিষ্ঠতাৰ জোৰত এদিন বাংলাভাষাই আমাৰ মাতৃভাষা অসমীয়াক নিঃশেষ কৰি পেলাব। এনে উদ্বিগ্নতাত আমি 'কা' বিৰোধিতা কৰি গণতান্ত্ৰিক আন্দোলনৰ পথ গ্ৰহণ কৰিছিলো। ঠায়ে ঠায়ে আন্দোলনকাৰীয়ে হিংসাত্মক পথ লোৱাত তেওঁলোকক দমনৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে। আমাকো পুলিচে গ্ৰেপ্তাৰৰ বাবে বিচাৰি চলাথ কৰিলে। 'কা'বিৰোধী সংগ্ৰামখন উজ্জীৱিত কৰি ৰখাৰ স্বাৰ্থত আমি আত্মগোপন কৰিলো। জনসাধাৰণক ৰাজপথলৈ উলিয়াই আনিব পৰাকৈ সংগঠিত কৰাত লাগিলো। পিছত ন্যায়ালয়ৰ পৰা অগ্ৰিম জামিন লৈ গ্ৰেপ্তাৰৰ পৰা কোনোৰকম হাত সাৰিলো। বৰ্তমান কেছবোৰ ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে। যা হওক পৰৱৰ্তী সময়ত 'কা' বা নাগৰিকত্ব সংশোধনী আইনখন ৰাজনৈতিকভাৱে প্ৰতিৰোধ সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ স্বাৰ্থত 'কা'বিৰোধী মঞ্চ গঠন হ'ল। এনেকৈয়ে আছু, যুৱ-ছাত্ৰ পৰিষদৰ মুখ্য উদ্যোগত লুৰীণজ্যোতি গগৈৰ নেতৃত্বত 'অসম জাতীয় পৰিষদ' আৰু কৃষক মুক্তি সংগ্ৰাম সমিতি, লাচিত সেনাৰ মুখ্য উদ্যোগত অখিল গগৈৰ নেতৃত্বত 'ৰাইজৰ দল' নামেৰে পৃথকে পৃথকে দুটা নতুন আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম হ'ল। বিশ্বাসযোগ্যতাৰ ফালৰ পৰা আমি অখিল গগৈৰ নেতৃত্বত হোৱা ৰাইজৰ দলতে যোগদান কৰিলো। দলটোৰ জন্মলগ্নৰ সময়ত গগৈ ডাঙৰীয়া অৱশ্যে কাৰাগাৰত অছিল। পৰৱৰ্তী সময়ত যেনিবা কাৰাগাৰৰ পৰা মুক্ত হৈ দলৰ দায়িত্ব চমজি ল'লে। আমিও তেখেতক ওচৰৰ পৰা পালো। অৱশ্যে আমি যিমানেই তেখেতৰ ওচৰ চাপি গ'লো সিমানেই এখন বিপৰীত প্ৰতিচ্ছবি প্ৰত্যক্ষ কৰিলো। পূৰ্বতে আমি ভাবিছিলো অখিল গগৈ সৰ্বহাৰা মানুহৰ মুক্তিৰ হকে কাম কৰা এজন আপোচহীন জাতীয় নেতা। অসমৰ জাতীয় জীৱনত তেখেত দ্বিতীয় পৰাগ কুমাৰ দাস বুলি ভাবিছিলো। পৰাগ কুমাৰ দাসৰ দৰে আপোচহীন, নিৰ্ভীক, নিভাঁজ জাতীয়তাবাদী সংগ্ৰামী নেতা বুলি গৌৰৱো কৰিছিলো। দুখৰ বিষয়, গগৈ ডাঙৰীয়াৰ শেহতীয়া কাম-কাজবোৰে এই কথা প্ৰতিফলিত নকৰে। বৰঞ্চ তেখেত যেন 'সংগ্ৰামী জীৱন' নামৰ এখন নাটৰ ভাৱৰীয়াহে। আমাৰ এই সন্দেহ ওপজাৰ কেইটামান কাৰণ তলত বিশ্লেষণাত্মকভাৱে আগবঢ়ালো। (১) অত্যন্ত মিডিয়ামুখী, নিজ দলৰ তৃণমূল আৰু মধ্যম পৰ্যায়ৰ নেতাৰ প্ৰতি গুৰুত্বহীনতা, অত্যন্ত স্বেচ্ছাচাৰিতাই হ'ল গগৈৰ সংগ্ৰামী জীৱনৰ আটাইতকৈ দুৰ্বল দিশ। মই যিমানবাৰ তেওঁক সভা-সমিতিত দেখিছো সিমানবাৰেই তেওঁক মিডিয়াই ঘেৰি ৰাখে। সাংগঠনিক ভেটি গঢ়া আদৰ্শৰ সভা-সমিতি এখন পাতি কৰ্মীসকলক আকৰ্ষিত কৰিব পৰা কাৰ্যসূচী গ্ৰহণৰ বিপৰীতে মিডিয়াত বক্তব্য ৰখাতহে গুৰুত্ব দিয়া পৰিলক্ষিত হয়। সংবাদ মাধ্যমৰ অধিক প্ৰচাৰে বিপ্লৱী নেতা বা সৈনিক এজনৰ যে ধ্বংস মাতি আনে এই কথা সকলো বিজ্ঞ লোকেই জানে। সংবাদ মাধ্যমৰ সমান্তৰালভাৱে এচাম সুবিধাবাদী মানুহে (যিখিনি মানুহ সংগঠনৰ লগত বৰ বেছি জড়িত নাথাকে) আগুৰি থাকে। এনেকৈ ভিৰ কৰা মানুহবোৰৰ বাবেই সভা এখনত পাতিব লগা সাংগঠনিক গুৰুত্বপূৰ্ণ কথা-বাৰ্তাবোৰ থাকিয়ে যায়। এনে বাতাবৰণৰ বাবে সংগঠনৰ মংগলৰ স্বাৰ্থত কষ্ট কৰি কাম কৰা মানুহবোৰৰ কোনো গুৰুত্ব নাথাকে। আছে যিবোৰে নেতৃত্বৰ পিছে পিছে ঘূৰি নেতৃত্বৰ গুণ গাই তোষামোদ কৰি থাকে। গতিকে এনে পৰিস্থিতিত সংগঠন বা দল ঘূণে ধৰে আৰু সংগঠনে গতিশীলতা হেৰুৱায়। আনহাতে, অসমৰ বৃহৎ জনসমষ্টি এটা অত্যন্ত সুবিধাবাদী। এই সুবিধাবাদী চামটোৱে সময় আৰু সুযোগৰ অপেক্ষাত টলকা লাগি ৰৈ থাকে। যেতিয়াই সন্মুখলৈ সুযোগ এটা আহে তেতিয়া উবুৰি খাই পৰে। বৈপ্লৱিক, আঞ্চলিক প্ৰগতিশীল ৰাজনৈতিক দল বুলি কোৱা জাতীয় সংগঠন এটা এনে বুৰ্জোৱা ব্যৱস্থাত আক্ৰান্ত, ভাবিলেই আচৰিত নালাগেনে? ওপৰত উল্লিখিত কাৰণকেইটাৰ বাবে নিতৌ সংগঠনত খহনীয়া। সাংগঠনিক বিশৃংখলতাৰ বাবে নেতৃত্বৰ স্বেচ্ছাচাৰিতা বহু পৰিমাণে জগৰীয়া। ইয়াৰ পিছত নেতৃত্বৰ আত্মসমালোচনা নাই। য'ত আত্মসমালোচনা নাই তাত সংশোধনৰ পথ ক'ত? যেন অসমীয়া মানুহে আকৌ সংগ্ৰাম আৰু সংগ্ৰামী নেতাৰ ভণ্ডামিত বোন্দা থেকেচা খাব। (২) অখিল গগৈৰ নদীবান্ধবিৰোধী সংগ্ৰাম কি হ'ল। গেৰুকামুখত সোৱণশিৰি নদীৰ ওপৰত বিদ্যুৎ উৎপাদনৰ বাবে ভাৰত চৰকাৰে যি নদীবান্ধ নিৰ্মাণ কৰিছিল সেই বান্ধ নিৰ্মাণৰ প্ৰাৰম্ভিক অৱস্থাত অখিল গগৈয়ে নদী বান্ধবিৰোধী এখন সংগ্ৰাম আৰম্ভ কৰে। এই বান্ধ নিৰ্মাণে নদীখনৰ পাৰ্শ্বৱৰ্তী অঞ্চললৈ আনিব পৰা ভয়াৱহতাৰ ওপৰত লক্ষ্য ৰাখি বহু ৰাইজে অখিল গগৈয়ে আৰম্ভ কৰা এই নদী বান্ধবিৰোধী সংগ্ৰামত জঁপিয়াই পৰিছিল। জনসাধাৰণৰ প্ৰবল প্ৰতিবাদত চৰকাৰে গেৰুকামুখৰ নদীবান্ধ নিৰ্মাণৰ কাম কিছুদিনলৈ বন্ধ ৰাখিব লগা হৈছিল। সময় বাগৰিল। চৰকাৰে গেৰুকামুখৰ নদী বান্ধৰ কাম পুনৰ আৰম্ভ কৰিলে। অকল গেৰুকামুখৰ নদীবান্ধেই কিয় পৰৱৰ্তী সময়ত অসমৰ চিয়াং, ডিবাং, ধনশিৰি, দৈয়াং, বেঁকী, মানাহ আদি নদীৰ ওপৰত নতুনকৈ বৃহৎ বৃহৎ নদীবান্ধ নিৰ্মাণ কৰে। চৰকাৰে নতুনকৈ লোৱা এই নদীবান্ধ নিৰ্মাণ কাৰ্যসূচীত অখিল গগৈয়ে সংগ্ৰাম কৰা দূৰৰে কথা, একেবাৰে নিমাতী কন্যা হৈ ৰ'ল। চৰকাৰী, বে-চৰকাৰী বহু লোকে নদীবান্ধ নিৰ্মাণ সংস্থা এন এইচ পি চিৰ পৰা অখিল গগৈয়ে টকা লোৱা অভিযোগ আনিছিল। গেৰুকামুখৰ নদীবান্ধ নিৰ্মাণৰ প্ৰথমাৰ্ধত অখিল গগৈয়ে ব্যাপক হৈ চৈ লগাইছিল যদিও পৰৱৰ্তী সময়ত তেখেত ৰহস্যজনকভাৱে নীৰৱ হৈ পৰে। তেখেতৰ এই ৰহস্যজনক নীৰৱতাই ওপৰত উল্লিখিত অভিযোগকেই সত্যতা প্ৰতিপন্ন নকৰেনে? (৩) নাগৰিকত্ব সংশোধনী আইনৰ বিৰোধিতাৰে অসমত গঢ়ি উঠা স্বতঃস্ফূৰ্ত গণ অভ্যুত্থানৰ সময়ত অখিল গগৈক চৰকাৰে মাওবাদী সন্দেহত গ্ৰেপ্তাৰ কৰিছিল। পৰৱৰ্তী সময়ত তেখেতক ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা নিয়াই নিজৰ জিম্মাত লৈ তদন্ত প্ৰক্ৰিয়া চলাই নিয়ে। এইখিনিলৈকে অ-স্বাভাৱিকতা একো নাই, সকলো গতানুগতিকেই আছিল। গগৈয়ে মুঠ সোতৰ মাহ কাৰাৰুদ্ধ হৈছিল যদিও তাৰে প্ৰায় এবছৰ সময় গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ কেবিন ৰূমত চিকিৎসাধীন অৱস্থাত থকাৰ সুযোগ পায়। ৰাষ্ট্ৰদ্ৰোহৰ অপৰাধত গ্ৰেপ্তাৰ হোৱা এজন বন্দীক আত্মীয়-স্বজনে কাৰাগাৰত দেখা কৰিবলৈ হ'লে প্ৰথমে উকিলৰ যোগেদি ন্যায়াধীশক বন্দী প্ৰত্যক্ষকৰণৰ এখন আৱেদন কৰিব লাগে। ন্যায়াধীশে এই আৱেদন অনুমোদন জনোৱাৰ পিছত আৱেদনখন জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়লৈ যায়। আৰক্ষী অধীক্ষকে বা অধীক্ষকৰ কাৰ্যালয়ে গুপ্তচৰ বিভাগৰ দুজন মানুহ নিয়োগ কৰে। এই গুপ্তচৰ বিভাগৰ মানুহ দুজনে বন্দীক দেখা কৰিবলৈ যোৱা আত্মীয়-স্বজনৰ লগত ছাঁটোৰ দৰে লাগি থাকে। দীঘলীয়া এই প্ৰক্ৰিয়া অতিক্ৰম কৰাৰ পিছত মাত্ৰ দুই-তিনি মিনিটমান সময়হে দেখা কৰাৰ সুযোগ পায়। তাকো মাহেকত মাত্ৰ দুবাৰহে দেখা-সাক্ষাৎ কৰাৰ অনুমোদন। যথেষ্ট কঠোৰ এই প্ৰক্ৰিয়া। আলফা, মাওবাদী গোচৰত গ্ৰেপ্তাৰ হোৱা সকলোৰে অৱস্থা একেই। এনে গোচৰত গ্ৰেপ্তাৰ হৈয়ো দেখোন অখিল গগৈয়ে চিকিৎসাৰ নামত এবছৰ ধৰি চিকিৎসালয়ৰ বিলাসী কেবিন ৰূমত থকাৰ সুযোগ পালে। মেডিকেল গ্ৰাউণ্ডত এই সুযোগ আছে যদিও কাৰাবন্দীজন দুৰাৰোগ্য ব্যাধি থকা ৰোগী হ'ব লাগিব। অখিল গগৈতো দুৰাৰোগ্য ৰোগী নহয়। গতিকে দুৰাৰোগ্য ৰোগী নোহোৱাকৈ এই সুযোগ পাবলৈ হ'লে নিশ্চিতভাৱে শাসকীয় দলৰ ৰাজনৈতিক পৃষ্ঠপোষকতা থাকিব লাগিব। ৰাজনৈতিক পৃষ্ঠপোষকতা নহ'লে কেতিয়াও এই কাৰ্য সম্ভৱ নহয়। ইচ্ছা থাকিলেও বিৰোধীত থকাসকলেতো এই সহযোগিতা কৰিব নোৱাৰে। অখিল গগৈৰ কাৰাৰুদ্ধ সময়ত কেন্দ্ৰ আৰু ৰাজ্য উভয়তে বিজেপি চৰকাৰ আছিল। গতিকে অখিল গগৈক বিজেপি চৰকাৰেই সহযোগিতা কৰিব লাগিব। অখিল গগৈ কাৰাৰুদ্ধ হৈ চিকিৎসালয়ৰ কেবিনত থাকি ৰাজনৈতিক দল গঠন, ৰাজনৈতিক সভা-সমিতি পতা আৰু এই উদ্দেশ্যে জাকে জাকে মানুহক লগ কৰা আদি কাৰ্যবোৰ কৰিবলৈ নিজৰ স্বাৰ্থ নহ'লে বিজেপিৰ দৰে অতি কঠোৰ আৰু আগ্ৰাসী ৰাজনৈতিক দলে অখিল গগৈক সুযোগ দিবনে? ইয়াৰ উপৰি অখিল গগৈক গ্ৰেপ্তাৰৰ সময়ত পুলিচৰ জিম্মাত তেখেতক হাতী বন্ধাৰ দৰে এডাল প্ৰকাণ্ড শকত ৰছীৰে মেৰিয়াই মেৰিয়াই বান্ধি নিয়া দৃশ্য আমি সকলোৱে প্ৰত্যক্ষ কৰিছিলো। পুলিচৰ জিম্মাত থকা অসামৰিক মানুহ এজনৰ এনে বন্ধোনৰ প্ৰয়োজনীয়তা কি? 'আই ঐ দেহি অখিলটো' বোলা এধানি অনুকম্পা আদায়ৰ যে এয়া চেষ্টা সেই কথা সকলো সচেতন লোকেই দৃঢ়ভাৱে বুজি উঠা নাইনে? (৪) এই লিখনিত পূৰ্বে উল্লেখ কৰা হৈছে যে, 'কা' অৰ্থাৎ নাগৰিকত্ব সংশোধনী আইন বিৰোধিতা কৰি এই আইন ৰাজনৈতিকভাৱে প্ৰতিহত কৰাৰ স্বাৰ্থত 'ৰাইজৰ দল'ৰ জন্ম হৈছিল। সেই একে কাৰণত লুৰীণজ্যোতি গগৈৰ নেতৃত্বত জন্ম হৈছিল অসম জাতীয় পৰিষদ। মূলতঃ 'কা' প্ৰতিহত কৰাৰ স্বাৰ্থতেই এই দুই আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম। কিন্তু কাৰ্য ক্ষেত্ৰত সেয়া হ'লনে? নাগৰিকত্ব সংশোধনী আইন অনা দলক প্ৰতিহত কৰাৰ স্বাৰ্থত সকলোবোৰ 'কা'বিৰোধী ৰাজনৈতিক শক্তি ঐক্যবদ্ধ হ'ব লাগিছিল। কংগ্ৰেছ, এ আই ইউ ডি এফৰ আহ্বানৰ পিছতো নতুন আঞ্চলিক ৰাজনৈতিক দল নিৰ্মাতা দুই গগৈয়ে প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। তেওঁলোকৰ অভিযোগ বিজেপিৰ দৰে এ আই ইউ ডি এফো এটা মৌলবাদী সংগঠন। গতিকে সিহঁতে কোনো ধৰ্মীয় মৌলবাদী সংগঠনৰ লগত ৰাজনৈতিক সহযোগিতা নকৰে। চীনৰ কমিউনিষ্ট বিপ্লৱৰ ভৰপকৰ সময়ত কমিউনিষ্ট নেতা মাও চে টুং আৰু নেচনেলিষ্ট পাৰ্টীৰ নেতা চিয়াং কাই চেকে চীনৰ মানচুৰিয়াত আগ্ৰাসী জাপানী সেনা বিৰোধে ঐক্যবদ্ধভাৱে যুঁজ কৰিছিল। গৃহযুদ্ধৰ অৱসান ঘটাই ৰাষ্ট্ৰীয় শত্ৰুক প্ৰতিহত কৰাৰ স্বাৰ্থত দুয়ো চিৰবৈৰী ঐক্যবদ্ধ হ'ল। গতিকে অসমীয়া থলগিৰি মানুহৰ বাবে 'কা' অত্যন্ত ক্ষতিকাৰক। অসমীয়াৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পৰা এখন আইন 'কা'ই অসমীয়া ভাষা-সংস্কৃতিক বিপদাপন্ন কৰিব। গতিকে তেনে সন্ধিক্ষণত আদৰ্শগত তথা নীতিগত দণ্ড থাকিলেও অন্ততঃ জাতিটোৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত সকলো 'কা'বিৰোধী শক্তি ঐক্যবদ্ধ হোৱাতো অতি জৰুৰী আছিল। কিন্তু সেয়া হৈ নুঠিল। ঐক্যবদ্ধ হোৱা হ'লে নিশ্চয় বিজেপি কিছু পৰিমাণে হ'লেও শ'লঠেকত পৰাৰ সম্ভাৱনা আছিল। কৌৰৱৰ চাউল খাই পাণ্ডৱৰ গুণ গাব নোৱৰাৰ দৰে দুই গগৈয়ে এই সমীকৰণত অন্তৰ্ভুক্ত নহ'ল। বৰঞ্চ একেতা সমষ্টিত ৰাইজৰ দল আৰু জাতীয় পৰিষদৰ পৃথক পৃথক প্ৰাৰ্থী। য'ত সকলো বিৰোধী ৰাজনৈতিক দল ঐক্যবদ্ধ হ'লেও বিজেপিৰ দৰে শক্তিশালী দল এটাক পৰাভূত কৰাটো কঠিন। তেনে ক্ষেত্ৰত এই পৃথক পৃথক তৎপৰতাৰ আঁৰৰ কাহিনী কি? 'কা'বিৰোধী ভোটখিনি দুভাগ, তিনি ভাগ কৰি বিজেপিক দিছপুৰ জয়ৰ বাট মুকলি কৰি দিয়া নাইনে? বিজেপিয়ে ছটিয়াই দিয়া টকাৰ স্ফুলিংগত সকলো যেন একপ্ৰকাৰে দিশহাৰা হৈ পৰিছে। এতিয়া বিজেপিৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত আঞ্চলিকতাবাদৰ নামত জন্ম হোৱা ৰাজনৈতিক দলকেইটাৰ সাংগঠনিক কাম-কাজ, সভা-সমিতি, ভৱিষ্যৎ পৰিকল্পনা আদি নিৰ্ভৰ কৰে আৰু শেহতীয়া কাম-কাজে নিশ্চিতভাৱে যেন তাকেই প্ৰতিফলিত কৰে। (৫) অখিল গগৈ কাৰাৰুদ্ধ হৈ থাকোতে ওকালতি কৰিবৰ কাৰণে দিল্লী উচ্চতম ন্যায়ালয়ৰ পৰা অধিবক্তা অনাৰ নামত ৰাইজৰ পৰা অৰ্থনৈতিক দান-বৰঙণি বিচাৰিছিল। বহুতে এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই সহায়ৰ হাত আগবঢ়াইছিল। কিন্তু দুমাহৰ পিছতে ৰাইজৰ দল খুলি দলৰ আঠত্ৰিছজন প্ৰাৰ্থীক নিৰ্বাচনত অৱতীৰ্ণ কৰোৱাই একোজন প্ৰাৰ্থীক পাঁচ লাখৰ পৰা ঊনত্ৰিছ লাখ টকা পৰ্যন্ত দিবলৈ ক'ত টকা পালে। আমি যদি বিশ্লেষণাত্মকভাৱে চাওঁ অসম তথা ভাৰতবৰ্ষৰ ৰাজনৈতিক ক্ষেত্ৰখনত ৰাজনৈতিক দল, বিধায়ক, সাংসদ আদি কিনা-বেচা কৰা টকাৱাল্লা দল কোন আছে? বিজেপিৰ বাহিৰেতো আন কোনেও এই কাম নকৰে বা কৰাৰ সামৰ্থ্যও নাই। অসমীয়া মানুহৰ এতিয়া আৰু কিবা বুজিবলৈ বাকী আছেনে? যদি কোনো ব্যক্তিয়ে নিজে কোনো ৰাষ্ট্ৰীয় দল বিজেপিত যোগদান কৰে তাত কাৰো ক'ব লগা নাই। 'কা' বিৰোধিতাৰ নামত আঞ্চলিক দল খুলি আৰু এই আইন বিৰোধিতা কৰাসকলক লগত লৈ এই ৰাজনৈতিক দুষ্কাৰ্য সংঘটিত কৰাটো গৰিহণাৰ যোগ্য নহয়নে? মানুহৰ আৱেগক লৈ খেলা কৰা উচিত নহয়। নেতৃত্বই অসমীয়া মানুহক বহুত ৰামঠগন দিলে। নেতাৰ কাৰণে অসমত আন্দোলন বা সংগ্ৰামবোৰে পূৰ্ণতা নাপায়। প্ৰথমাৰ্ধত ঠিকে থাকিলেও এটা পৰ্যায়ত গৈ আপোচ হয়। গতিকে জনসাধাৰণ সজাগ হ'বৰ হ'ল। জাতীয় প্ৰশ্নত গঢ়ি উঠা সংগ্ৰামবোৰ যাতে ভণ্ড নেতাই গুৰিলৈকে গেলাই পেলাব নোৱাৰে তাৰ ওপৰত চকু ৰাখিবৰ হ'ল। চৰকাৰী পোহনীয়া বিপ্লৱীবোৰৰ মুখা খুলি সংগ্ৰামৰ ক্ষেত্ৰখনত এক নতুন যুগৰ আৰম্ভ হওক। এই লিখনিৰ যোগেদি তাকেই কামনা কৰিলো।

ফোন ঃ ৯৯৫৭৯-৬০৫৪৪

## মানুহে নিচা কিয় খায়?

# নিচা নকৰি জীৱনত কেনেদৰে সুখী হৈ থাকিব পাৰি

■ পাৰিজাত সন্দিকৈ

মানুহে নিচাজাতীয় দ্ৰব্য কিয় খায়? ৰঙীণ জীৱনৰ হাবিয়াসত নে অন্য কোনো কাৰণত। কাৰণ যিয়েই নহওক এবাৰ কেনেবাকৈ নিচাত আসক্ত হ'লে সহজ নহয় তাৰ পৰা ওলাই অহাটো। নিচা হ'ল মনক সক্ৰিয় কৰা পদাৰ্থ। ব্যৱহাৰ কাৰি সম্পূৰ্ণৰূপে ইয়াৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। মাদক দ্ৰব্য সেৱনৰ ফলত শাৰীৰিকভাৱে ৰুগীয়া হোৱাৰ লগতে মানসিক বিসংগতিৰো সৃষ্টি হয়। মাদক দ্ৰব্য সেৱনৰ ফলত উদ্ভৱ হোৱা ভয়াৱহ সমস্যাসমূহক ব্যক্তিগত আৰু সামাজিক স্তৰত চিহ্নিত কৰা হয়। সামাজিক কাৰকৰ ভিতৰত আৰ্থিক বিকাশৰ স্তৰ, সংস্কৃতি, সামাজিক মান আদি জড়িত। World health organizationৰ তথ্য অনুসৰি পৃথিৱীত প্ৰতি বছৰে ৩০ লাখ মৃত্যু মদৰ ক্ষতিকাৰক ব্যৱহাৰৰ কাৰণে হয়। এয়া মুঠ মৃত্যুৰ ৫.৩ শতাংশ। মদ সেৱনে জীৱনলৈ সোনকালে মৃত্যু মাতি আনে আৰু বিকলাংগ হোৱাৰ কাৰণো হৈ পৰে। ২০ৰ পৰা ৩৯ বছৰ বয়সৰ মানুহৰ মৃত্যুৰ হাৰ ১৩.৫ শতাংশ মদৰ কাৰণে হয়। স্বাস্থ্যৰ অৱনতিৰ লগতে মদ্যপানৰ হানিকাৰক ব্যৱহাৰে ব্যক্তি আৰু সমাজত বহু গুৰুত্বপূৰ্ণ সামাজিক আৰু আৰ্থিক ক্ষতি কৰে। নিচা নকৰি জীৱনত কেনেদৰে সুখী হৈ থাকিব পাৰি এই বিষয়ে আমি কথা পাতিছিলো নিচাৰ পৃথিৱীত সৰ্বস্ব হেৰুৱায়, নিজকে কুখ্যাত অপৰাধীৰ শাৰীত থিয় কৰোৱাৰ পিছতো নিজৰ জীৱনৰ স্বাভাৱিক ছন্দ ঘূৰাই অনাৰ লগতে, নিচাৰ পৃথিৱীৰ পৰা ওলাই আহিব বিচৰাসকলৰ বাবে সহযোগিতা আগবঢ়াই অহা এজন ব্যক্তিৰ সৈতে। তেখেতৰ নাম সুমন দাস। এসময়ত অতি মেধাৱী ছাত্ৰ আছিল সুমন দাস। এজন দক্ষ চিভিল ইঞ্জিনিয়াৰ। ভাৰতৰ বিভিন্ন ঠাইত চাকৰি কৰাৰ অভিজ্ঞতাৰে পুষ্ট। কিন্তু নিচাৰ কবলত পৰি এদিন তেওঁৰ পৰিচয় হৈ পৰিছিল কুখ্যাত অপৰাধীৰূপে। কিন্তু সুখৰ বিষয় যে ইমানৰ পিছতো তেওঁ নিজকে মুক্ত কৰিবলৈ সক্ষম হ'ল নিচাৰ কৰাল গ্ৰাসৰ পৰা। এতিয়া তেওঁৰ সুখৰ সংসাৰ। মহানগৰীৰ গীতা নগৰত তেওঁ গঢ়ি তুলিছে Helping hand Foundation নামৰ এটা নিচামুক্তি কেন্দ্ৰ। নিচাগ্ৰস্ত ব্যক্তিসকলক স্বাভাৱিক এটা জীৱন ঘূৰাই দিয়াৰ বাবে য'ত অহৰহ প্ৰচেষ্টা চলোৱা হয়। নিচাত আসক্তজনক এটা স্বাভাৱিক জীৱন দিয়াৰ লগতে স্বাৱলম্বী কৰি গঢ়ি তোলাৰো চেষ্টা কৰা হয় ৰিহেব চেণ্টাৰসমূহৰ জৰিয়তে। হেল্পিং হেণ্ড ফাউণ্ডেচনত আমি দেখিছিলো এক কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে কেনেদৰে প্ৰশিক্ষণ প্ৰদান কৰা হৈছে সেই বিষয়ে। যদিও বা নিজৰ নিৰাপত্তা ব্যৱস্থাৰ কথা ভাবিয়েই ভিতৰত সোমাই মই এইসকল নিচাৰ পৰা ওলাই আহিব বিচৰা ব্যক্তিক চোৱা নাছিলোঁ। সামগ্ৰিক বাহিৰৰ পৰিৱেশটোৰ লগতে চি চি টিভিৰ কেমেৰাত বন্দী হোৱা তেওঁলোকৰ প্ৰতিটো মুহূৰ্তৰ দৈনিক ৰুটিনখন দেখিছিলো। যোগাসন, প্ৰাথনা, ক্লাছ ইত্যাদিৰ মাজেৰে অতিবাহিত তেওঁলোকৰ দিনটোৰ সময়বোৰ। মানুহে নিচাৰ পৃথিৱীত সোমাই পৰাৰ ৰাস্তা বহুত আছে, কিন্তু ওলোৱাৰ ৰাস্তা মাত্ৰ এটাই। সেয়া হ'ল ৰিহেব চেণ্টাৰ। বৰ্তমান গুৱাহাটী মহানগৰীতে ৬০তকৈও বেছি ৰিহেব চেণ্টাৰ আছে। এই চেণ্টাৰসমূহত কমেও ২০০০ মানুহ সোমাই আছে। আশা তেওঁলোক প্ৰত্যেকেই এদিন সুস্থ সমাজৰ অংশ হ'ব। কিন্তু এওঁলোক যদিহে নিচাসক্ত অৱস্থাত মুক্ত হৈ ঘূৰি ফুৰিলেহেঁতেন তেনেহ'লে হয়তো নিয়ন্ত্ৰণৰ বাহিৰ হৈ গ'লহেঁতেন। কাৰণ নিচাই এওঁলোকক একপ্ৰকাৰ বিবেকশূন্য কৰি পেলায়। নিচাত আসক্ত ব্যক্তি এজনে যিকোনো মুহূৰ্তত যিকোনো ধৰণৰ অপৰাধ সংঘটিত কৰি দিব পাৰে। হেল্পিং হেণ্ডৰ স্বত্বাধিকাৰী সুমন দাসে আমাক বুজায় কৈছিল— ৰিহেব চেণ্টাৰত এজন নিচা খোৱা ব্যক্তি সোমোৱাৰ পৰা সুস্থ মানসিকতাৰ গৰাকী হৈ ওলাই যোৱালৈকে গ্ৰহণ কৰা প্ৰতিটো পদক্ষেপৰ কথা। থানাত যেনেকৈ পুলিচ, স্কুলত শিক্ষক তেনেকৈ ৰিহেব চেণ্টাৰত চেণ্টাৰটো সুন্দৰভাৱে চলাব পাৰে কেৱল এসময়ত নিচাৰ সৈতে পৰিচয় থকা ব্যক্তিয়ে। নিচা কৰা মানুহৰ শুনাৰ অভ্যাস নাথাকে, ক'বহে বিচাৰে। এইসকল মানুহক বুজাৰ চেষ্টা কৰে ৰিহেব চেণ্টাৰৰ ষ্টাফ তথা পুৰণিকেইজনে। লাহে লাহে তেওঁলোকৰ মাই অৰ্ডাৰৰ সলনি বায় অৰ্ডাৰত অভ্যস্ত কৰি তোলে। নিজৰ কামবোৰ নিজে কৰিবলৈ দিয়া হয়। মৰম, যত্ন, ডাক্তৰী পৰামৰ্শ, উন্নত মানৰ খাদ্য, যোগাসন -প্ৰাণায়াম, প্ৰাৰ্থনাৰ শক্তি ইত্যাদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তেওঁলোকৰ বুজাৰ ক্ষমতা, অনুভৱ কৰাৰ শক্তি ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰি কাউন্সেলিং কৰা হয়। এজন ব্যক্তি নিচাত আসক্ত হৈ পৰাৰ হাজাৰটা কাৰণ থাকে। বিশেষকৈ কৈশোৰ বয়সত লগ-বন্ধুৰ সংগত, মাক-দেউতাকে বা নিজে আশা কৰা ধৰণে ফলাফল নাপালে ইত্যাদি এনে হাজাৰটা কাৰণ থাকিব পাৰে। এনেদৰে ধ্বংসলৈ তিল তিলকৈ গতি কৰি থকাজনে নিজৰ লগতে পৰিয়াল তথা সমাজখনৰ বাবেও ধ্বংসকাৰীৰূপে চিহ্নিত হৈ পৰে। এনে ধ্বংসৰ পৰা মদপী এজনক মানৱ সম্পদৰূপে গঢ়ি তোলাৰ বাবে ৰিহেব চেণ্টাৰসমূহে লোৱা পদক্ষেপ নিতান্তই প্ৰয়োজনীয়। এতিয়া আপোনাৰ-মোৰ ঘৰত বা ওচৰত যদিহে এনে ঘোৰ নিচাসক্ত মানুহ আছে তেনেহ'লে হেল্পিং হেণ্ড ফাউণ্ডেচনৰ নিচিনা অনুষ্ঠানৰ লগত যোগাযোগ কৰিব পাৰে। নিঃসন্দেহে সুস্থ মানসিকতাৰ গৰাকী হৈ পৰিব নিচাসক্তজন।

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

### নগাঁৱৰ মাজপাথৰি হাইস্কুলত সদৌ অসম কেওট জাতীয় পৰিষদৰ জাগৰণ সভা

# কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** দেওবাৰে সদৌ অসম কেওট জাতীয় পৰিষদৰ ৰাজ্যিক সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত নগাঁৱৰ মাজপাথৰি হাইস্কুলত এখনি জাগৰণ সভা অনুষ্ঠিত হয়। নগাঁও জিলা কেওট জাতীয় পৰিষদৰ সৌজন্যত আৰু ভোটাই পাথৰি আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত সভাত কেওট জাতীয় পৰিষদৰ ৰাজ্যিক সমিতিৰ হৈ ভাৰপ্ৰাপ্ত সভাপতি লক্ষণ শইকীয়া, মুখপাত্ৰ জয়ন্ত শইকীয়া, প্ৰচাৰ-বিত্ত সম্পাদক দীপক শইকীয়া, মৰিগাঁও জিলা সমিতিৰ কাৰ্যকৰী সদস্য নিৰাপদ শইকীয়া, নগাঁও জিলা সমিতিৰ হৈ সভাপতি নৱেন শইকীয়া, সম্পাদক দীপুমণি মেধি, সাহিত্য আৰু সাংস্কৃতিক সম্পাদক দিপুল বৰা, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল শইকীয়া, জিলা মহিলা পৰিষদৰ সভানেত্ৰী জয়াবাণী শইকীয়া, সম্পাদিকা ৰেখা শইকীয়া, সাহিত্য আৰু সাংস্কৃতিক সম্পাদিকা শিখাৰাণী পাঠক শইকীয়াৰ লগতে মাজপাথৰি অঞ্চলৰ তিনি শতাধিক লোকৰ উপস্থিতিত অসমৰ সকলো জিলাতে সিঁচৰতি হৈ থকা অসমৰ এটি অন্যতম বৃহৎ জাতি কেওটসকলে আজিলৈকে লাভ কৰিবলৈ সক্ষম নোহোৱা বিভিন্ন সাংবিধানিক সুবিধাসমূহ কিদৰে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ পৰা হস্তগত কৰিবলৈ সক্ষম হ'ব সেই সম্পৰ্কে সকলোৰে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। উল্লেখ্য যে অসমৰ এক অন্যতম পুৰণি তথা বৃহৎ জনগোষ্ঠী, কেওটসকলৰ কিছুসংখ্যক লোকে অনুসূচিত জাতিৰ মৰ্যাদা লাভ কৰিছে যদিও অধিকাংশ লোকেই সাধাৰণ শ্ৰেণীৰ লোক হিচাপেই আছে আৰু চৰকাৰৰ সা- সুবিধাৰ পৰা বঞ্চিত হৈ আছে। সমগ্ৰ ভাৰততে চাবলৈ গ'লে পশ্চিমবংগ, ওড়িশা, বিহাৰ, উত্তৰ প্ৰদেশ আদি ৰাজ্যত বাস কৰা কেওটসকল অনুসূচিত জাতি বা অন্যান্য পিছপৰা জাতিৰ অন্তৰ্ভুক্ত কৰা হৈছে। কিন্তু অসমত অজ্ঞতাৰ বাবেই হওক বা তথাকথিত উচ্চ শ্ৰেণীৰ লোক বুলি নিজকে মানি অহাৰ ফলতেই হওক প্ৰায় আশী লাখ জনসংখ্যাৰ কেওট নামৰ জাতিটোৰ অধিকসংখ্যক লোকেই চৰকাৰৰ বহু সা-সুবিধাৰ পৰা বঞ্চিত হৈ ৰ'ব লগা হৈছে। সেয়ে নিজৰ অধিকাৰৰ প্ৰতি অজ্ঞ কেওট জাতিৰ লোকসকলক সংগঠিত কৰাৰ উদ্দেশ্যে কেওট জনগোষ্ঠীৰ অধ্যুষিত অঞ্চলসমূহত ৰাজ্যিক সমিতিৰ উদ্যোগত এনে জাগৰণ সভাসমূহ অনুষ্ঠিত কৰি অহা হৈছে বুলি কয় কেওট জাতীয় পৰিষদৰ ৰাজ্যিক প্ৰচাৰ আৰু বিত্ত সম্পাদক দীপক শইকীয়াই। ভাৰপ্ৰাপ্ত সভাপতি লক্ষণ শইকীয়াই অতি শীঘ্ৰেই অসমৰ বিভিন্ন জিলাত বসবাস কৰা প্ৰতিজন কেওটৰ নাম জৰীপ কৰি পঞ্জীয়ন কৰা হ'ব বুলি জানিবলৈ দিয়ে। সভাখনত সুন্দৰকৈ অনুষ্ঠিত কৰা বাবে ভোটাইপাথৰি আঞ্চলিক সমিতিলৈ ধন্যবাদ জ্ঞাপন কৰে কেন্দ্ৰীয় সমিতিৰ মুখপাত্ৰ জয়ন্ত শইকীয়াই।





## ভাৰতীয় কামী উন্নয়ন পৰিষদ, অসম ৰাজ্যিক সমিতি, সদৌ অসম গোৰ্খা দমাই সমাজ আৰু সদৌ অসম গোৰ্খা চাৰ্কী সমাজৰ সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ ছেপ্টেম্বৰ ঃ** ২৫ ছেপ্টেম্বৰত গুৱাহাটী মহানগৰৰ পল্টন বজাৰস্থিত হোটেল সুৰিয়াত দমাই সমাজৰ সভাপতি তথা বিশিষ্ট সমাজসেৱক চন্দ্ৰ কটোৱালৰ সভাপতিত্বত গোৰ্খা মহাজাতিৰ অন্তৰ্গত কামী, দমাই আৰু চাৰ্কীৰ সাংবিধানিক অধিকাৰ অনুসূচিত জাতিৰ মৰ্যাদা পোৱাৰ উদ্দেশ্যে এখন সংযুক্ত সভা অনুষ্ঠিত হৈ যায়। ভাৰতীয় কামী উন্নয়ন পৰিষদ, অসম ৰাজ্যিক সমিতিৰ ভাৰপ্ৰাপ্ত মুখ্য সম্পাদক নঘলাল বিশ্বকৰ্মাই আঁত ধৰা সভাখনত ভাৰতীয় কামী উন্নয়ন পৰিষদে অসম ৰাজ্যিক সভাপতি শেখৰ চিৰোৱাল, চাৰ্কী সমাজৰ সভাপতি কেশৰ মিজাৰ, সম্পাদক ৰাম বচেল আৰু দমাই সমাজৰ সম্পাদক ডম্বৰ মগৰ দমাইৰ লগতে তিনিওটা সমাজৰ ৰাজ্যিক পৰ্যায়ৰ ক্ৰমে ৰামলাল বিশ্বকৰ্মা, ধন বাহাদুৰ পৰিয়াৰ, মোহন কুমাৰ ৰণপহেলি, মহেশ সোণাৰ, আগছুৰ কেন্দ্ৰীয় সদস্য মোহন বিশ্বকৰ্মা প্ৰমুখ্যে অসমৰ বিভিন্ন জিলাৰ প্ৰতিনিধিসকল উপস্থিত থাকে। ভাৰতীয় কামী উন্নয়ন পৰিষদ, অসম ৰাজ্যিক সমিতিৰ সভাপতি শেখৰ চিৰোৱাল আৰু ভাৰপ্ৰাপ্ত মুখ্য সম্পাদক ঘনলাল বিশ্বকৰ্মাৰ তৎপৰতাত অনুষ্ঠিত হোৱা প্ৰায় শতাধিক প্ৰতিনিধি উপস্থিত থকা সভাখনত ভাৰতীয় সংবিধানত ১৯৫০ চনতে অনুসূচিত জাতি হিচাপে সন্নিৱিষ্ট এই তিনিওটা সম্প্ৰদায়ে ভাৰতৰ অন্যান্য ৰাজ্য যেনে— পশ্চিমবংগ, ছিকিম, দিল্লী আদিত ইতিমধ্যে অনুসূচিত জাতিৰ মৰ্যাদা পোৱা সত্ত্বেও অসমত আজিলৈকে এই মৰ্যাদা নোপোৱা সন্দৰ্ভত আগন্তুক দিনত কিদৰে উল্লিখিত সম্প্ৰদায়সমূহে নিজৰ প্ৰাপ্য অধিকাৰ লাভৰ ক্ষেত্ৰত ৰণকৌশল অৱলম্বন কৰিব সেই সম্পৰ্কে বিস্তৃত আলোচনা হোৱাৰ লগতে গোৰ্খা মহাজাতিৰ অন্তৰ্গত অতিকে অৱহেলিত নিষ্পেষিত কামী, দমাই আৰু চাৰ্কীসকলৰ উন্নয়নৰ ক্ষেত্ৰত গোৰ্খা জনগোষ্ঠীৰ উন্নয়ৰ বাবে চৰকাৰে গঠন কৰি দিয়া গোৰ্খা উন্নয়ন পৰিষদ, অসমৰ ভূমিকা সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। লগতে গোৰ্খা উন্নয়ন পৰিষদক এই অৱহেলিত তিনিওটা সম্প্ৰদায়ৰ পৰা এজনো সদস্য নৰখা কাৰ্যক আজিৰ সভাই নিন্দা কৰে। তিনিওটা সম্প্ৰদায়ৰ সাংবিধানিক অধিকাৰ প্ৰাপ্যৰ ক্ষেত্ৰত ভৱিষ্যতে আগুৱাই যোৱাৰ স্বাৰ্থত আজিৰ সভাই সৰ্বসন্মতিক্ৰমে সভাপতি শেখৰ চিৰোৱাল, কাৰ্যকৰী সভাপতি ডম্বৰ বাঃ মগৰ দমাই, উপ-সভাপতি ক্ৰমে ৰামলাল বিশ্বকৰ্মা, কৃষ্ণ মোহন দাস, শ্যাম কুমাৰ ৰত্নে, মুখ্য সম্পাদক ৰাম ৰচেল, সম্পাদক ক্ৰমে ঘনলাল বিশ্বকৰ্মা, জিতেন মিজাৰ, মদন ৰণকহেলী, সাংগঠনিক সম্পাদক গোবিন বিশ্বকৰ্মা, প্ৰচাৰ সম্পাদক ক্ৰমে কৃষ্ণ কুমাৰ সিৱা, সেমৰাজ পৰিয়াৰ, ৰাজা মিজাৰ আৰু হৰ্ক বাঃ সোণাৰ, কাৰ্যকৰী সদস্য ক্ৰমে- লীলা লাৱৰ, সাজন চাৰ্কী, চন্দ্ৰ দৰ্জী, নৰেন বিশ্বকৰ্মা, বিজয় মিজাৰ, গোপাল বিশ্বকৰ্মা আৰু এম কুমাৰ মিজাৰ, উলপতে, উপদেষ্টামণ্ডলী ক্ৰমে— চন্দ্ৰ কটোৱাল, কৃষ্ণ মিজাৰ, চনবীৰ সোণাৰ, প্ৰেম বিশ্বকৰ্মা, মহেশ সোণাৰ, মোহন বিশ্বকৰ্মা, আৰাধন বাহাদুৰ পৰিয়াল আদিক লৈ এক বলিষ্ঠ অসম কামী, দমাই আৰু চাৰ্কী সমন্বয় সমিতি গঠন কৰা হয়। এই সমিতিখনে আজিৰে পৰা অসমত বসবাস কৰা গোৰ্খা মহাজাতিৰ এই অৱহেলিত, নিপীড়িত সম্প্ৰদায়- কামী, দমাই চাৰ্কীৰ সাংবিধানিক অনুসূচিত জাতিৰ মৰ্যাদা পোৱা আৰু এই সম্প্ৰদায়কেইটাৰ সৰ্বাংগীন উন্নয়নৰ ক্ষেত্ৰত ঐক্যবদ্ধভাৱে কাম কৰি আগুৱাই যোৱাৰ সংকল্প লয়।

## আইচিই বাহনা শাখাত তথ্য প্ৰযুক্তিৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২৭ ছেপ্টেম্বৰ ঃ** কম্পিউটাৰ আৰু কাৰিকৰী শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান ইন্ষ্টিটিউট অৱ কম্পিউটাৰ এডুকেচন ICEয়ে সোমবাৰে বাহনা মহাবিদ্যালয় প্ৰেক্ষাগৃহত Smart use of ICT devices in our Day-2-Day life শীৰ্ষক এখনি তথ্য প্ৰযুক্তিৰ সজাগতা সভা আৰু প্ৰমাণ-পত্ৰ বিতৰণী তথা অভিভাৱক সভাখন অনুষ্ঠিত কৰে। কম্পিউটাৰ আৰু কাৰিকৰী প্ৰশিক্ষণৰ বাবে বাহনা মহাবিদ্যালয়ৰ সৈতে সহযোগিতাৰ চুক্তি স্বাক্ষৰিত কৰা প্ৰতিষ্ঠান ICEৰ কাৰ্যসূচী বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰসন্ন কুমাৰ দত্তই। ইয়াৰ পিছতে প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা এটি সমৱেত সংগীত পৰিৱেশন কৰা হয়। অনুষ্ঠানত উপস্থিত থকা বাহনা অঞ্চলৰ কেইবাজনো সমাজকৰ্মীক আই চি ইৰ তৰফৰ পৰা এখন গামোচা আৰু একোটিকৈ উপহাৰেৰে আদৰণি জনোৱা হয়। প্ৰতিষ্ঠানটোৰ প্ৰতিষ্ঠাপক তথা অবৈতনিক অধ্যক্ষ ধ্ৰুৱজ্যোতি তামুলীয়ে আদৰণী ভাষণ প্ৰদান কৰি প্ৰতিষ্ঠানটোৰ আপোচবিহীন গুণগত আৰু সম্পূৰ্ণ ব্যৱহাৰিক প্ৰশিক্ষণ সম্পৰ্কে সমজুৱাক অৱগত কৰে। তেখেতে ভাষণ প্ৰসংগত উল্লেখ কৰে যেনেদৰে গায়ক হ'বলৈ সংগীতৰ তত্ত্ব জনাৰ উৰ্ধ্বতো সময়মাফিক নিয়মিত ৰেৱাজ অত্যাৱশ্যকীয়, ঠিক সেইদৰে ব্যৱহাৰিক অভ্যাস অবিহনে কম্পিউটাৰ আৰু আন কোনো কাৰিকৰী শিক্ষায়েই ফলপ্ৰসু হ'ব নোৱাৰে। অনুষ্ঠানৰ মুখ্য আকৰ্ষণ, তথ্য প্ৰযুক্তিবিষয়ক লেখাৰে নিজৰ পৰিচয় গঢ়িবলৈ সক্ষম হোৱা দেৱজ্যোতি বৰাই তথ্য প্ৰযুক্তিৰ বুদ্ধিদীপ্ত ব্যৱহাৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। তেওঁ প্ৰায়োগিক শিক্ষাক প্ৰকৃতাৰ্থত প্ৰয়োগ কৰিব পৰাকৈ গ্ৰহণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ জনায়। তেওঁ লগতে কয় কেৱল প্ৰমাণ-পত্ৰৰ বাবে কম্পিউটাৰ শিক্ষা গ্ৰহণ নকৰি, ব্যৱহাৰিকভাৱে প্ৰশিক্ষণ ল'লে নিয়োগ অথবা স্ব-নিয়োজনৰ মাধ্যমৰে প্ৰতিষ্ঠা লাভ কৰিব পাৰি। সমজুৱাৰ একাষাৰত বিশিষ্ট সমাজকৰ্মী জিতু কলিতা, অমৰ বৰা, ৰাজীৱ নাজিৰ আদিয়ে মন্তব্য আগবঢ়ায়। তথ্য প্ৰযুক্তি ক্ষেত্ৰত বাহনা মহাবিদ্যালয়ৰ নতুন প্ৰকল্প 'মুকলি'ৰ জৰিয়তে পালিত গাঁও আৰু মহাবিদ্যালয়ৰ কাষৰীয়া অঞ্চলত অতি সুলভ মূল্যত কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তিৰ প্ৰশিক্ষণ আগবঢ়োৱাৰ পৰিকল্পনাৰ কথা ব্যক্ত কৰি মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপক কোষৰ সমন্বয়ক ড° পংকজ বৰায়ে এইক্ষেত্ৰত আই চি ইৰ সহযোগিতা কামনা কৰে। সভাৰ মাজত প্ৰশিক্ষাৰ্থীসকলৰ মাজৰ পৰা গৌতম দত্তই গীটাৰত যন্ত্ৰসংগীত, ৰিপাংকী বৰাই সৃষ্টিশীল নৃত্য, কৃষ্ণাশ্ৰী বৰা আৰু কাকুৰাণী কলিতাই ঢোলবাদন, লক্ষ্যজ্যোতি দত্তই গীত পৰিৱেশন কৰি তথা শিক্ষক পলাশ বৰাই গীত পৰিৱেশনেৰে সমজুৱাক আমোদ দিয়ে। সভাত আই চি ইৰ বাহনা শাখাৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। ২০১৫ চনৰ প্ৰতিষ্ঠাকালৰ পৰা এইপৰ্যন্ত অসমৰ বিভিন্ন ঠাইত থকা শাখাসমূহৰ পৰা ৪০১গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰমাণ-পত্ৰ লাভ কৰিবলৈ সক্ষম হোৱাৰ সমান্তৰালভাৱে অৰ্ধ-শতাধিক প্ৰশিক্ষাৰ্থীক নিয়োগৰ সহযোগিতা প্ৰদান কৰিবলৈ সক্ষম হোৱা বুলি প্ৰতিষ্ঠানটিৰ অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে। এই অনুষ্ঠানত বাহনা শাখাত জুলাই-ছেপ্টেম্বৰৰ বাবে শ্ৰেষ্ঠ প্ৰশিক্ষাৰ্থীৰূপে বিবেচিত হোৱা ত্ৰিদিশা বৰাক প্ৰমাণ-পত্ৰ আৰু উপহাৰ প্ৰদান কৰাৰ লগতে, 'ভনিকা ক্ৰিয়েচন' নাম অগতানুগতিক হস্তশিল্পৰ ব্যৱসায় আৰম্ভ কৰি স্ব-নিয়োজনৰ বাট দেখুওৱা প্ৰতিষ্ঠানটিৰ প্ৰাক্তন প্ৰশিক্ষাৰ্থী নিপামণি বৰাক সম্বৰ্ধনা জনোৱা হয়। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে শিক্ষক মানসজ্যোতি হাজৰিকা আৰু নিপামণি বৰাই। আইচিইৰ প্ৰতিষ্ঠাপক ধ্ৰুৱজ্যোতি তামুলীয়ে শলাগৰ শৰাই আগবঢ়ায় আৰু অনুষ্ঠানৰ সামৰণি মাৰে।



## গুৱাহাটী আলোচনা-চক্ৰৰ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ ছেপ্টেম্বৰ ঃ** গুৱাহাটী আলোচনা-চক্ৰৰ শাৰদীয় বৈঠকখন ৮১৮সংখ্যক শাৰদীয় বৈঠকৰূপে ২৫ ছেপ্টেম্বৰ, দেওবাৰে দিনৰ ৩ বজাত চক্ৰধাৰী ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মাৰ আহ্বানত জাপৰিগোগ জনজাতি যুৱক সংঘৰ খেলপথাৰত অনুষ্ঠিত হৈ যায়। বৈঠকত সভাপতিত্ব কৰে চক্ৰৰ সভাপতি কনক চন্দ্ৰ শৰ্মাই। আদৰণী ভাষণ প্ৰদান কৰে ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মাই। বিশিষ্ট অতিথিৰ আসন শুৱনি কৰে জ্যেষ্ঠ সাংবাদিক নৰেন হাজৰিকা, সতীশ চন্দ্ৰ শৰ্মা প্ৰমুখ্যে বিশিষ্ট লোকসকলে। চক্ৰধাৰীসকলৰ শাৰদ লেখা পাঠৰ উপৰি এই বিশেষ বৈঠকত ড° নন্দিতা ভট্টাচাৰ্য গোস্বামীৰ সংস্কৃত সাহিত্যত শৰৎ কাল, সতীশ চন্দ্ৰ শৰ্মাই দেৱী দুৰ্গাতত্ত্ব লিখনি পাঠ কৰে। চক্ৰত মহিলাসকলে সমৱেত সংগীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। শতগৰাকী চক্ৰধাৰী আৰু অনুৰাগীৰ উপস্থিতিত সভা উপভোগ্য হৈ উঠে। সভাপতি কনক চন্দ্ৰ শৰ্মাই শাৰদীয় বৈঠকত মহালয়াৰ তাৎপৰ্য বৰ্ণনা কৰে। সম্পাদকীয় পাঠ কৰে সাংগঠনিক সম্পাদক হৰেন্দ্ৰ নাথ শৰ্মাই। মিতালী শৰ্মাই গীত পৰিৱেশন কৰে। শলাগৰ শৰাই আগবঢ়ায় ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মাই। পৰৱৰ্তী বৈঠক চক্ৰধাৰী অপূৰ্ব ভট্টাচাৰ্যৰ আহবান ক্ৰমে দিনজোৰা কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিশেষ বৈঠকৰূপে প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ তিথি উপলক্ষে পালন কৰাৰ উপৰি তেওঁৰ মূৰ্তি উন্মোচন কৰা হয়।

## গোলাঘাট জিলাৰ গমাৰিগুৰিৰ আদৰ্শ গাঁৱত বিশেষ সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২৭ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ আদৰ্শ গাঁৱৰ সূৰুযমুখী যুৱক সংঘ আৰু লুইত গ্ৰাম্য সংগঠনৰ সৌজন্যত ২৫ ছেপ্টেম্বৰত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। আদৰ্শ গাঁৱৰ সূৰুযমুখী ৰংগ মঞ্চত অনুষ্ঠিত হোৱা সম্বৰ্ধনা অনুষ্ঠানত গাঁওখনৰ পৰা ২০২২ চনৰ হাইস্কুল শেষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ১৬গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়। ইফালে প্ৰায় আশী দশকৰ পৰা বিনা বেতনেৰে সেৱা আগবঢ়াই ১নং আদৰ্শ গাঁৱৰ অৱসৰপ্ৰাপ্ত গাঁওবুঢ়া মহেন্দ্ৰ বৰা আৰু ২নং আদৰ্শ গাঁৱৰ গাঁওবুঢ়াৰ টংকেশ্বৰ চেতিয়া, বিশেষ সম্বৰ্ধনা জনায়। আনহাতে, আদৰ্শ গাঁওখনৰ পৰা ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় অধ্যয়নৰত প্ৰথমগৰাকী ছাত্ৰী সত্যনাজ্যতি সোণোৱাল, ১নং বৰজান গাঁও নিৱাসী অসম বৈদিক বৈষ্ণৱ মহাসভাৰ আধ্যাত্মিক বক্তৃতাৰ পণ্ডিত, সুবক্তা ৰজত কাকতিকো বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে অনুষ্ঠানটোত চলিত বৰ্ষৰ আগষ্ট মাহৰ ১৩ আৰু ১৪ তাৰিখে হিমাচল প্ৰদেশৰ চিমলাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় কাৰাতে প্ৰতিযোগিতাত স্বৰ্ণ পদক বিজয়ী গমাৰিগুৰিৰ শোণিতপুৰ গাঁও নিৱাসী জিণ্টু গগৈক সম্বৰ্ধনা জ্ঞাপন কৰে। গোলাঘাটৰ অধিবক্তা নিতুল বৰাই আঁত ধৰা অনুষ্ঠানত গাঁও তথা সমীপৱৰ্তী অঞ্চলসমূহৰ প্ৰায় দুই শতাধিক ৰাইজ উপস্থিত থাকে।




## চানমাৰি সাহিত্য সভাৰ শাৰদীয় বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ ছেপ্টেম্বৰ ঃ** চানমাৰি সাহিত্য সভাৰ ১৯৩ সংখ্যক বৈঠকখন শাৰদীয় বৈঠকৰূপে ৰমেশ চন্দ্ৰ দেৱশৰ্মাই আহ্বান কৰে স্থানীয় চানমাৰি কলনীৰ নিৰাময় ভৱন প্ৰাংগণত ২৫ ছেপ্টেম্বৰ দেওবাৰে আবেলি ৩ বজাত সভাপতি ভুবন চন্দ্ৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। আহ্বায়কৰ আদৰণী ভাষণৰ পিছতেই কেইবাজনো বিশিষ্ট ব্যক্তিৰ পৰলোকত সভাই গভীৰ শোক প্ৰকাশ কৰে। বৰগীত পৰিৱেশন কৰে মঞ্জু গৌতমে। সম্পাদকীয় পাঠ কৰে উপ-সভাপতি কানন বৰদলৈয়ে। প্ৰবন্ধ পাঠ কৰে ভুবন চন্দ্ৰ কলিতাই। ৰোমান শৰ্মাই কবিতা, টেগ বাহাদুৰ ছেত্ৰীয়ে জীৱনীমূলক প্ৰবন্ধ পাঠ কৰে। ৰমেশ চন্দ্ৰ দেৱশৰ্মাই প্ৰবন্ধ সুকুমাৰ দত্তই প্ৰবন্ধ পাঠ কৰে। জীমণি ডেকাই কবিতা আৰু গীত পৰিৱেশন কৰে। বিজয়া দত্ত কলিতাই গীত পৰিৱেশন কৰে। লিখনিৰ ওপৰত বক্তব্য ৰাখে ড° ৰোমান শৰ্মাই। সভাপতি ভুবন চন্দ্ৰ কলিতাই দুষাৰ কয়। শলাগৰ শৰাই আগবঢ়ায় কানন বৰদলৈয়ে।

## প্ৰাক্তন আছু সতীৰ্থ সন্মিলনী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ২৭ ছেপ্টেম্বৰ ঃ** অসমৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা এখন বৰপেটাৰোড সাহিত্য সভা ভৱন, বৰপেটাৰোডত অনুষ্ঠিত হয়। সন্মিলনৰ কাৰ্যকৰী সভাপতি ৰবীন্দ্ৰ নাথ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ আৰম্ভণিতে সাধাৰণ সম্পাদক হিমাংশু ভৰালীয়ে আৰু উপ-সভাপতি ধনঞ্জয় বৰপূজাৰীয়ে সন্মিলনীৰ ভৱিষ্যতৰ কৰ্মসূচী সম্পৰ্কত বিশদ বক্তব্য আগবঢ়ায়। সভাত কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও, গোৱালপাৰা, চিৰাং, বৰপেটা, বাক্সা, নলবাৰী আদি বিভিন্ন জিলাৰ বিষয়ববীয়া আৰু সদস্যসকলে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। এই সময়ত আছুৰ মঞ্চত থাকি সমাজ, দেশ আৰু জাতিৰ হকে ত্যাগৰ মনোভাবেৰে কাম কৰা সমগ্ৰ অসমৰ আছুৰ প্ৰাক্তন সতীৰ্থসকলক এই মঞ্চত একত্ৰিত কৰাৰ বাবে মত পোষণ কৰা হয়। আনহাতে, অচিৰেই বৰপেটা, বজালী, বাক্সা আৰু কোকৰাঝাৰ জিলা সমিতি গঠন কৰিবলৈ চাৰিখন শক্তিশালী আহ্বায়ক সমিতি গঠন কৰি দিয়া হয়। এই সভাতে গণেশ কলিতা (নলবাৰী), ধৰ্মেশ্বৰ ৰায় (বজালী), প্ৰবীণ শৰ্মা (বৰপেটা) আৰু দিগন্ত শইকীয়া (বাক্সা)ক ৰাজ্যিক সমিতিৰ কাৰ্যনিৰ্বাহ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হয়। আনহাতে, সন্মিলনীৰ প্ৰতিষ্ঠাপক সভাপতি কমলেশ ডেকাই ব্যক্তিগত অসুবিধাৰ বাবে সভাপতি পদৰ পৰা অব্যাহতি বিচৰাত কাৰ্যকৰী সভাপতি ৰবীন্দ্ৰ নাথ দাসক ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব প্ৰদান কৰাৰ লগতে প্ৰতিষ্ঠা কালৰ পৰাই সংগঠনটিৰ প্ৰতি আগবঢ়োৱা সেৱাৰ বাবে ডেকাক কৃতজ্ঞতা জ্ঞাপন কৰি সৰ্বসন্মতিক্ৰমে এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## ছিপাঝাৰ কনিষ্ঠ মহাবিদ্যালয়ৰ ন-পুৰণি সতীৰ্থ সন্মিলনৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৭ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰ কনিষ্ঠ মহাবিদ্যালয়ৰ দশম বৰ্ষপূৰ্তি উপলক্ষে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত ২৪, ২৫ ছেপ্টেম্বৰত দুদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে ন-পুৰণি সতীৰ্থ সন্মিলন সফলভাৱে অনুষ্ঠিত হৈ যায়। প্ৰথম দিনৰ কাৰ্যসূচী মতে পুৱা বন্তি প্ৰজ্বলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি নীলমণি কলিতাই। স্মৃতি তৰ্পণ কৰে সম্পাদক ভাৰ্গৱ ডেকাই। পতাকা উত্তোলন কৰে উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চহৰীয়াই। গছপুলি ৰোপণ কৰে আনগৰাকী সম্পাদক নয়নমণি ডেকাই। অনুষ্ঠানৰ দহখন পতাকা, দহ গছি বন্তি প্ৰজ্বলন কৰাৰ পিছত প্ৰাচীৰ পত্ৰিকা 'কল্লোল' উন্মোচন কৰে ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা গীতাঞ্জলি শইকীয়াই। ভাষণত তেওঁ মহাবিদ্যালয়ত প্ৰাচীৰ পত্ৰিকাৰ প্ৰয়োজনীয়তা, সাহিত্য সৃষ্টিৰ আনন্দ, সাহিত্যৰ নান্দনিকতা আৰু সাহিত্যৰ সত্যৰ বিষয়ত বহলাই আলোকপাত কৰে। ৯.৩০ বজাত স্মৃতি ৰোমন্থন অনুষ্ঠান পৰিচালনা কৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ক্ৰমে ভাগ্যশ্ৰী শৰ্মা, ভাৰ্গৱ চহৰীয়া আৰু ভনিতা নাথে। দুপৰীয়া বাৰ বজাৰ পৰা শশীধৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত হয় সম্বৰ্ধনা সভা। মংগলাচৰণম কৰে প্ৰাক্তন ছাত্ৰ মুকেশ শৰ্মা আৰু নিখিল কুমাৰ গৌতমে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে বিশিষ্ট সাহিত্যিক মুকুট শৰ্মাই। বিয়লি তিনি বজাত দৰঙৰ খুলীয়া ভাউৰীয়া প্ৰদৰ্শন হয়। ২৫ ছেপ্টেম্বৰত পুৱা বিশিষ্ট সাংবাদিক চক্ৰপাণি পৰাশৰৰ স'তে ছাত্ৰ-ছাত্ৰীৰ মাজত বাৰ্তালাপ অনুষ্ঠান সম্পন্ন হয়। দিনৰ এঘাৰ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ অৰুণ কুমাৰ ডেকাৰ সঞ্চালনাত মুকলি সভা অনুষ্ঠিত হয়। আমন্ত্ৰিত অতিথিৰূপে ছিপাঝাৰ ৰাজহ চক্ৰৰ বিষয়া কমলজিৎ শৰ্মা, মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম মীন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে। স্মৃতিগ্ৰন্থ উন্মোচন কৰে ইমৰাণ হুছেইনে। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে ড° প্ৰসন্ন কুমাৰ নাথে। সন্মানীয় অতিথিৰূপে উপস্থিত থাকে ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ অধ্যক্ষ হৰেন ডেকাই। বিয়লি তিনি বজাত পাপৰি গগৈৰ সাংস্কৃতিক অনুষ্ঠান সম্পন্ন হয়। ছিপাঝাৰ কনিষ্ঠ মহাবিদ্যালয়ৰ দশম বছৰ উপলক্ষে হোৱা এনে অনুষ্ঠানৰ শলাগ লয়।

## ডিমৌ উন্নয়ন খণ্ডৰ খৰাহাট গাঁও পঞ্চায়তৰ সভানেত্ৰী বীণাপাণি মানকিৰ বিৰুদ্ধে ক্ষোভিত হৈ উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৭ ছেপ্টেম্বৰ ঃ** ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত খৰাহাট গাঁও পঞ্চায়তৰ সভানেত্ৰী বীণাপাণি মানকিয়ে কৰি অহা পৰ্বতসম দুৰ্নীতিৰ বিৰুদ্ধে ক্ষোভিত হৈ উত্তাল প্ৰতিবাদত নামিলে পঞ্চায়তৰ ৰাইজ। সভাই-সমিতিয়ে উন্নয়নৰ ঢাকঢোল বজাই থকা চৰকাৰৰ একাংশ ৰাইজৰ প্ৰতিনিধিৰ কৰ্ম-কাণ্ডত অতিষ্ঠ হৈ প্ৰতিবাদত নামিবলগীয়া হৈছে ভুক্তভোগী ৰাইজ। সুদীৰ্ঘ দিন যাতায়াত কৰাৰ নামত যমৰ-যাতনা ভোগ কৰি ক্ষোভিত হৈ থকা জনতাই পথৰ মাজত ভুঁই ৰুই প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে পঞ্চায়তৰ সভানেত্ৰী বীণাপাণি মানকি, জিলা পৰিষদৰ সদস্য, চৰকাৰ আৰু স্থানীয় বিধায়কৰ বিৰুদ্ধে মুৰ্দাবাদ ধ্বনিৰে আকাশ-বতাহ কঁপাই তোলে। ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত খৰাহাট গাঁও পঞ্চায়তৰ ৩নং ৱাৰ্ডৰ ২নং মাছৈ গাঁৱৰ একমাত্ৰ যাতায়াতৰ ভৰসা আঠাবাৰীৰ পৰা ২নং মাছৈ সংযোগী পথটোৰ অৱস্থা সুদীৰ্ঘ সময়ৰ পৰা অতি শোচনীয় হৈ পৰাত ৰাইজে ক্ষোভিত হৈ পথটোৰ ওপৰত উক্ত দিনা পুৱাই ভুঁই ৰুই প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াৰ উপৰি প্ৰতিবাদকাৰীসকলে স্থানীয় বিধায়ক সুশান্ত বৰগোহাঁই, খৰাহাট গাঁও পঞ্চায়তৰ সভানেত্ৰী বীণাপাণি মানকী আৰু জিলা পৰিষদৰ সদস্য অনুপম টেলেঙাৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, বিগত সময়ত ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত খৰাহাট, শুকানপুখুৰী, আঠাবাৰী, নহাট, নিতাইপুখুৰী, ৰূপজ্যোতি গাঁও পঞ্চায়তত সংঘটিত হৈছে একাধিক দুৰ্নীতি। এই পঞ্চায়তসমূহত দুৰ্নীতি সন্দৰ্ভত সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পিছতো বিভাগীয় কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিগত সময়ত এই পঞ্চায়তসমূহত ডিমৌ উন্নয়ন খণ্ডৰ বিষয়া, কনিষ্ঠ অভিযন্তা, পঞ্চায়ত সভাপতি, সচিব আদিয়ে চতুৰ্দশ বিত্তীয় আয়োগৰ দ্বাৰা ২১,৬০০ টকীয়া ডাষ্টবিন নিৰ্মাণৰ নামত লাখ লাখ টকাৰ দুৰ্নীতি সংঘটিত কৰিছে। কিন্তু অতি দুৰ্ভাগ্যজনক বিষয় যে ডাষ্টবিন নিৰ্মাণৰ নামত সংঘটিত দুৰ্নীতিৰ কোনো তদন্ত নহ'ল। ৰাইজে ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত গাঁও পঞ্চায়তত সংঘটিত চতুৰ্দশ বিত্তীয় আয়োগৰ দ্বাৰা ডাষ্টবিন নিৰ্মাণৰ নামত সংঘটিত দুৰ্নীতিৰ এক তদন্তৰ ব্যৱস্থা কৰিবলৈ শিৱসাগৰ জিলাত নতুনকৈ দায়িত্বভাৰ লোৱা উপায়ুক্ত আহ্বান জনাইছে।

## কলমণিত বিনামূলীয়া পশু চিকিৎসা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** কমলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কলমণি মিলন উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত দেওবাৰে ৰাজতিলক থিয়েটাৰ পৰিচালনা সমিতিৰ উদ্যোগত আৰু পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, খানাপাৰা আৰু ৰঙিয়া মহকুমা পশুপালন বিষয়াৰ সহযোগত এটি বিনামূলীয়া পশু চিকিৎসা শিবিৰ অনুষ্ঠিত হৈ যায়। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই বিশেষ ভূমিকা গ্ৰহণ কৰা উক্ত শিবিৰটোত প্ৰায় তিনিশ গৰু-ম'হক বিনামূলীয়া ঔষধ প্ৰদান কৰাৰ লগতে প্ৰতিষেধক ছিটাও প্ৰদান কৰা হয়। চিকিৎসা শিবিৰৰ লগত সংগতি ৰাখি এখন সজাগতা সভাও অনুষ্ঠিত কৰা হয়। উক্ত সভাত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ডাঃ ভৰেন চন্দ্ৰ বৈশ্য, ডাঃ দিতুল বৰ্মন, ডাঃ ৰাজু ডেকা, ডাঃ যদুমণি কছাৰীক সম্বৰ্ধনা জনোৱাৰ লগতে পশু চিকিৎসা বিভাগৰ পৰিকল্পনা বিষয়া ডাঃ দণ্ডেশ্বৰ ডেকাই বিশেষ উদ্যোগ লোৱাৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয় তথা ৰঙিয়া মহকুমাৰ পশুপালন বিষয়া ডাঃ ওৱাহিদুৰ ৰহমান, পশু চিকিৎসকদ্বয় ক্ৰমে ডাঃ অনিল চৌধুৰী আৰু ডাঃ বিপুল নাথকো সম্বৰ্ধনা জনায়। সজাগতা সভাত কেইবাজনো উদ্যোগী পশুপালকে বক্তব্য দাঙি ধৰি শিবিৰটো অনুষ্ঠিত কৰাৰ বাবে উদ্যোক্তাসকলৰ শলাগ লয় আৰু পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় তথা পশু চিকিৎসা বিভাগৰ ভৱিষ্যতলৈও এনে ধৰণৰ সহযোগিতা কামনা কৰে। অনুষ্ঠানটোৰ আঁত ধৰে থিয়েটাৰ পৰিচালনা সমিতিৰ সম্পাদক ভৰেশ ভূষণ ডেকাই।

## পূব মঙলদৈ শাখা সাহিত্য সভালৈ অসম সাহিত্য সভাৰ শতদল শাখাৰ স্বীকৃতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৭ ছেপ্টেম্বৰ ঃ** পূব মঙলদৈ শাখা সাহিত্য সভাই সোমবাৰে চেনিয়ালপাৰা (কৰ্মীপাৰা) ৰাইজৰ সহযোগত বিষ্ণু মন্দিৰ প্ৰাংগণত শিক্ষক, অভিভাৱক আৰু ছাত্ৰ -ছাত্ৰীক লৈ এখন শৈক্ষিক আলোচনা-সত্ৰ অনুষ্ঠিত কৰে। শাখা সাহিত্য সভাৰ সম্পাদক বিজয় কুমাৰ বৰুৱাই আঁত ধৰা অনুষ্ঠানত পুৱা ৮.৫৫ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে পূব মঙলদৈ শাখা সাহিত্য সভাৰ সভাপতি ধৰ্মেশ্বৰ কলিতা, বন্তি প্ৰজ্বলন কৰে বিষ্ণু মন্দিৰৰ দেউৰী বিজয় কলিতা আৰু স্মৃতি তৰ্পণ কৰে গাঁও পৰিচালনা সমিতিৰ সভাপতি চম্পক কলিতাই। দুপৰীয়া ১ বজাত 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীতেৰে আৰম্ভ হোৱা আলোচনা-সত্ৰ উদ্বোধন কৰে দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামীয়ে। শাখা সাহিত্য সভাৰ সভাপতিয়ে সভাপতিত্ব কৰা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি দৰং জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি বৰদা শইকীয়া, নিৰ্দিষ্ট বক্তাদ্বয় শিক্ষয়িত্ৰী দীপশিখা চহৰীয়া (এম এছ চি, পদাৰ্থ বিজ্ঞান), শিক্ষক বিদ্যুৎ ডেকা (এম এছ চি, গণিত) , বিশিষ্ট অতিথিদ্বয় ভোলানাথ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক খৰ্গেন চহৰীয়া, মঙলদৈ জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি ধীৰেন্দ্ৰ কুমাৰ শৰ্মা, লখিমী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দ্বিপেন্দ্ৰ শৰ্মা আৰু গুণাৰাম ডেকাই ছাত্ৰ-ছাত্ৰীক শৈক্ষিক উত্তৰণেৰে ভৱিষ্যতে সু-নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ কামত অগ্ৰসৰ



হ'বলৈ বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত আদৰণী ভাষণ আগবঢ়ায় শাখা সাহিত্য সভাৰ সহকাৰী সম্পাদক প্ৰণৱ কলিতাই। উক্ত সভাত কৃতী ছাত্ৰ-ছাত্ৰী উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ক্ৰমে- কল্যাণী কুমাৰ, বনানি চহৰীয়া, ৰিপুঞ্জয় কলিতা, বৰষা ডেকা, বিশাল দেৱ আচাৰ্য, দিশামণি কলিতা, জনাৰ্দন ডেকা, ত্ৰিদীপ প্ৰতিম ডেকা, ৰিপুঞ্জয় ডেকা, দৰ্শন চন্দ্ৰ ডেকা, বিস্মিতা ডেকা, ৰাজদীপ শইকীয়া, কৃষ্ণমণি ডেকা, লিপিৰাজ ডেকা, হিমাংশু কলিতা, জ্যোতিস্মিতা মহন্ত, হিয়া মহন্ত, জিম্পী হাজৰিকা, ৰক্তিমজ্যোতি মহন, অজিত সিং, পৰিনিষ্ঠা বড়া, বিজিত মণি নাথ, ৰাজশ্ৰী কোঁৱৰ, ডেভিদ চহৰীয়া, ৰুবুল ডেকা, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ডেইজী কলিতা, শান্তনু শৰ্মা, জ্যোতিস্মিতা, দৰথি শৰ্মা, তুলিকা মণি ডেকা, পৰাগজ্যোতি ডেকা, কপিল কিশোৰ কলিতা, পৰাগ কাশ্যপ, শিল্পীশিখা কলিতা, বিদিশা কলিতা, কৌস্তভমণি বড়া, লক্ষণা কাশ্যপ কলিতা, ভাস্বতী কলিতা, বিশাল চহৰীয়া, ভাৰ্গৱ কলিতা, দুলুপ্ৰিয়া দেৱী, চিৰঞ্জীৱ ডেকা, মৃদুৰীপ ডেকা, ঝৰ্ণাপ্ৰভা চহৰীয়া, টিনামণি চহৰীয়া, ময়ূৰী ডেকা, বেদস্মিতা ডেকাক অভিনন্দন জনায়। বিভিন্ন প্ৰতিকুলতাৰ মাজতো পূব মঙলদৈ শাখা সাহিত্য সভাই শাখা সাহিত্য সভাৰ সম্পাদকৰ প্ৰচেষ্টাত অসম সাহিত্য সভাৰ শতদল শাখাৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হোৱা বাবে পূব মঙলদৈ শাখা সাহিত্য সভাৰ সম্পাদক বিজয় কুমাৰ বৰুৱাক পূব মঙলদৈ শাখা সাহিত্য সভাৰ সভাপতি ধৰ্মেশ্বৰ কলিতাই ধন্যবাদ জনোৱাৰ লগতে দৰং জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি বৰদা শইকীয়া, সম্পাদক গৌতমানন্দ গোস্বামীয়ে শুভেচ্ছা জনায়। সভাত আদৰণী সমিতিৰ হৈ সূৰুয কলিতাই সকলোকে শলাগৰ শৰাই আগবঢ়ায়। ডেইজী কলিতাৰ গীত, সাগৰিকা কলিতা আৰু সংগীতা কলিতাৰ নৃত্যই উপস্থিত সকলোকে মনোৰঞ্জন দিয়ে।



# খৈৰাবাৰীত অযোধ্যাৰ ৰাম মন্দিৰৰ আৰ্হিত দুৰ্গা পূজা মণ্ডপ নিৰ্মাণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৭ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱলৈ মাজতে মাত্ৰ কেইটামান দিন বাকী। তাৰ মাজতে ব্যস্ততা বাঢ়িছে শিল্পী, কাৰিকৰসকলৰ লগতে উদ্‌যাপন সমিতিৰ। সমগ্ৰ ৰাজ্যৰ লগতে বৰপেটাৰোডতো চলিছে দুৰ্গোৎসৱৰ ব্যাপক প্ৰস্তুতি। বৰপেটাৰোডৰ প্ৰতিখন পূজা মণ্ডপত এতিয়া তীব্ৰ প্ৰস্তুতি দেখিবলৈ পোৱা গৈছে। তাৰ ভিতৰত উত্তৰ বৰপেটাৰোডৰ খৈৰাবাৰীত স্বৰ্ণজয়ন্তীত ভৰি দিয়া নৱোদয় সংঘ আৰু ছান লাইট ক্লাবৰ উদ্যোগত দুৰ্গা পূজা উদ্‌যাপন সমিতিয়ে এইবাৰ ১৫ লক্ষাধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিছে অযোধ্যাৰ ৰাম মন্দিৰৰ আৰ্হিৰ পূজা মণ্ডপ। এই পূজা মণ্ডপখনে ইতিমধ্যে ৰাইজৰ মাজত বিশেষ চৰ্চা লাভ কৰা দেখিবলৈ পোৱা গৈছে। জিলা প্ৰশাসনে বান্ধি দিয়া নীতি-নিয়ম অনুসৰি এইবাৰ বাঁহ, কাঠ, আৰু প্লাইবোৰ্ডেৰে নিৰ্মাণ কৰা হৈছে ৰাম মন্দিৰৰ আৰ্হিত পূজা মণ্ডপ। ৰাম মন্দিৰৰ আৰ্হিৰ পূজা মণ্ডপটো তিনি-চাৰি দিনৰ ভিতৰতে সম্পূৰ্ণ হ'ব বুলি জানিব দিয়ে মণ্ডপ নিৰ্মাণ কৰি থকা শিল্পীসকলে।

# পৰ্বতঝোৰাত চাৰি শতাধিকৰ বিজেপিত যোগদান

**দৈনন্দিন বাৰ্তা সেৱা, ধুবুৰী, ২৭ ছেপ্টেম্বৰ ঃ** পৰ্বতঝোৰা মহকুমাৰ কাজিগাঁৱত থকা সমূহীয়া ভৱনত দেওবাৰে পৰ্বতঝোৰা বিজেপি দলৰ অনুসূচিত জনজাতি মৰ্চাৰ উদ্যোগত যোগদান কাৰ্যসূচীত বিভিন্ন দল-সংগঠনৰ পৰা চাৰি শতাধিক লোকে বিজেপি দলত যোগদান কৰে। পৰ্বতঝোৰা বিজেপি দলৰ জনজাতি মৰ্চাৰ উদ্যোগত অনুষ্ঠিত এই যোগদান কাৰ্যসূচীত পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত দেবীতোলা, মংলাঝোৰা, মদাতি, বাঁশবাৰী, গুমা অঞ্চলৰ পৰা এই যোগদান কাৰ্যসূচীত বিজেপি দলৰ কাম-কাজৰ প্ৰতি আকৰ্ষিত হৈ এই বৃহৎসংখ্যক লোকে বিজেপি দলত যোগদান কৰে বুলি জানিবলৈ দিয়ে। এই উপলক্ষে অনুষ্ঠিত যোগদান কাৰ্যসূচীত ভৈয়াম জনজাতি উন্নয়ন নিগমৰ উপাধ্যক্ষ বনমন্ত্ৰীৰ কুমাৰ মুছাহাৰীয়ে কয় যে বিজেপি দলৰ প্ৰতি আকৃষ্ট হৈ পৰ্বতঝোৰা অঞ্চলত বিশেষকৈ বসবাস কৰা বড়ো, ৰাভা, গাৰো আদি ট্ৰাইবেল লোকসকলে বিজেপি দলৰ নেতৃত্বত থকা চৰকাৰৰ কাম-কাজৰ প্ৰতি আকৃষ্ট হৈ এইদৰে বিজেপি দলক আঁকোৱালি লৈছে। এই উপলক্ষত অনুষ্ঠিত যোগদান সভাখনত উপস্থিত থাকে বিজেপি দলৰ ৰাজ্যিক জনজাতি মৰ্চাৰ সভাপতি শিৱনাথ ব্ৰহ্ম, কোকৰাঝাৰ জিলা বিজেপি দলৰ সভাপতি ৰাজকুমাৰ ব্ৰহ্ম, কোকৰাঝাৰ জিলাৰ প্ৰভাৰী বনদীপ ডেকা, পৰ্বতঝোৰা বিজেপি দলৰ মণ্ডল সভাপতি সৰ্বেশ্বৰ ৰাভা, পৰ্বতঝোৰা বিজেপিৰ দলৰ নেতা জয়দীপ বসুমতাৰীৰ লগৰে বিজেপি দলৰ আন নেতাসকল উপস্থিত থাকে।

# শ্বহীদ অনিল বৰাৰ ৫০ সংখ্যক স্মৃতি দিৱসৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** ১৯৭২ চনৰ মাধ্যম আন্দোলনে চলিত বৰ্ষত ৫০ বছৰত পদাৰ্পণ কৰিছে। এই আন্দোলনত সেই সময়ৰ সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আৰু নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক তথা নগাঁৱৰ পলাশনিৰ অনিল বৰা শ্বহীদ হৈছিল। ১৯৭২ চনৰ ৭ অক্টোবৰত অবিভক্ত নগাঁও জিলাৰ হোজাইত প্ৰতিভাৱান ছাত্ৰ নেতা অনিল বৰাক দুৰ্বৃত্তই নৃশংসভাৱে হত্যা কৰিছিল। এইগৰাকী শ্বহীদ অনিল বৰাৰ ৫০ বছৰীয়া স্মৃতিচাৰণ দিৱসটি পলাশনি সাংস্কৃতিক আৰু ক্ৰীড়া সন্থাৰ উদ্যোগত পলাশনিত অহা ৭ আৰু ৮ অক্টোবৰত দুদিনীয়াকৈ উদ্‌যাপনৰ দিহা কৰা হৈছে। ৭ অক্টোবৰৰ পুৱা পলাশনিৰ সাংস্কৃতিক আৰু ক্ৰীড়া সন্থাৰ সভাপতি সদানন্দ বৰাৰ দ্বাৰা পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা হ'ব। ইয়াৰ পিছতে শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰিব শ্বহীদ ভাতৃ অপূৰ্ব কুমাৰ বৰাই। দিনৰ ১১ বজাত এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰিব উদ্যোগমন্ত্ৰী বিমল বৰাই। দুপৰীয়া নাম প্ৰসংগ আৰু বিয়লি সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া স্থানীয় শিল্পীৰ দ্বাৰা 'সীতাহৰণ' অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হ'ব। ভাওনা উদ্বোধন কৰিব বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। ৮ অক্টোবৰৰ পুৱা শিশুসকলৰ মাজত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে বিয়লি ভোলানাথ শইকীয়াৰ সঞ্চালনাত 'উচ্চ শিক্ষা আহৰণত অসমীয়া মাধ্যম অন্তৰায় নহয়' শীৰ্ষক এখনি মুকলি আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া প্ৰদৰ্শন হ'বলগা মঞ্চনাটক 'বাজী' উদ্বোধন কৰিব নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। শ্বহীদ দিৱসটি সফল কৰি তুলিবলৈ সন্থাৰ তৰফৰ পৰা ৰাইজলৈ আহ্বান জনাইছে।

# ৰংদৈ বিপুল দত্তৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা বাহনা, ২৭ ছেপ্টেম্বৰ ঃ** ৰংদৈ বামুণগাঁও নিৱাসী বিপুল দত্তৰ (৪৮) ২৫ ছেপ্টেম্বৰত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধিন অৱস্থাত চিকিৎসকে মৃত বুলি ঘোষণা কৰে। কিছুদিন হৃদৰোগত আক্ৰান্ত হৈ থকা মৃত ব্যক্তিজনে মাতৃ, পত্নী, এটি ১২ বছৰীয়া ল'ৰা আৰু দুজন ভাতৃ, ভগ্নী আৰু বহুতো আত্মীয়ক ইহ সংসাৰত এৰি যায়। কৰ্মসূত্ৰে যোৰহাট হাবিচুকত স্থায়ীকৈ বসবাস কৰি থকা বিপুলৰ মৃত্যুত হাবিচুক অঞ্চলবাসী ৰাইজ, ৰংদৈবাসী আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে গভীৰ শোক প্ৰকাশ কৰে।

■ বনাঞ্চলৰ মাটি বেদখল কৰি চাহ বাগিচা স্থাপন ■

# বেদখলমুক্ত কৰিবলৈ চৰকাৰক আহ্বান কাকপথাৰ প্ৰেছ ক্লাবৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২৭ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা বন সংমণ্ডলৰ অধীনস্থ কেইবাখনো বনাঞ্চলত এচাম সুবিধাবাদীয়ে বনাঞ্চলৰ মাটিত অবৈধভাৱে ঘৰ-দুৱাৰ সজাৰ লগতে চাহ বাগিচা পৰ্যন্ত স্থাপন কৰাৰ সন্দৰ্ভত কালি চৰজমিন অনুসন্ধানৰ হেতু কাকপথাৰ প্ৰেছ ক্লাবৰ এটা চাৰিজনীয়া দলে কাকপথাৰ আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ এটি দলৰ সহযোগত নামহোলোং বনাঞ্চলত উপস্থিত হৈ বনাঞ্চলৰ ভিতৰত চাহ বাগান প্ৰতিষ্ঠা কৰা প্ৰত্যক্ষ কৰে। বন বিভাগে চলিত বিত্তীয় বৰ্ষত বনাঞ্চলখনত পঁচিশ হেক্টৰ মাটিত বন বিভাগে APFDC আঁচনিৰ অধীনত JFMCৰ জৰিয়তে প্ৰায় ষাঠি হাজাৰ ফল-মূলকে ধৰি বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰে যদিও দুজন লোকে বনাঞ্চলৰ মাটি বেদখল কৰি স্থাপন কৰা চাহ বাগানৰ মাজত গছপুলি ৰোপণ কৰিবলগা হয়। এই সন্দৰ্ভত কাকপথাৰ বন কাৰ্যালয়ৰ বন বিষয়া প্ৰাণেশ্বৰ দাসে জানিবলৈ দিয়া মতে চাহ বাগিচা লগোৱা ব্যক্তি দুজনক বন বিভাগে বাগিচা দুখনৰ ভিতৰত ৰোপণ কৰা গছপুলিসমূহ ডাঙৰ কৰাৰ বাবে যত্ন ল'বলৈ নিৰ্দেশ দিয়ে। বিষয়াগৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়া অনুসৰি নামহোলোং বনাঞ্চলৰ প্ৰায় চল্লিশ হেক্টৰ মাটি বহুকেইজন ব্যক্তিয়ে বেদখল কৰি চাহ বাগান স্থাপন কৰাৰ লগতে ঘৰ-দুৱাৰ সাজি বসবাস কৰাৰ সন্দৰ্ভত উৰ্দ্ধতন কৰ্তৃপক্ষক লিখিতভাৱে জনোৱাৰ লগতে উচ্ছেদৰ বাবে প্ৰয়োজনীয় খৰচৰ খচৰা বাজেট প্ৰস্তুত কৰি দাখিল কৰা হৈছে বুলি সাংবাদিকক অৱগত কৰে। বনাঞ্চলৰ মাটি বেদখল সন্দৰ্ভত কাকপথাৰ প্ৰেছ ক্লাবে বেদখলকৃত বনাঞ্চলৰ ভূমি উচ্ছেদ কৰি পৰ্যাপ্ত গছ-গছনি ৰোপণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক আহবান জনায়। সাংবাদিকৰ দলটোৱে কুমচাং বনাঞ্চলত জেএফএমচিয়ে পঁচিশ হেক্টৰ মাটিত ৰোপণ কৰা গছপুলিসমূহ পৰিদৰ্শন কৰি গছ লতাই আৱৰি ধৰা পুলিসমূহ চাফ-চিকুণ কৰিবলৈ আহবান জনায়।

# ঢকুৱাখনাৰ নৰ্মাল স্কুলত ৰাজীৱ বৰুৱাৰ কিতাপ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ২৭ ছেপ্টেম্বৰ ঃ** ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ অধীনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ডায়েট, বিটিচি, বিএড কলেজ আৰু নৰ্মাল স্কুলবোৰত চলি থকা ৰেগুলাৰ ডিএলএড ক'ৰ্ছৰ প্ৰথম ষান্মাসিকৰ পেপাৰ ক'ড-এছ ১.৭ৰ ছীলেবাছ অনুসৰি প্ৰস্তুত কৰা এখন কিতাপ-'কলা আৰু সৃজনীমূলক শিক্ষা-১' আজি নৰ্মাল স্কুল, ঢকুৱাখনাৰ সভাকক্ষত উন্মোচন কৰা হয়। এই কিতাপখন উন্মোচন কৰে ঢকুৱাখনা নৰ্মাল স্কুলৰ কলা আৰু সৃজনশীল শিক্ষা বিষয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক আনন্দ গগৈয়ে। গগৈয়ে তেওঁৰ বক্তব্যত-'নৰ্মাল স্কুল, ঢকুৱাখনাৰ অতিথি শিক্ষক ৰাজীৱ বৰুৱাই যথেষ্ট কষ্ট কৰি প্ৰস্তুত কৰা আৰু গুৱাহাটীৰ পাণবজাৰস্থিত জে এছ পাব্লিকেচনছে প্ৰকাশ কৰি উলিওৱা-'কলা আৰু সৃজনীমূলক শিক্ষা-১' শীৰ্ষক কিতাপখনে ডিএলএড অধ্যয়নৰত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীসকলৰ যথেষ্ট উপকাৰ সাধিব বুলি উল্লেখ কৰে। নৰ্মাল স্কুল, ঢকুৱাখনাৰ অধ্যক্ষ লক্ষী কোঁৱৰৰ সঞ্চালনাত আয়োজিত সভাত উপস্থিত থাকি কিতাপখনৰ লেখক ৰাজীৱ বৰুৱা, নৰ্মাল স্কুল, ঢকুৱাখনাৰ শিক্ষয়িত্ৰী পল্লৱী গগৈ আৰু অপৰাজিতা বুঢ়াগোহাঁয়েও বক্তব্য ৰাখে।

# সাহিত্যসেৱী লিটুমণি চেতিয়াক 'উত্তৰ-পূৰ্বাঞ্চল সাহিত্য প্ৰেৰণা বঁটা' প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৭ ছেপ্টেম্বৰ ঃ** সাহিত্য, কলা-সংস্কৃতি, শিক্ষা তথা সমাজ সেৱাৰ পথাৰখন লৈ নীৰৱে আগবঢ়োৱা সেৱাৰ স্বীকৃতিস্বৰূপে 'উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰেৰণা সমন্বয় উন্নয়ন চেৰিটেবল ট্ৰাষ্ট'এ বিভিন্নজনক প্ৰতিবছৰে উদ্‌গনিমূলক বঁটা প্ৰদান কৰি উৎসাহিত কৰি আহিছে। চলিত বৰ্ষৰ এই অনুষ্ঠান কালি দিছপুৰ প্ৰেছ ক্লাবত অনুষ্ঠিত হয়। অনুষ্ঠানত চেৰিটেবল ট্ৰাষ্টে কৃতী শিক্ষক তথা সাহিত্যসেৱী লিটুমণি চেতিয়াক 'উত্তৰ-পূৰ্বাঞ্চল সাহিত্য প্ৰেৰণা বঁটা-২০২২' প্ৰদান কৰে। উল্লেখ্য যে লিটুমণি চেতিয়াৰ যোৰহাটৰ দিগদৰ্শন প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত 'লীলাধৰৰ লীলা কথা'এখন জনপ্ৰিয় আৰু পাঠকৰ সমাদৃত গ্ৰন্থ। ইয়াৰ উপৰিও ভালেকেইখন গ্ৰন্থ প্ৰকাশ কৰি পাঠকৰ হাতত তুলি দিয়াৰ লগতে বহুকেইখন বাতৰি কাকতত নিয়মীয়াকৈ লিখি আহিছে লিটুমণি চেতিয়াই। বিশিষ্ট লেখক ড° যতীন্দ্ৰ নাথ ডেকাক জীৱনজোৰা সাধনা বঁটা আৰু সু-



গায়িকা নাহিদ আফ্ৰিনক 'শ্ৰেষ্ঠ গায়িকা শিল্পী প্ৰেৰণা বঁটা-২০২২' প্ৰদান কৰা অনুষ্ঠানত বিভিন্ন প্ৰান্তৰ মুঠ ২১জন লোকক বঁটা প্ৰদান কৰা হয়। এটি বৰগীতেৰে শুভাৰম্ভ অনুষ্ঠানত নাহিদ আফ্ৰিনে জয়ন্ত হাজৰিকাৰ এটি গীত পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে। বিশিষ্ট লেখক অঞ্জনজ্যোতি বেজ, অধ্যক্ষ হৰিপ্ৰসাদ দাস, ট্ৰাষ্টৰ সচিব প্ৰকাশ ডেকা, সহঃ সচিব ৰাজ্যিক কৃতী শিক্ষক বঁটাপ্ৰাপক অশ্বিনী কুমাৰ নাথ, পৰিচালন সচিব সবিতা বৰ্মন ডেকা আদি বিভিন্নজনৰ উপস্থিতিয়ে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# মৈৰাবাৰীত 'মৰিগাঁও জিলা দিৱস' উদ্‌যাপনৰ বাবে প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৭ ছেপ্টেম্বৰ ঃ** কালি মৰিগাঁও জিলাৰ মৈৰাবাৰী পাব্লিক লাইব্ৰেৰীৰ সভাকক্ষত ৰাষ্ট্ৰপতিৰ পুৰস্কাৰপ্ৰাপ্ত অৱসৰপ্ৰাপ্ত আদৰ্শ শিক্ষক আব্দুল গফুৰৰ সভাপতিত্বত 'মৰিগাঁও জিলা দিৱস' উদ্‌যাপনৰ বাবে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত এখনি গুৰুত্বপূৰ্ণ প্ৰস্তুতি সভা অনুষ্ঠিত হৈ যায়। সভাখনৰ মুখ্য আকৰ্ষণ লাহৰীঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই বান-খহনীয়া আক্ৰান্ত আৰ্থিকভাৱে পিছপৰা মৈৰাবাবাৰী অঞ্চলত মৰিগাঁও জিলাৰ প্ৰতিষ্ঠা দিৱসৰ প্ৰতি সংগতি ৰাখি অহা ১৩ আৰু ১৪ অক্টোবৰত উদযাপন কৰিব লগীয়া মৰিগাঁও জিলা দিৱস সাফল্যমণ্ডিত কৰি তুলিবলৈ কেনে ধৰণৰ কাৰ্যসূচী হাতত ল'ব লাগিব সেই সম্পৰ্কে বিতংকৈ আলোচনা কৰে। চক্ৰ বিষয়ৰ স্বৰাজ ভাৰত লাগাছুৱে জিলা দিৱসত স্থানীয় ইতিহাস প্ৰদৰ্শন কৰাত কোনো সমল যাতে বাদ পৰি নাযায় তাৰ প্ৰতি সজাগ থাকিবলৈ আহ্বান জনায়। অঞ্চলটোৰ গুৰুত্বপূৰ্ণ সভাখনত মৈৰাবাৰী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, বৰথল দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল কদ্দুছ, লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আমিনুল মল্লিক, মৈৰাবাৰী প্ৰেছ ক্লাবৰ সভাপতি মেহবুব মোক্তাৰ, মৈৰাবাৰী মহিলা সংঘৰ সভানেত্ৰী মিচিৰা বেগম, অসম মিঞা পৰিষদৰ প্ৰাক্তন সভাপতি এম জি হাজৰিকা আৰু অন্যান্য বক্তাসকলে বক্তব্য আগবঢ়ায়। মৈৰাবাৰী প্ৰেছ ক্লাব আৰু মৈৰাবাৰী জ্যেষ্ঠ নাগৰিকৰ যুটীয়া উদ্যোগত উদ্‌যাপন কৰিবলগীয়া দিৱসৰ কাৰ্যসূচী সফল কৰি তোলাৰ বাবে সভাত উপস্থিত থকা সকলোৱে প্ৰতিজ্ঞাবদ্ধ হোৱা দেখা যায়। সভাত সৌন্দৰ্যবৰ্ধন উপ-সমিতি, খাদ্য উপ-সমিতি, সাংস্কৃতিক উপ-সমিতি, সম্বৰ্ধনা উপ-সমিতি আদি উপ-সমিতি গঠন কৰাৰ লগতে চক্ৰ বিষয়াক সভাপতি আৰু মৈৰাবাৰী প্ৰেছ ক্লাবৰ সভাপতিক সাধাৰণ সম্পাদক হিচাপে লৈ এখন দিৱস উদ্‌যাপন সমিতি গঠন কৰে।

# নাওকাটাত অসম নাট্য সন্মিলনৰ প্ৰতিষ্ঠা দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** অসমৰ কলা, সাহিত্য আৰু সাংস্কৃতিক জগতৰ মহীৰূহ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ঐক্যান্তিক প্ৰচেষ্টা আৰু নেতৃত্বত ১৯৫৯ চনত বৰ অসমৰ বুকুত জন্ম লাভ কৰা অসম নাট্য সন্মিলনে অহা ২৭ ছেপ্টেম্বৰত ৬৪টা বৰ্ণিল বছৰত পদাৰ্পণ কৰিব। বাৰেবৰণীয়া সংস্কৃতিৰ ভঁৰাল বৰ অসমত অসম নাট্য সন্মিলনে ৬৩ বছৰ অতিক্ৰম কৰি সামগ্ৰিকভাৱে সংস্কৃতিৰ বিশাল পথাৰখনক উৰ্বৰা কৰি বহু প্ৰতিভাক বিকশিত কৰা আৰু সামাজিক দায়বদ্ধতাৰ স্বাৰ্থহীন কৰ্মৰাজিৰে অসমৰ ৰাইজৰ মাজত সমাদৰ লাভ কৰা অসম নাট্য সন্মিলনৰ ৬৪সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ২৭ ছেপ্টেম্বৰ তাৰিখে দিনজোৰা কাৰ্যসূচীৰে তামুলপুৰ জিলাৰ নাওকাটাত নাওকাটা শাখাৰ উদ্যোগত উদ্‌যাপন কৰা হ'ব। অসম নাট্য সন্মিলনৰ প্ৰধান সম্পাদক গীৰিধৰ ৰয় আৰু প্ৰচাৰ কোষৰ সভাপতি যুগান্ত বায়নে প্ৰকাশ কৰা কাৰ্যসূচী অনুসৰি সেইদিনা ৰাতিপুৱা ৮ বজাত পৰিৱেশ নিকাকৰণৰ জৰিয়তে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰা হ'ব। পুৱা ৯ বজাত নাট্য সন্মিলনৰ পতাকা উত্তোলন কৰিব সভাপতি কুমাৰ দীপক দাসে। স্মৃতি তৰ্পণ কৰিব কাৰ্য্যকৰী সভাপতি মাণিক গোস্বামীয়ে দিনৰ ১০ বজাৰ পৰা হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব বিটিআৰৰ পৰিবহণ বিভাগৰ কাৰ্যবাহী সদস্য ৰণেন্দ্ৰ নাৰ্জাৰীয়ে। কুমাৰ দীপক দাসৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকিব তামুলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰী। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মা, সংবাদিক তথা নাট সমালোচক অতুল মজুমদাৰ আৰু নাওকাটা মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰবিৰাম ব্ৰহ্ম। দিনৰ ১২ বজাত নৃত্য আৰু নাট্যানুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলনেৰে প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানৰ সামৰণি পৰিব। অসম নাট্য সন্মিলনে ২৭ ছেপ্টেম্বৰৰ প্ৰতিষ্ঠা দিৱসৰ সকলো কাৰ্যসূচীত তামুলপুৰ জিলাৰ সকলো শ্ৰেণীৰ ৰাইজক সহায়-সহযোগ আগবঢ়াবলৈ আহ্বান জনাইছে।

# যোগীঘোপাৰ চলন্তাপাৰা আঞ্চলিক দুৰ্গা পূজাত প্ৰশাসনৰ নিষেধাজ্ঞা, ১৪৪ ধাৰা জাৰি

## *দুয়োখন সমিতিক পূজাথলীত প্ৰৱেশ নিষেধ*

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২৭ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ চলন্তাপাৰা আঞ্চলিক দুৰ্গা মন্দিৰৰ পূজাস্থলীত উত্তৰ শালমাৰা মহকুমা প্ৰশাসনে এইবেলি ১৪৪ ধাৰা জাৰি কৰিছে। দুৰ্গা পূজা অনুষ্ঠিত কৰাক লৈ দুটা ফৈদৰ মাজত সংঘাতৰ সৃষ্টি হয়। ফলত মহকুমা প্ৰশাসনে এই পদক্ষেপ গ্ৰহণ কৰে। জানিব পৰা মতে, চলন্তাপাৰা আঞ্চলিক দুৰ্গা মন্দিৰত এইবেলি দুৰ্গা পূজা অনুষ্ঠিত কৰাৰ বাবে দুটা ফৈদে দুখনকৈ সমিতি গঠন কৰে। সমিতি দুখনে পূজা অনুষ্ঠিত কৰাৰ বাবে উত্তৰ শালমাৰা মহকুমা প্ৰশাসনৰ ওচৰত অনুমতি বিচাৰি আবেদন কৰিছিল। একেখন পূজা লৈ চলন্তপাৰা সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা পৰিচালনা সমিতি আৰু সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উৎসৱ সমিতি গঠন কৰি দুয়ো ফৈদৰ মাজত দীৰ্ঘদিনৰ পৰা সংঘাত সৃষ্টি হয়। ঘটনাটো মীমাংসা কৰিবলৈ উত্তৰ শালমাৰা মহকুমা প্ৰশাসনে মহকুমাৰ কাৰ্যবাহী দণ্ডাধীশ তন্ময় ঘোষৰ তৎপৰতাত যোগীঘোপা আৰক্ষীৰ সহযোগত দুয়োখন সমিতিৰ মাজত আলোচনা হয় যদিও মীমাংসা নোহোৱাৰ ফলত বিফল হয় আলোচনা। প্ৰশাসনে ঘটনাটো মীমাংসা কৰিবলৈ অপ্ৰাণ চেষ্টা চলায় যদিও দুয়োপক্ষৰ আঁকৰগোঁজ মনোভাৱৰ বাবে ব্যৰ্থ হয়। সেয়ে উক্ত মন্দিৰত শান্তি শৃংখলা ভংগ হোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ শালমাৰা মহকুমা প্ৰশাসনে মন্দিৰ চৌহদত ১৪৪ ধাৰা জাৰি কৰে। আনহাতে দুয়োটা পূজা সমিতিক পূজা পতা তথা পূজাথলীত প্ৰৱেশত নিষেধাজ্ঞা আৰোপ কৰে প্ৰশাসনে। উত্তৰ শালমাৰা মহকুমাৰ মহকুমাধিপতি তথা দণ্ডাধীশ পাৰ্থ সাৰথি জহৰীয়ে জাৰি কৰে এই নিৰ্দেশনা। উল্লেখ্য যে এখন পূজা সমিতিৰ সভাপতি আছিল অভয়াপুৰী দক্ষিণ সমষ্টিৰ প্ৰাক্তন বিধায়ক অনন্ত কুমাৰ মালো। জনা মতে, চলন্তাপাৰা আঞ্চলিক দুৰ্গা মন্দিৰৰ সমিতিত বিগত প্ৰায় আঠ বছৰৰ পৰা প্ৰাক্তন বিধায়ক অনন্ত কুমাৰ মালোই সভাপতি আৰু টিকেন কলিতাই সম্পাদক হিচাপে আছিল। এইবেলি পূজাত পুৰণি সমিতি বাহাল ৰখাত একাংশ লোক ক্ষুব্ধ হৈ পৰে। পিছত স্থানীয় একাংশ লোকে পুৰণি সমিতিখন ভংগ কৰি হিতেশ্বৰ মালোক সভাপতি আৰু খনীন্দ্ৰ কলিতাক সম্পাদক হিচাপে লৈ নতুনকৈ আন এখন সমিতি গঠন কৰে। দুয়োখন সমিতিয়ে সমান্তৰালভাৱে একেখন পূজা অনুষ্ঠিত কৰাৰ বাবে উত্তৰ শালমাৰা মহকুমাৰ ওচৰত অনুমতি বিচাৰি আবেদন কৰিছিল। এই লৈ দুয়োখন সমিতিৰ মাজত তীব্ৰ সংঘাত সৃষ্টি হয়। ফলত মহকুমা প্ৰশাসনে কে'বাবাৰো দুয়োখন সমিতিৰ সৈতে আলোচনা কৰে যদিও কোনোধৰণৰ সুফল লাভ নকৰাত প্ৰশাসনে এনে কঠোৰ পদক্ষেপ গ্ৰহণ কৰে। বিষয়টো ধৰ্মপ্ৰাণ ৰাইজৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জনা মতে এইবেলি প্ৰশাসনৰ তত্ত্বাৱধানত অনুষ্টুপীয়াকৈ পূজা অনুষ্ঠিত হ'ব। সেয়েহে সকলো ধৰ্মপ্ৰাণ ৰাইজক সৰ্বতোপ্ৰকাৰে সহায়-সহযোগিতাৰ আহ্বান জনাইছে।

# অসমৰ সেনাৰ কেৰালাত মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৭ ছেপ্টেম্বৰ ঃ** অসমৰ এজন সেনা জোৱানৰ মৃত্যুত শোকস্তব্ধ হৈ পৰিছে ৰহাৰ ডিমৌ অঞ্চল। সামৰিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হয় সেনা জোৱানজনৰ। সেনা জোৱানজনৰ নাম যতীন পাটৰ। ডিমৌৰ সেনা জোৱানজনে কিছু বছৰৰ আগতে সেনবাহিনীৰ পৰা অৱসৰ লৈ আহে যদিও পিছত পুনৰ সেনাবাহিনীৰ 119 TA Assam Next defence security crops [DSC] হাবিলদাৰ পদত যোগদান কৰি কেৰালাত কৰ্মৰত অৱস্থাত আছিল। কিন্তু অৱসৰ ল'বলৈ মাত্ৰ সাত দিন থকা অৱস্থাত দেওবাৰে হৃদৰোগত আক্ৰান্ত হৈ কৰ্মৰত অৱস্থাতে মৃত্যু হয় জোৱানজনৰ। কালি বিয়লি সেনা জোৱানজনৰ মৃতদেহ সামৰিক মৰ্যাদাৰে ডিমৌৰ নিজা বাসগৃহলৈ অনাৰ লগে লগে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। অঞ্চলৰ অগণন লোকে জোৱানজনৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। পিছত ৰাইজৰ সহযোগত সামৰিক মৰ্যাদাৰে জোৱানজনৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# পৰ্বতঝোৰাৰ জংগীৰকিল্লাত চোৰাং গৰু জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা গৌৰীপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** আৰক্ষীৰ কটকটীয়া নিৰাপত্তাৰ মাজতো গৰুৰ ছিণ্ডিকেট অব্যাহত আছে পৰ্বতঝোৰাত। পৰ্বতঝোৰা মহকুমাৰ বনাঞ্চলত অবৈধ চোৰাং গৰুৰ ৰমৰমীয়া বেহা। গৰুৰ চোৰাং কাৰবাৰীয়ে নিদ্ৰাহৰণ কৰিছে অসম আৰক্ষীৰ। যাৰ ফলত গাঁওৰক্ষী বাহিনীৰ অশেষ প্ৰচেষ্টাত অবৈধ চোৰাং গৰু জব্দ কৰিবলৈ সক্ষম হয়। বিটিআৰৰ কোকৰাঝাৰ জিলাৰ বগৰীবাৰী আৰক্ষী থানাৰ জংগীৰকিল্লা গাঁৱৰ গাঁওৰক্ষী বাহিনীয়ে পৰ্বতঝোৰা বনাঞ্চলৰ পৰা অবৈধ চোৰাং চাৰিটা গৰু জব্দ কৰিবলৈ সক্ষম হয় যদিও গৰু সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হোৱা নাই। জব্দকৃত গৰু চাৰিটা বগৰীবাৰী আৰক্ষীক গতাই দিয়ে। পৰ্বতঝোৰা মহকুমাত আজিও অবৈধ চোৰাং গৰুৰ বেহা ৰমৰমীয়া কৈ চলি থকাত আশ্চৰ্য প্ৰকাশ কৰিছে সচেতন মহলে। পৰ্বতঝোৰাত গৰুৰ ছিণ্ডিকেট বন্ধ হ'ব কেতিয়া।

# মৰিগাঁৱত ২৭ টাকৈ চোৰাং গৰু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেছামাৰী, ২৭ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভেলৌগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ভজাইখাটী ব্ৰহ্মপুত্ৰ নদীৰ ঘাটত দেওবাৰে নিশা মৰিগাঁও আৰক্ষীৰ চোৰাংচোৱা আৰু ভেলৌগুৰি আৰক্ষীয়ে যৌথভাৱে অভিযান চলাই ২৭টা গৰুসহ ১১জন সন্দেহজনক চোৰাং গৰু ব্যৱসায়ীক আটক কৰাৰ লগতে আৰক্ষীৰ দলটোৱে চোৰাং গৰুৰ ব্যৱসায়ত ব্যৱহৃত এখন যন্ত্ৰচালিত নাও জব্দ কৰে। মহাবাহু ব্ৰহ্মপুত্ৰ এতিয়া হৈ পৰিছে চোৰাং ব্যৱসায়ীসকলৰ হটস্পট। মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুৰে নিতৌ যন্ত্ৰচালিত নাৱেৰে দৰং, মঙলদৈ, শোণিতপুৰৰ পৰা মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ লগতে দাঁতি-কাষৰীয়া অঞ্চললৈ চোৰাং গৰু, মূল্যৱান কাঠ আদিৰ লগতে অবৈধ সামগ্ৰীৰ ৰমৰমীয়া সৰবৰাহ কৰা বুলিও ৰাইজে অভিযোগ উত্থাপন কৰিছে। ৰাইজৰ অভিযোগ ব্ৰহ্মপুত্ৰৰ দাঁতি- কাষৰীয়া অঞ্চলৰ এটা দুষ্ট চক্ৰৰ দ্বাৰাই পৰিচালিত হয় এই সমগ্ৰ ব্যৱসায়। তাৰে কোনোবা যদি গাঁওৰক্ষী বাহিনীৰ সভাপতি কোনোবা আকৌ সম্পাদক। গাঁওৰক্ষী বাহিনীৰ সভাপতি, সম্পাদকসকলৰ আছে কে'বাখনো যন্ত্ৰচালিত নাও আৰু এই নাওসমূহেৰে মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুৰে চলি আছে অবৈধ সামগ্ৰীৰ সৰবৰাহ। এই ক্ষেত্ৰত আৰক্ষী প্ৰশাসনে নীৰৱতা অৱলম্বন কৰাত সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# বোকাখাতত গোলাঘাট জিলা কবি সন্মিলনৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ২৭ ছেপ্টেম্বৰ ঃ** ২৫ ছেপ্টেম্বৰত বোকাখাত মহকুমা কবি সন্মিলনৰ আতিথ্যত গোলাঘাট জিলা কবি সন্মিলনৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনখনি নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহ অনুষ্ঠিত হয়। তদুপলক্ষে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত অধিৱেশনৰ পুৱা পতাকা উত্তোলন কৰে গোলাঘাট জিলা কবি সন্মিলনৰ সভাপতি নৰেন শইকীয়াই। ইয়াৰ পাছতে সদৌ অসম কবি সন্মিলনৰ প্ৰতিষ্ঠাপক ৰাম গগৈ আৰু সদ্য প্ৰয়াত কমাৰগাঁৱৰ গণবন্ধুখ্যাত কবি, সমাজকৰ্মী হেমেন চন্দ্ৰ হাজৰিকাৰ প্ৰতিছবিত বন্তি প্ৰজ্বলন কৰে গোলাঘাট জিলাৰ উদ্যোগপতি তথা গোলাঘাট জিলা কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি ৰাখি দত্ত শইকীয়াই। স্মৃতি তৰ্পণ কৰে নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি সংগীতা ৰাভাই। প্ৰতিনিধি সভাত সভাপতিত্ব কৰে গোলাঘাট জিলা কবি সন্মিলনৰ সভাপতি নৰেন শইকীয়াই। উক্ত প্ৰতিনিধি সভাখনি উদ্বোধন কৰে গোলাঘাট জিলা কবি সন্মিলনৰ উপ-সভাপতি দিলীপ কুমাৰ শৰ্মাই। এই প্ৰতিনিধি সভাৰ প্ৰাকক্ষণত গোলাঘাট জিলা কবি সন্মিলনৰ প্ৰাক্তন বিষয়ববীয়াক এখনিকৈ গামোচা আৰু স্নেহ-পত্ৰৰে



সম্ভাষণ জনোৱা হয়। অনুষ্ঠানটিৰ আঁত ধৰে জিলা কবি সন্মিলনৰ সম্পাদক দীপ হেষ্টিং বৰি আৰু বোকাখাত মহকুমা কবি সন্মিলনৰ সম্পাদক অজন্তা তালুকদাৰে। উক্ত সভাতে গোলাঘাট জিলা কবি সন্মিলনৰ নতুন সমিতিখন গঠন কৰা হয়। ড° প্ৰণৱ ঢেকিয়াল ফুকনক সভাপতি, অমৰ শৰ্মাক কাৰ্যকৰী সভাপতি, দীপ হেষ্টিং বৰিক সম্পাদক, পৰাগ বৰুৱা, হেমা চৌধুৰী গগৈ, জয়ন্ত মাধৱ মৰাণক সহ সম্পাদক, জুৰি সন্দিকৈক সাংগঠনিক সম্পাদক, ক্ৰমে মৃদুস্মিতা শৰ্মা আৰু স্বাগতা বৰাক যুটীয়া পত্ৰিকা সম্পাদক আৰু অজন্তা তালুকদাৰক কোষাধ্যক্ষ হিচাপে লৈ চতুৰ্থ দ্বি-বাৰ্ষিক জিলা সমিতিখন গঠন কৰে। বিয়লি মুকলি সভা, বঁটা প্ৰদান অনুষ্ঠান আৰু গণবন্ধু হেমেন চন্দ্ৰ হাজৰিকা সোঁৱৰণি আমন্ত্ৰিত কবি সন্মিলন অনুষ্ঠিত হয়। নৰেন শইকীয়াৰ সভাপত্বিত মুকলি সভা অনুষ্ঠিত হয়। কবি সন্মিলন উদ্বোধন কৰে গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেশ্বৰ শইকীয়াই। উক্ত সভাতে গোলাঘাট জিলা কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি তথা কেন্দ্ৰীয় উপ-সভাপতি ৰাজুমণি বেজবৰুৱালৈ ধীৰেন্দ্ৰ চন্দ্ৰ সোঁৱৰণী বঁটা আৰু গণকবি আশোক দাস সোঁৱৰণি বঁটা গোলাঘাট জিলা কবি সন্মিলনৰ উপসভাপতি দিলীপ কুমাৰ শৰ্মাক প্ৰদান কৰা হয়। লগতে কবি সন্মিলনৰ শ্ৰেষ্ঠ সংগঠকৰ বঁটা গোলাঘাট জিলা কবি সন্মিলনৰ সাংগঠনিক সম্পাদক হেমা চৌধুৰী গগৈক আৰু শ্ৰেষ্ঠ পত্ৰিকাৰ বঁটা বোকাখাত মহকুমা কবি সন্মিলনৰ মুখপত্ৰ 'বাট চ'ৰা'ৰ সম্পাদক অজন্তা তালুকদাৰক প্ৰদান কৰা হয়। উক্ত বঁটাৰ লগত থাকে একোখনিকৈ সুঁফৰা, চেলেং, স্মাৰক আৰু সম্বৰ্ধনা-পত্ৰ। সভাত আইৰিণ গগৈয়ে গীত পৰিৱেশন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। অধিৱেশনত আদৰণী সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে মহেন শইকীয়া আৰু অমৰ শৰ্মা, বোকাখাত মহকুমা কবি সন্মিলনৰ উপদেষ্টা কল্পনা চেতিয়া, সভাপতি নিজৰা বৰঠাকুৰ, কাৰ্যকৰী সভাপতি মিনতি দলে, পত্ৰিকা সম্পাদক মৃদুস্মিতা শৰ্মা, সহঃ সম্পাদকদ্বয় ক্ৰমে ৰিজুমণি বৰা হাজৰিকা আৰু পংকজ কালিন্দী, বিষয়ববীয়া শৰৎ হাজৰিকা আৰু কাৰ্যনিৰ্বাহক সদস্য মনালিছা পপী শইকীয়া, প্ৰাক্তন সম্পাদক মনালিছা শইকীয়া আদি, গোলাঘাট জিলা কবি সন্মিলনৰ বিষয়ববীয়াসকল ক্ৰমে পাৰিজাত বৰুৱা, বন্দনা দত্ত, নীলিমা বৰা, হেমা চৌধুৰী গগৈ, জুৰি সন্দিকৈ, স্বাগতা বৰা, প্ৰাক্তন জিলা সম্পাদক পাৰ্থপ্ৰতিম শইকীয়া আদি, কেওটা জিলা শাখাৰ সভাপতি, সম্পাদক আৰু বিষয় ববীয়া, নুমলীগড়ৰ সাংবাদিকদ্বয় ক্ৰমে ভবানন্দ কলিতা আৰু প্ৰদীপ বৰা, বিশিষ্ট নাট্যকৰ্মীদ্বয় অনুপ তামুলী আৰু জয়প্ৰকাশ সোণাৰি, বিশিষ্ট সাংস্কৃতিক কৰ্মীদ্বয় অৰুণ গগৈ আৰু বীৰেণ দাস, জিলা শিক্ষা খণ্ড সমল ব্যক্তি প্ৰদীপ শৰ্মা, গ্ৰাছ বোকাখাতৰ সভাপতি অংকুৰ বৰঠাকুৰ, শ্বাশ্বতী লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা দীপ্তিৰেখা গগৈ আৰু বিষয় ববীয়াদ্বয় ক্ৰমে চিম্পকী বৰদলৈ আৰু পাপৰি দত্ত আদিৰ লগতে বহু সংখ্যক স্থানীয় গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বোকাখাত মহকুমা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি অমৰ শৰ্মাই। শেষত কাব্যমন্ত্ৰ পাঠেৰে অনুষ্ঠানৰ সামৰণি পৰে।

### যুৱতীৰ সাহসিকতাক বিভিন্নজনৰ শলাগ

## বিমানসেৱিকাই আটক কৰি আৰক্ষীক চমজালে ধৰ্ষণকাৰীক

**নতুন দিল্লী, ২৭ ছেপ্টেম্বৰ ঃ** নিজৰ ঘৰতেই ধৰ্ষণৰ বলি হয় এগৰাকী বিমানসেৱিকা (এয়াৰ হোষ্টেছ)। অভিযোগ কৰা হৈছে যে সুৰাসক্ত অৱস্থাত থকা সময়ত অভিযুক্ত হৰজিৎ যাদৱে ফ্লেটটোত প্ৰৱেশ কৰিছিল আৰু বিমান সেৱিকাগৰাকীক ধৰ্ষণ কৰিছিল। দিল্লীৰ খানপুৰৰ বাসিন্দা হৰজিৎ যাদৱ হ'ল এটা ৰাজনৈতিক দলৰ ব্লক সভাপতি। আৰক্ষীয়ে ইতিমধ্যে অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। ঘটনাটো দক্ষিণ দিল্লীৰ মেহৰৌলি অঞ্চলত সংঘটিত হৈছিল। এই ঘটনাই ৰাজধানী দিল্লীত চাঞ্চল্যৰ সৃষ্টি কৰিছে। লগতে ৰাজধানীত নাৰী তথা যুৱতীৰ নিৰাপত্তাহীনতা পুনৰবাৰ প্ৰতিফলিত হোৱা বুলি একাংশই আঙুলিয়াই দিছে। জানিব পৰা গৈছে যে ঘটনাৰ ভুক্তভোগীয়ে অভিযুক্তক তেওঁৰ ফ্লেটত বন্দী কৰি ৰাখিছিল। ভুক্তভোগীয়ে আৰক্ষীক জনাইছে যে তেওঁ ডেৰ মাহ আগতে হৰজিতক লগ পাইছিল।হৰজিতে দেওবাৰে নিশা নিচাগ্ৰস্ত অৱস্থাত ফ্লেটলৈ আহিছিল আৰু তেওঁক বলপূৰ্বক ধৰ্ষণ কৰিছিল। ভুক্তভোগীয়ে হৰজিতক ফ্লেটত বন্দী কৰি ১১২ ডায়েল কৰিছিল আৰু ঘটনাটোৰ বিষয়ে আৰক্ষীক অৱগত কৰিছিল। ফোন পোৱাৰ পিছত অতি শীঘ্ৰেই আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু



হৰজিতক গ্ৰেপ্তাৰ কৰে। দিল্লী আৰক্ষীৰ ডেপুটি কমিছনাৰ (দক্ষিণ) চন্দন চৌধুৰীয়ে কয় যে দেওবাৰে মেহৰৌলি আৰক্ষী থানালৈ এটা ফোন আহিছিল। ধৰ্ষণৰ অভিযোগ তুলি ফোনটো আহিছিল। আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু অভিযুক্তক গ্ৰেপ্তাৰ কৰে। অভিযুক্তজনৰ বিৰুদ্ধে বিভিন্ন ধাৰাৰ অধীনত গোচৰ ৰুজু কৰা হৈছে। আদালতে অভিযুক্তক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। নিজৰ জীৱনকো তুচ্চ কৰি বিমান সেৱিকাগৰাকীয়ে অভিযুক্ত ব্যক্তিক আৱদ্ধ কৰি ৰাখি আৰক্ষীৰ সহায় লোৱাৰ বাবে ভয়ানক দুৰ্ঘটনাৰ পৰা তেওঁ ৰক্ষা পৰা বুলিব পাৰি। কিন্তু ইয়াৰ মাজতো তেওঁৰ এই তাৎক্ষণিক আৰু সাহসী সিদ্ধান্তক লৈ বিভিন্নজনে শলাগ লোৱা দেখা গৈছে। কি কাৰণত ৰাজনৈতিক দলৰ এজন কৰ্মীয়ে এনে জঘন্য ঘটনাত নিজক জড়িত কৰিলে তাক লৈ বিভিন্ন মহলত সৰৱ চৰ্চা চলিছে।



*মৃত্যুৰ আঢ়ৈ মাহৰ পিছত জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বিনজু এবেৰ শেষকৃত্য সম্পন্ন কৰা হয় ৰাজধানী টকিঅ'ত মঙলবাৰে। যোৱা ৮ জুলাইত দুবৃত্তৰ গুলীত নিহত প্ৰাক্তন প্ৰধানমন্ত্ৰীজনৰ শেষকৃত্যত ২১৭ খন দেশৰ প্ৰতিনিধি উপস্থিত আছিল, ছবিত দেখা গৈছে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিদায়ী বন্ধুলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰিছে, টকিঅ'ত*

## বৰেণ্য অভিনেত্ৰী আশা পাৰেখলৈ দাদাচাহেব ফাল্কে বঁটা



**নতুন দিল্লী, ২৭ ছেপ্টেম্বৰ ঃ** বলীউদৰ বৰ্ষীয়ান অভিনেত্ৰী আশা পাৰেখক প্ৰদান কৰা হ'ব দাদাচাহেব ফালকে বঁটা। ভাৰতীয় চলচ্চিত্ৰ উদ্যোগলৈ তেওঁৰ অসামান্য অৱদানৰ বাবে এই সৰ্বোচ্চ সন্মান লাভ কৰিব। শেষবাৰৰ বাবে ২০১৯ চনত এই বঁটা প্ৰদান কৰা হৈছিল। যোৱা দুবছৰত কৰোনাৰ বাবে এই বঁটা ঘোষণা কৰা হোৱা নাছিল। কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰে এই কথা জানিবলৈ দি কয়, ''আশা পাৰেখে এই বছৰ দাদাচাহেব ফালকে বঁটা লাভ কৰিব।'' 'আসমান' বোলছবিৰ জৰিয়তে বলীউডত আত্মপ্ৰকাশ কৰিছিল আশা পাৰেখে। তেওঁৰ জনপ্ৰিয় চলচ্চিত্ৰসমূহৰ ভিতৰত আছে 'দো বদন', 'উপকাৰ', 'কাৰাভান', 'দিল দেকে দেখো', 'জব প্যাৰ কিচি চে হোতা হে', 'ফিৰ ৱোহি দিল লয়া হু', 'তিচৰি মঞ্জিল', 'বাহাৰো কে স্বপনে', 'প্যাৰ কা মৌচম'। আশা পাৰেখে পাঞ্জাৰী চলচ্চিত্ৰত ধৰ্মেন্দ্ৰ আৰু দাৰা সিঙৰ বিপৰীতেও অভিনয় কৰিছে। আশা পাৰেখে ১৯৫০ চনৰ পৰা ১৯৭৩ চনলৈ হিন্দী চলচ্চিত্ৰত কাম কৰিছিল। ১৯৯২ চনত তেওঁক পদ্মশ্ৰী বঁটা প্ৰদান কৰা হয়। আশা পাৰেখক শেষবাৰৰ বাবে ১৯৯৯ চনত 'চাৰ আখোঁ পৰ'ত দেখা গৈছিল।

### দেশজুৰি পিএফআইৰ বিৰুদ্ধে নিয়াৰ অভিযান অব্যাহত

## কৰ্ণাটকত গ্ৰেপ্তাৰ ৮০ জনক, দিল্লীৰ ছাহিনবাগত আৰক্ষীৰ তহল

**নতুন দিল্লী, ২৭ ছেপ্টেম্বৰ ঃ** নেচনেল ইনভেষ্টিগেচন এজেন্সি চমুকৈ নিয়াৰ দ্বাৰা চলাই থকা অভিযানে এতিয়াও দেশজুৰি অধিক গাঢ় কৰি তোলা দেখা গৈছে। যোৱা আঠ ঘণ্টাত কৰ্ণাটকত ৮০ জন পিএফ আই আৰু এছডিপিআইৰ কৰ্মকৰ্তাক গ্ৰেপ্তাৰ কৰা হৈছে। বিগত কিছুদিন ধৰি দেশৰ ১৫ খন ৰাজ্যত ইছলামিক মৌলবাদী সংগঠনৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখা হৈছে। নিয়াৰ নেতৃত্বত চলা এই অভিযানত অৰ্ধসামৰিক বাহিনী আৰু স্থানীয় আৰক্ষীয়ে সহায় কৰিছে। দীৰ্ঘদিন ধৰি লাভ কৰা গোপন সূত্ৰৰ ভিত্তিত বিদেশী ৰাষ্ট্ৰৰ এজেণ্ট হিচাপে কাৰ্যনিৰ্বাহ কৰা আৰু দেশ বিৰোধী কাৰ্যত জড়িত হৈ থকাৰ বহু তথ্য উদ্ধাৰ কৰা হৈছে। সেয়েহে মঙলবাৰৰ দিনটোত কেৱল কৰ্ণাটকতে ৮০ জনক গ্ৰেপ্তাৰ কৰা হৈছে। এই সদস্যসকলে পিএফআই অৰ্থাৎ পপু'লাৰ ফ্ৰণ্ট অব ইণ্ডিয়া আৰু এছডিপিআই অৰ্থাৎ ছ'চিয়েল ডেমক্ৰেকিট পাৰ্টি অব ইণ্ডিয়াৰ হৈ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি আছে। ইফালে মহাৰাষ্ট্ৰত গ্ৰেপ্তাৰ হোৱা অমৰাৱতী জিলাৰ পিএফআইৰ নেতা ছুহেইল নাকভিক আৰক্ষীয়ে এসপ্তাহৰ বাবে নিজৰ জিম্মাত লৈছে। ইয়াৰ উপৰিও কৰ্ণাটক আৰক্ষীৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আলোক কুমাৰে সংবাদ মাধ্যমৰ আগত কয় যে গ্ৰেপ্তাৰ কৰাসকলৰ আদালতত হাজিৰ কৰোৱা হৈছিল। তেওঁলোকৰ পৰা অধিক তথ্য আহৰণৰ বাবে চেষ্টা কৰা হৈছে। তেওঁলোকে ইমানদিনে কেনেধৰণৰ কাম-কাজত জড়িত হৈ আছিল সেই তথ্য উদ্ধাৰ কৰা হ'ব। ইফালে উত্তৰ প্ৰদেশৰ উপ মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠকে কয় যে পিএফআইৰ সকলো ঘাটী উচ্ছেদ কৰা হ'ব। উত্তৰ প্ৰদেশৰ ৰাইজক পিএফআইৰ কাম-কাজ সম্পৰ্কত সজাগ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে। কা আন্দোলনৰ সময়ত দিল্লীত চাহিনবাগ অঞ্চলত হিংসাত্মক ঘটনা সংঘটিত কৰাৰ আঁৰত পিএফআই জড়িত আছিল। দিল্লী আৰক্ষী আয়ুক্তই সম্প্ৰতি চাহিনবাগ অঞ্চলত তহল ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ৰাজধানী প্ৰদেশখনৰ সকলোবোৰ আৰক্ষী থানা আৰু আৰক্ষী চকী সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। ইতিমধ্যে দিল্লী আৰক্ষীয়ে ৩০ টা মোবাইল ফোন জব্দ কৰিছে। এই ফোনসমূহৰ জৰিয়তে পিএফআইৰ সদস্যই অন্যান্যসকলৰ সৈতে যোগাযোগ ৰক্ষা কৰি আহিছিল। দিল্লীৰ জামিয়া নগৰ অঞ্চলত ১৪৪ ধাৰা জাৰি কৰা হৈছে। জামিয়া মিলিয়া বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলক অকাৰণে জুম বান্ধি বাহিৰত ঘূৰি নুফুৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই অঞ্চলত চাৰিটা পিএফআই সদস্য গ্ৰেপ্তাৰ কৰিছে। বৰ্তমানলৈকে আঠখন ৰাজ্যৰ পৰা ১৭০ পিএফআই সদস্যক আটক কৰা বুলি প্ৰকাশ পাইছে।





ইফালে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে পিএফআইৰ বিৰুদ্ধে দেশজুৰি চলোৱা অভিযানৰ পৰ্যবেক্ষণ কৰি আছে। উত্তৰ প্ৰদেশৰ লক্ষ্ণৌ অঞ্চলটো মঙলবাৰে পিএফআইৰ দহ সদস্যক গ্ৰেপ্তাৰ কৰা হৈছে। অসমতো ২৫ পিএফআই সদস্যক গ্ৰেপ্তাৰ কৰা হৈছে ইতিমধ্যে। মধ্যপ্ৰদেশৰ সন্ত্ৰাসবিৰোধী গোটে সোমবাৰে মাজনিশা অভিযানৰ জৰিয়তে ২১ পিএফআই সদস্যক গ্ৰেপ্তাৰ কৰা বুলি প্ৰকাশ পাইছে। ইয়াৰ উপৰিও অন্যান্য স্থানতো বিশেষকৈ মহাৰাষ্ট্ৰৰ কল্যাণ, আজাদ চালি আৰু অন্যান্য স্পৰ্শকাতৰ অঞ্চলত নিয়াৰ অভিযানৰ সময়ত আৰক্ষীৰ সুৰক্ষা কটকটীয়া কৰি তোলা হৈছে। কেন্দ্ৰীয় গৃহ সচিব অজয় ভাল্লাৰ জৰিয়তে নিয়াৰ সঞ্চালক প্ৰধান, আই বিৰ মুৰব্বী আৰু এনফ'ৰ্চমেণ্টৰ সঞ্চালক প্ৰধানে পিএফআইৰ বিৰুদ্ধে চলি থকা অভিযানৰ সুক্ষ্ম পৰ্যবেক্ষণ কৰি আছে।

## জম্মু-কাশ্মীৰত নিৰাপত্তাৰক্ষীৰ অভিযানত নিহত জঈছ-ই-মহম্মদৰ সদস্য

**নতুন দিল্লী, ২৭ ছেপ্টেম্বৰ ঃ** সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ক্ৰমাৎ প্ৰতিকূল হৈ পৰিছে জম্মু-কাশ্মীৰৰ পৰিস্থিতি। উপত্যকাটোত নিৰন্তৰভাৱে সন্ত্ৰাসবাদ নিৰ্মূলৰ বাবে কঠোৰ হৈ পৰিছে সেনা-আৰক্ষী। বিগত সময়চোৱাত সেনা-আৰক্ষীৰ অভিযানত কেইবাগৰাকীও সন্ত্ৰাসবাদী সদস্য নিহত হৈছে সীমান্তৱৰ্তী উপত্যকাটোত।সমসাময়িকভাৱে সন্ত্ৰাসবাদীৰ সৈতে সংঘৰ্ষত নিৰাপত্তাৰক্ষী কৰ্মীৰো মৃত্যু ঘটিছে তথা আহত হৈছে। এনে এক অভিযানত সোমবাৰে উপত্যকাটোত পুনৰ এগৰাকী সন্ত্ৰাসবাদী সদস্য নিহত হোৱাৰ বিপৰীতে এগৰাকী সেনা জোৱান আৰু দুগৰাকী সাধাৰণ লোক আহত হয়। জম্মু-কাশ্মীৰৰ কুলগাম জিলাৰ বাটপোৰা নামৰ এখন গাঁৱত এই সংঘৰ্ষ সংঘটিত হৈছিল। নিহত সন্ত্ৰাসবাদী গৰাকীক জঈছ-ই-মহম্মদৰ সদস্য বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। নিৰাপত্তাৰক্ষীয়ে অঞ্চলটোত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ বিষয়ে তথ্য পোৱাৰ পিছতে তালাচী অভিযান আৰম্ভ কৰিছিল। গাঁওখনৰ এটা ঘৰত তিনিগৰাকী সন্ত্ৰাসবাদীয়ে আশ্ৰয় লৈ থকা বুলি নিৰাপত্তাৰক্ষীয়ে সন্দেহ কৰিছিল। স্থানীয় এগৰাকী শীৰ্ষ আৰক্ষী বিষয়াই সংবাদ মাধ্যমৰ আগত উল্লেখ কৰা মতে সন্ত্ৰাসবাদী কেইগৰাকীয়ে নিৰাপত্তা বাহিনীৰ ওপৰত গুলীচালনা কৰাৰ পিছত অভিযানকাৰী দলটোৱেও প্ৰতি আক্ৰমণ কৰে। সংঘৰ্ষৰ সময়ত আহত হোৱা অসামৰিক ব্যক্তি দুগৰাকী আৰু সেনা জোৱানগৰাকীক তৎকালীনভাৱে চিকিৎসাৰ উদ্দেশ্যে স্থানীয় এখন চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় বুলি বিষয়াগৰাকীয়ে লগতে জানিবলৈ দিয়ে।

## আস্থা ভোটৰ প্ৰস্তাৱ দাখিল

### বজাৰত আম আদমীৰ বিধায়কক ক্ৰয় কৰা সহজ নহ'ব ঃ ভগৱন্ত মন

**ছণ্ডীগড়, ২৭ ছেপ্টেম্বৰ ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মনে মঙলবাৰে বিধানসভাৰ মজিয়াত তেওঁৰ চৰকাৰৰ আস্থা ভোট বিচাৰি প্ৰস্তাৱ দাখিল কৰিছে। ইয়াৰ পূৰ্বে ৰাজ্যখনৰ অধ্যক্ষই আস্থা ভোটৰ বাবে অহা তিনি অক্টোবৰৰ দিনটো ধাৰ্য কৰিছিল। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে বিধানসভাত বিৰোধী দলৰ একাংশই গৌৰৱ অনুভৱ কৰিছে এই বুলি যে আম আদমীৰ চৰকাৰ ওফৰি যাব। তেওঁলোকৰ এই ধাৰণা অমূলক। কিয়নো বজাৰত আম আদমীৰ



বিধায়কক ক্ৰয় কৰিবলৈ সুলভ হৈ থকা নাই। দেশত অপাৰেচন ল'টাছ চলাইছে একাংশই। ইয়াৰ জৰিয়তে বিভিন্ন ৰাজ্যত বিজেপি বিৰোধী চৰকাৰসমূহৰ পতন ঘটাবলৈ চেষ্টা কৰিছে। কংগ্ৰেছৰ বিধায়কসকলে পঞ্জাৱত প্ৰদৰ্শন কৰা ভূমিকা সন্তোষজনক নহয়। কিয়নো বিজেপিৰ অপাৰেচন ল'টাছৰ প্ৰতি কংগ্ৰেছৰ সমৰ্থন ওলাই পৰিছে। আনকি বিজেপিয়ে কংগ্ৰেছৰ সদস্যসকলক ব্যৱহাৰ কৰি আম আদমীৰ বিৰুদ্ধে অবিযান চলাইছে। পঞ্জাৱত আম আদমীৰ বিধায়ক বিক্ৰী নাযায়। গতিকে বিৰোধী হতাশ হৈছে। মুখ্যমন্ত্ৰীয়ে পঞ্জাৱ কংগ্ৰেছৰ চিৰঞ্জীৱ ছান্নিক উদ্দেশ্য কৰি কয় যে— বিভিন্ন কেলেংকাৰীৰ ফাইল যদিহে মুকলি কৰা হয়, তেনেহ'লে তেওঁ পলাই যাবলৈ ক'ৰবাত স্থান ওলাবনে। একেদৰে বিজেপিৰ সদস্যসকলক উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই দলটোৱে কেৱল বিৰোধী দলৰ নিৰ্বাচিত প্ৰতিনিধি ক্ৰয় কৰিবলৈ সাজু হৈ থাকে। ইফালে পঞ্জাৱত ১১৭ জনীয়া বিধানসভাত আম আদমী পাৰ্টিয়ে অকলেই ৯২ জন বিধায়কক জয়ী কৰাই আনিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছতো বিজেপিয়ে আম আদমীৰ বিধায়কসকলক বিজেপিত যোগদান কৰোৱাবলৈ প্ৰচেষ্টা চলাই থকা বুলি অভিযোগ উঠিছে। ইয়াৰ মাজতে কেইবাখনো ৰাজ্যত বিজেপিৰ প্ৰচেষ্টা ব্যৰ্থ হোৱা বুলি চৰ্চিত হৈছে। কিন্তু গোৱা, মধ্যপ্ৰদেশ, কৰ্ণাটক, মহাৰাষ্ট্ৰ আদিত বিজেপিৰ এই অভিযান সফল হৈছে। ৰাজস্থানত শাসকীয় কংগ্ৰেছ বিভক্ত কৰি চৰকাৰ পতনৰ বাবে প্ৰচেষ্টা চলোৱা হৈছিল যদিও সফল নহ'ল। উল্লেখ্য যে বিধানসভাত আস্থা ভোটৰ প্ৰস্তাৱ দাখিল কৰাৰ সময়ত পঞ্জাৱত বিৰোধী দলসমূহে প্ৰতিবাদ সাব্যস্ত কৰিছিল, যাৰ বাবে সদনৰ কাম-কাজ ১৫ মিনিটৰ বাবে স্থগিত ৰাখিব লগা হৈছিল। মন্ত্ৰী অমন আৰোৱাই কয় যে— বিৰোধী দলপতি তথা কংগ্ৰেছ বিধায়ক প্ৰতাপ বাজোৱাই লগত সুখপাল খাৰিয়া আৰু বিজেপিৰ বিধায়ক অশ্বিনী শৰ্মাই একেলগে গৈ পঞ্জাৱ বিধানসভাৰ বিশেষ অধিৱেশন খাৰিজ কৰিবলৈ ৰাজ্যপালৰ ওচৰত হেঁচা আৰোপ কৰিছিল।

## ৩০ ছেপ্টেম্বৰত শশী থাৰুৰ মনোনয়ন



**নতুন দিল্লী, ২৭ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পদৰ বাবে সাংসদ শশী থাৰুৰে মনোনয়ন দাখিল কৰিবলৈ সাজু হৈছে। অহা ৩০ ছেপ্টেম্বৰৰ দিনৰ ১১ বজাত মনোনয়ন দাখিল কৰিব। মঙলবাৰে এই কথা প্ৰকাশ কৰিছে কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিৰ অধ্যক্ষ মধুসুধন মিস্ত্ৰিয়ে। তেওঁ কয় যে কংগ্ৰেছ দলৰ কোষাধ্যক্ষ পৱণ কুমাৰ বাঞ্চালে ইতিমধ্যে মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছে। কিন্তু কোন প্ৰাৰ্থীৰ বাবে এই মনোনয়ন সংগ্ৰহ কৰা হৈছে সেয়া স্পষ্ট কৰা হোৱা নাই। ইতিমধ্যে এআইচিচিৰমুখ্য কাৰ্যালয়ত উপস্থিত হৈ মিস্ত্ৰিয়ে সাক্ষাৎ কৰিছে কংগ্ৰেছৰ অধ্যক্ষ ছোনিয়া গান্ধীক। তেওঁ ভোটাৰ পৰিচয় পত্ৰখন প্ৰদান কৰিছে। কংগ্ৰেছৰ সাংগঠনিক নিৰ্বাচনত যিসকলে ভাগ ল'ব পাৰিব, তেওঁলোকৰ বাবে দলীয় নিৰ্বাচনী সমিতিয়ে একোখনকৈ পৰিচয় পত্ৰ প্ৰদান কৰিছে। পৰিচয় পত্ৰ অবিহনে কোনেও ভোট দিব নোৱাৰিব বুলি ব্যক্ত কৰিছে। ইতিমধ্যে ২৪ ছেপ্টেম্বৰত মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। অহা ৮ অক্টোবৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ভোটগ্ৰহণ অনুষ্ঠিত হ'ব ১৭ অক্টোবৰত আৰু ভোট গণনা আছে ১৯ অক্টোবৰত।

### মহালয়াত অঘটনে চকুলো বোৱাইছে বাংলাদেশৰ বহু পৰিয়ালত

## নাও দুৰ্ঘটনাত মৃতকৰ সংখ্যা ৫১গৰাকীলৈ বৃদ্ধি

### এতিয়াও সন্ধানহীন হৈ আছে বহু লোক

**ঢাকা, ২৭ ছেপ্টেম্বৰ ঃ** হিন্দু ধৰ্মাৱলম্বী লোকৰ পবিত্ৰ মহালয়া উদযাপনৰ উপলক্ষে যাত্ৰাৰ সময়তে দেওবাৰে বাংলাদেশৰ পঞ্চগড় জিলাৰ কৰটৱা নদীত সংঘটিত ভয়াৱহ নাও দুৰ্ঘটনাত নিহতৰ সংখ্যা সোমবাৰে সন্ধিয়ালৈ ৫১ গৰাকীলৈ বৃদ্ধি পাইছে। এই শোকাৱহ নাও দুৰ্ঘটনাৰ তদন্তৰ বাবে জিলা প্ৰশাসনে গঠন কৰি দিয়া তদন্ত সমিতিৰ নেতৃত্ব প্ৰদান কৰা পঞ্চগড়ৰ অতিৰিক্ত উপায়ুক্ত (ৰাজহ) দীপাংকৰ ৰয়ে সন্ধিয়া ৫ বজালৈকে ৪৩ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে বুলি জানিবলৈ দিছিল যদিও ইয়াৰ পিছতে পুনৰ আন আঠটা মৃতদেহ নদীৰ পৰা উদ্ধাৰ হয়। বৰ্তমানলৈকে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা ১৪ টি শিশু, ২৪ গৰাকী মহিলা আৰু ১২ গৰাকী পুৰুষৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে বুলি বিষয়াগৰাকীয়ে লগতে উল্লেখ কৰে। ইতিমধ্যে উদ্ধাৰ হোৱা মৃতদেহসমূহ মৃতকৰ পৰিয়ালক হস্তান্তৰ কৰা হৈছে বুলি ৰয়ে লগতে কয়।আনহাতে দুৰ্ঘটনাত পতিত নাওখনত থকা ৪১ গৰাকী লোক এতিয়াও সন্ধানহীন হৈ আছে বুলি ৰয়ে সংবাদ মাধ্যমৰ আগত উল্লেখ কৰিছিল যদিও যাত্ৰীসকলৰ আত্মীয়ই দিয়া হিচাপ মতে ৫৮ যাত্ৰী সন্ধানহীন হৈ আছে বুলিও সংবাদ মাধ্যমত প্ৰকাশ পাইছে।উল্লেখ্য যে দুৰ্ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰা যাত্ৰী আৰু স্থানীয় লোকসকলে জানিবলৈ দিয়া মতে হিন্দু কেলেণ্ডাৰৰ এক পবিত্ৰ অনুষ্ঠান মহালয়া উপলক্ষে প্ৰাৰ্থনাৰ উদ্দেশ্যে স্থানীয় অঞ্চলসমূহৰ হিন্দু সম্প্ৰদায়ৰ লোকসকল আউলিয়া ঘাটৰ পৰা বধেশ্বৰ মন্দিৰ অভিমুখে যাত্ৰা কৰিছিল। নাওখনত বহন ক্ষমতাতকৈ অধিক যাত্ৰী কঢ়িওৱাৰ ফলত কৰটৱা নদীৰ মাজতে



নাওখন ডুব যায়। দুৰ্ঘটনাত পতিত নাওখনৰ কেইবাগৰাকীও যাত্ৰীয়ে সাঁতুৰি পাৰলৈ উঠিবলৈ সক্ষম হৈছিল। স্থানীয় বোদা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই উল্লেখ কৰা মতে সন্ধানহীন লোকসকলৰ উদ্ধাৰৰ বাবে উদ্ধাৰ অভিযান চলাই থকা হৈছে। দুৰ্ঘটনাটোৰ তদন্তৰ বাবে জিলা প্ৰশাসনে তাৎক্ষণিকভাৱে পাঁচ জনীয়া এটা তদন্ত দল গঠন কৰি দিছিল।

## চৰাইৰ খুন্দা ঃ কন্নুৰত জৰুৰী অৱতৰণ দিল্লী অভিমুখী বিমানৰ

**নতুন দিল্লী, ২৭ ছেপ্টেম্বৰ ঃ** কেৰালাৰ কোজিকোড বিমানবন্দৰৰ পৰা দিল্লী অভিমুখে উৰা মৰাৰ কিছু সময় পিছতে যাত্ৰাপথত চৰাইৰ খুন্দাৰ ফলত সোমবাৰে এয়াৰ ইণ্ডিয়াৰ এখন বিমান কন্নুৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰিবলৈ বাধ্য হয়। এয়াৰ ইণ্ডিয়া এয়াৰলাইনছৰ এগৰাকী বিষয়াই এই আকস্মিক ঘটনাৰ বিষয়ে সদৰী কৰি এক বিবৃতি যোগে কয় যে চৰাইৰ খুন্দাৰ বাবে সুৰক্ষামূলক ব্যৱস্থা হিচাপে বিমানখন পৰীক্ষণৰ উদ্দেশ্যে জৰুৰী অৱতৰণ কৰা হয়। আনহাতে কন্নুৰ বিমানবন্দৰ কৰ্তৃপক্ষই আন এক বিবৃতিত কয় যে ১৩৫ গৰাকী যাত্ৰী কঢ়িয়াই নিয়া বিমানখন কোজিকোডৰ পৰা দিল্লীলৈ



উৰা মাৰিছিল। যাত্ৰাপথত আকস্মিক ঘটনাৰ বাবে বিমানখনে কন্নুৰ বিমানবন্দৰত অৱতৰণ কৰিছিল। বিমানখনত থকা ১৩৫ গৰাকী যাত্ৰীৰ ভিতৰত ৮৫ গৰাকী কোজিকোডৰ আৰু ৫০ গৰাকী কন্নুৰৰ লোক আছিল বুলি বিমানবন্দৰৰ এগৰাকী বিষয়াই সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে। অৱশ্যে যাত্ৰীসকল সম্পূৰ্ণ সুৰক্ষিত অৱস্থাত আছিল বুলি বিষয়াগৰাকীয়ে লগতে জানিবলৈ দিয়ে।বিমানখনত থকা বিদেশ ভ্ৰমণ কৰিবলগীয়া যাত্ৰীসকলক আন বিমানত দিল্লীলৈ প্ৰেৰণৰ বাবে তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰা হয় বুলি কৰ্তৃপক্ষই বিবৃতিত উল্লেখ কৰে।আনহাতে দিল্লী অভিমুখী যাত্ৰীসকলক কন্নুৰৰ দুখন হোটেলত ৰখোৱাৰ ব্যৱস্থা কৰা হয়। আজি এই যাত্ৰীসকলৰ ভ্ৰমণৰ ব্যৱস্থা কৰা হ'ব বুলিও বিমানবন্দৰ কৰ্তৃপক্ষই জানিবলৈ দিয়ে।



*পথৰ মাজতে যাত্ৰাৰত এখন বিলাসী মাৰ্চিডিজ বেঞ্জ বাহন আৰু এখন টেক্টৰৰ মুখামুখি সংঘৰ্ষ, মাৰ্চিডিজৰ খুন্দাত দুটুকুৰা হৈ বাগৰি পৰিছে টেক্টৰখন! শুনিবলৈ আচৰিত যেন লাগিলেও এনে এক ঘটনাই ঘটিছে অন্ধ্ৰপ্ৰদেশত। ৰাজ্যখনৰ তিৰুপতিৰ ওচৰৰ চন্দ্ৰগিৰি বাইপাছ পথত সংঘটিত এক পথ দুৰ্ঘটনাত এই আশ্চৰ্য্যকৰ ঘটনা দেখিবলৈ পোৱা গৈছে। সোমবাৰে সংঘটিত হোৱা এই দুৰ্ঘটনাৰ পিছৰ দৃশ্য ইতিমধ্যে সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে।*


M. No. DA/BTC/K/Dev-76/2022-23/832 Dt.27/09/ 2022

**QUOTATION**

The Director of Agriculture, BTC, Kokrajhar invites Sealed quotation affixing non-refundable Court Fee Stamp of **Rs. 8.25** (Rupees Eight & Twenty-five paisa) only from the registered firm in BTC suppliers for supply of Watermelon Seeds and Plastic Mulching under **"RKVY-RAFTAAR"** for the year 2021-22 (2nd inst. Central / State Share) as per term & conditions details given below which will be received up to **07-10-2022 at 4:30** PM and will opened on the same date & time. The quotationers or their representatives may present in the office of the undersigned at the time of opening.

| Sl. No. | Item | Variety/Type | Rate | Tender value | Remarks |
|---|---|---|---|---|---|
| 1 | Watermelon Seed | a) Jigna Gold<br>b) Shivajee | Per Kg. | Rs. 4.7775 Lakh | RKVY-RAFTAAR, 2021-22 2nd inst. Central / State Share |
| 2 | Plastic Mulching | a) Black Coloured | Per Roll. | Rs. 9.36 Lakh | |

**TERMS & CONDITON:**

1. The approved Firm / Supplier shall have to supply items within 7 (seven) days on receipt of supply order.
2. Details items may be seen in the office of the undersigned during the office hours from 29-09-2022 to 07-10-2022.
3. The Quotationers should submit up-to-date clearance and Firm Registration Certificate / Trade Licence Certificate, GTS Registration, PAN Card Dealership license from DAO concerned, IT Return etc. to the authority.
4. The Quotations should be submitted separately as per Sl. No. 01 and Sl. No. 02 in sealed envelopsuperscribed on the cover as "RKVY-RAFTAAR 2021-22".
5. The authority is not bound to accept the lowest rates of quotations and reserves all the right to reject any / all the tenders at a time without assigning any reason thereof.
6. The rate should be shown separately for different type of Articles and varieties including all Taxes.
7. The quotationers will have to deposit 2% (for general) and 1% (for ST/SC/OBC/MOBC) as security money in the form of Bank Draft / Fixed Deposit / Call Deposit in favour of the *Director of Agriculture, BTC, Kokrajhar*as per scheme for the year 2022-23 which will be refundable in due course.

Sd/- B. Basumatary,
Director of Agriculture,
BTC, Kokrajhar

IPR(BTC)-337/2022

# নৰেম্বৰত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত নহ'লে ডিচেম্বৰৰ পৰা আক্ৰাছুৰ ধাৰাবাহিক আন্দোলনৰ হুংকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি অনুসৰি নৰেম্বৰ মাহলৈ অপেক্ষা কৰিম। নৰেম্বৰত যদিহে আমাৰ সৈতে ত্ৰিপাক্ষিক বৈঠক নহয় তেন্তে ডিচেম্বৰৰ পৰা চলিব ধাৰাবাহিক আন্দোলন। কোচ-ৰাজবংশীসকলে নিজৰ প্ৰাপ্য অধিকাৰ আঁজুৰি আনিবলৈ সংগ্ৰাম কৰি যাব। উল্লেখ্য যে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে লোৱা স্থিতিৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে কোচ ৰাজবংশী ছাত্ৰ সন্থা। কোচ ৰাজবংশীসকলৰ জনজাতিকৰণ আৰু কমতাপুৰ ৰাজ্য গঠনৰ দাবীত চলি থকা সংগ্ৰামখন আৰু অধিক শক্তিশালী ৰূপত আগবাঢ়িব। ইয়াৰ বাবে চলাই থকা হৈছে পূৰ্ণ প্ৰস্তুতি। কালি বাক্সা জিলাৰ বৰিকাদঙাত উপস্থিত হৈ এই কথা জানিবলৈ দিয়ে কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক কপিলদেৱ সিংহই। বাক্সা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভাত উপস্থিত থাকি কেন্দ্ৰীয় সাধাৰণ সম্পাদক কপিলদেৱ সিংহই কয় যে কংগ্ৰেছ, বিজেপি সকলো দলেই জাতিটোক বছৰ বছৰ ধৰি প্ৰতাৰণা কৰি আহিছে। বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ সময়ত প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও আজিও কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। সেয়ে নৰেম্বৰ মাহত যদি ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত নকৰে তেন্তে অহা ডিচেম্বৰ মাহৰ এক তাৰিখৰ পৰা কোচ ৰাজবংশী ছাত্ৰ সন্থাই চৰকাৰৰ বিৰুদ্ধে ভয়াৱহ আন্দোলন গঢ়ি তুলিব। উল্লেখ্য যে বাক্সা জিলাৰ বৰিকাদঙা ইন্দিৰা গান্ধী এম ই স্কুল চৌহদত আজি বাক্সা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ এখন প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাত গান্ধীৰাম বৰ্মনক সভাপতি, নৱজ্যোতি কোচ আৰু দীপক দাসক যুটীয়া সাধাৰণ সম্পাদক হিচাপে লৈ বাক্সা জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ নতুন সমিতিখন গঠন কৰা হয়।


দুৰ্গা পূজা উপলক্ষে বজাৰত নতুন বস্ত্ৰ ক্ৰয় কৰিবলৈ হেতা-ওপৰা, ঢকুৱাখনাত মঙলবাৰৰ ছবি

## ধুবুৰী ৰাজীৱ ভৱনত উত্তপ্ত পৰিস্থিতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৭ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত ভাৰত জোড়ো যাত্ৰা সম্পৰ্কে বিশেষ কাৰ্যনিৰ্বাহক সভা চলি থাকোতে মাৰপিটৰ ঘটনা সংঘটিত হয় ধুবুৰী ৰাজীৱ ভৱনত। কাৰ্যসূচী চলি থাকোতে উত্তপ্ত হৈ পৰে সভাখন। জিলা সভাপতি ছামচুল ইছলামে গৰিয়া মৰিয়া দেশীসকলক দালাল আখ্যা দিয়াৰ অভিযোগ। আজিৰ কাৰ্যনিৰ্বাহক সভাত উপস্থিত থাকে সাধাৰণ সম্পাদক ৰমেন বৰঠাকুৰ, সেৱা সমিতিৰ অধ্যক্ষ দীপ বায়ন, বিধায়ক ৰাজেদ আলী চৌধুৰী, বিধায়ক ছোবাহান আলী সৰকাৰ, প্ৰাক্তন মন্ত্ৰী নজিবুল ওমৰ, প্ৰাক্তন সাংসদ আব্দুল হামিদ।

## বাক্সাৰ বাঁহবাৰীত কৰম উৎসৱ উদ্‌যাপন

### বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰাই মুহিলে ৰাইজক

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৭ ছেপ্টেম্বৰ ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত বাঁহবাৰীৰ ফাতেমাবাদ চাহ বাগিচা খেলপথাৰত বাঁহবাৰী আঞ্চলিক আদিবাসী ছাত্ৰ সন্থা আৰু বৃহত্তৰ বাঁহবাৰীৰ ৰাইজৰ সহযোগত দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপিত আদিবাসী তথা চাহ জনগোষ্ঠীৰ ১৮সংখ্যক কৰম উৎসৱৰ দেওবাৰে নিশাৰ ভাগত সামৰণি পৰে। উল্লেখ্য যে দেওবাৰে দিনৰ ভাগত কৰম উৎসৱৰ পৰম্পৰা অনুযায়ী কৰম ডাল সূতা বন্ধনী, কৰম ডাল স্থাপন, কৰম কাহিনী পাঠ কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে স্থানীয় শিল্পীয়ে কৰম নাচ পৰিৱেশন কৰে। বিয়লি বাঁহবাৰী অঞ্চলত বাস কৰা আদিবাসী, বড়ো, অসমীয়া, কোচ ৰাজবংশী, বাঙালী, মুছলমান আদি বিভিন্ন জনগোষ্ঠীৰ লোক, শিল্পীয়ে সমন্বয়ৰে বৃহত্তৰ বাঁহবাৰী অঞ্চলত সাংস্কৃতিক শোভাযাত্ৰা কৰে। সন্ধিয়াৰ পৰা কৰম উৎসৱ উদ্‌যাপন সমিতিৰ সম্পাদক প্ৰাঞ্জল ডেকাৰ পৰিচালনাত অনুষ্ঠিত মুকলি সভাত বিটিচিৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই মুখ্য অতিথিৰ ভাষণ দিয়াৰ লগতে বিৰছা কমাণ্ডো ফ'ৰ্চৰ মুখ্য সেনাধ্যক্ষ সুভাষ তিৰ্কি, বিটিআৰৰ শালবাৰী সমষ্টিৰ এমচিএলএ জয় মুছাহাৰী, শালবাৰী মহকুমাৰ মহকুমাধিপতি লক্ষ্যজ্যোতি দাস, শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মছাহাৰী, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী প্ৰণৱজ্যোতি বৰ্মন, মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ ৰেঞ্জাৰ বাবুল ব্ৰহ্ম, বাক্সা জিলা সাংবাদিক সন্থাৰ সভাপতি দামোদৰ তালুকদাৰ, চিখৰী কটেজৰ স্বত্বাধিকাৰী শক্তি সিং, বিজেপি নেত্ৰী কবিতা পাঠকৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে নিমন্ত্ৰিত অতিথিৰূপে ভাষণ দিয়ে। সভাত আদিবাসী চুক্তি স্বাক্ষৰকাৰী নেতাক উষ্ম সম্বৰ্ধনা জনোৱা হয়। মাজনিশালৈ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপিত কৰম উৎসৱৰ ২৪ ছেপ্টেম্বৰত দিনৰ ভাগত কৰম পতাকা উত্তোলন, সদৌ আদিবাসী ছাত্ৰ সন্থাৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, গছপুলি ৰোপণ, খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লিৰ কাৰ্যসূচীত বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসে সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি বক্তৃতা প্ৰদান কৰে। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে বাঁহবাৰীত উদ্‌যাপিত কৰম উৎসৱৰ বিভিন্ন কাৰ্যসূচী উপভোগৰ বাবে বিভিন্ন জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰাত সমন্বয়ৰ থলীত পৰিণত হয় কৰম উৎসৱ।

## মৰিগাঁৱত জ্ঞানমঞ্জৰী আলোচনা চক্ৰৰ একাদশ দ্বি-বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** মৰিগাঁৱৰ সাহিত্য আৰু বৌদ্ধিক চিন্তা-চৰ্চাৰ অগ্ৰণী অনুষ্ঠান জ্ঞানমঞ্জৰী আলোচনা চক্ৰৰ একাদশ দ্বি-বাৰ্ষিক অধিৱেশনখন ২৪ ছেপ্টেম্বৰ তাৰিখে মৰিগাঁৱত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। মৰিগাঁও শাখা সাহিত্য সভাৰ কাৰ্যালয় গুৰুচৰণ মেধি ভৱনত অনুষ্ঠিত এই অধিৱেশনৰ পুৱাৰ ভাগত অনুষ্ঠানটোৰ পতাকা উত্তোলন কৰে সভাপতি তথা বিশিষ্ট কবি সাহিত্যিক হৰেন্দ্ৰ বৰাই। ইয়াৰ পিছতেই বন্তি প্ৰজ্বলন কৰে অনুষ্ঠানটোৰ জ্যেষ্ঠ সদস্য পৰমেশ্বৰী ডেকা আৰু উপ-সভাপতিদ্বয় ক্ৰমে প্ৰদীপ পৰাশৰ অৰু স্মৃতিৰেখা গোহাঁয়ে। ইয়াৰ পিছতেই স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে অনুষ্ঠানটোৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট গল্পকাৰ নুৰ মহম্মদে। অধিৱেশনৰ লগত সংগতি ৰাখি পুৱাৰ ভাগতে অনুষ্ঠানটোৰ প্ৰাক্তন আৰু বৰ্তমানৰ বিষয়ববীয়া আৰু সদস্যসকলৰ মাজত এটি অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। মৰিগাঁও শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক প্ৰণৱ কুমাৰ ভট্টাচাৰ্যই আঁত ধৰা এই অনুষ্ঠানত বহুকেইগৰাকী সদস্যই গীত-মাত-কবিতা পাঠ আৰু স্মৃতি ৰোমন্থন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। দুপৰীয়াৰ ভাগত অধিৱেশনৰ প্ৰতিনিধি সভাখন অনুষ্ঠিত হয়। জ্ঞানমঞ্জৰী আলোচনা-চক্ৰৰ সভাপতি হৰেন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত এই প্ৰতিনিধি সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক ডাঃ দুলাল চন্দ্ৰ মেধিয়ে। এই সভাতে বিশিষ্ট ব্যংগ সাহিত্যক প্ৰদীপ পৰাশৰে সম্পাদনা কৰা জ্ঞানমঞ্জৰী নামৰ মুখপত্ৰখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট সাহিত্যিক ডাঃ পুনিৰাম পাতৰে। অনুষ্ঠানটোত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি ড° বিৰিঞ্চি কুমাৰ শৰ্মা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সদস্য মহেন্দ্ৰ শইকীয়াৰ লগতে বহু কেইজন বিশিষ্ট সাহিত্যিক উপস্থিত থাকে। প্ৰতিনিধি সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে জ্ঞানমঞ্জৰী আলোচনা-চক্ৰৰ সম্পাদক জ্যোতিষ বৰ্মনে। সভাত অনুষ্ঠানটোৰ সাংগঠনিক বিষয়ৰ লগতে পুঁজি সংগ্ৰহ, সংবিধান, আগন্তুক ৰূপালী জয়ন্তী উদ্‌যাপন আদি বিষয়ৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। এই আলোচনাৰ অন্তত হৰেন্দ্ৰ বৰাক সভাপতি আৰু জ্যোতিষ বৰ্মনক সম্পাদক হিচাপে নিৰ্বাচিত কৰি জ্ঞানমঞ্জৰী আলোচনা চক্ৰৰ নতুন কাৰ্যনিৰ্বাহ সমিতিখন গঠন কৰা হয়।



## ৰঙিয়াত প্ৰজ্ঞা ফাউণ্ডেচনৰ দলীয় নৃত্য প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২৭ ছেপ্টেম্বৰ ঃ** প্ৰজ্ঞা ফাউণ্ডেচন কামৰূপ জিলাৰ উদ্যোগত জিলা ভিত্তিত বন্দে মাতৰম্ গীতত দলীয় নৃত্য প্ৰতিযোগিতা ৰবিবাৰে হৰদত্ত বীৰদত্ত ভৱনত অনুষ্ঠিত হয়। ৰঙিয়া মহকুমা সংঘ পৰিচালক খগেন শৰ্মাই বন্তি প্ৰজ্বলন কৰাৰ পিছতে নৃত্য প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে কমৰূপ জিলা সংঘ পৰিচালক ৰজত ভৰালীয়ে। মুঠ ছটাকৈ দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতিৰ বঁটা বিতৰণী সভাত উপস্থিত থাকি অভিনেত্ৰী প্ৰাঞ্জনা দত্তই গুৰু পুজনৰ ওপৰত সাৱলীল বক্তব্য আগবঢ়ায়। অভিনেত্ৰীগৰাকীৰ লগতে কামৰূপ জিলা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ দিগন্ত দাসে বিজয়ী দলক বঁটা প্ৰদান কৰে। প্ৰতিযোগী দলসমূহৰ ভিতৰত প্ৰথম স্থান দখল কৰে নটৰাজ ডেঞ্চ গ্ৰুপ বালিসত্ৰ, দ্বিতীয় স্থান লাভ কৰে নটৰাজ ডেঞ্চ একাডেমী বাইহাটা চাৰিআলি আৰু তৃতীয় স্থান লাভ কৰে এ জি ডেঞ্চ একাডেমী ৰঙিয়া। উল্লেখ্য যে বিজয়ী প্ৰথম আৰু দ্বিতীয় দল দুটা অহা এক অক্টোবৰত গুৱাহাটী কলাক্ষেত্ৰত হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ সক্ষম হ'ব।

## শিৱসাগৰ জিলা উন্নয়ন সমন্বয়ৰক্ষী-পৰ্যালোচনা সমিতিৰ সভা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৭ ছেপ্টেম্বৰ ঃ** আজি শিৱসাগৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ চ্যুকাফা সভাকক্ষত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈৰ অধ্যক্ষতাত জিলা উন্নয়ন সমন্বয়ৰক্ষী আৰু পৰ্যালোচনা সমিতিৰ (দিশা) বৈঠক অনুষ্ঠিত হৈছে। এই সমিতিৰ বৈঠকত সাংসদ তপন কুমাৰ গগৈৰ লগতে ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, থাওৰা বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, শিৱসাগৰ জিলাৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদৱ, আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্চিনী দলে, জিলা উন্নয়ন আয়ুক্ত শোভন গোৱলা, জিলা পৰিষদৰ সভাপতি ধ্ৰুৱজ্যোতি মাউত, শিৱসাগৰ পৌৰসভাৰ সভানেত্ৰী মৃণালিনী কোঁৱৰৰ লগতে অতিৰিক্ত উপায়ুক্তসকল আৰু বিভিন্ন বিভাগৰ বিভাগীয় মুৰব্বীসকলে অংশগ্ৰহণ কৰিছে। বাতৰি লিখা সময়লৈকে সাংসদ তপন কুমাৰ গগৈয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, হস্ততাঁত আৰু বস্ত্ৰশিল্প, আৰক্ষী, কৃষি, মীন, সমাজ কল্যাণ, সমবায়, পশুপালন আৰু পশু চিকিৎসা, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ বিভাগীয় মুৰব্বী বিষয়াৰ সৈতে তেওঁলোকৰ অধীনত চলি থকা আঁচনিসমূহ আৰু এই আঁচনিসমূহ সময় মতে আৰু ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে, চৰকাৰী আঁচনিসমূহ জনসাধাৰণৰ মাজত সঠিক আৰু সময়মতে ৰূপায়ণ কৰা হ'ল 'দিশা'ৰ বৈঠকৰ অন্যতম উদ্দেশ্য। আলোচনাত প্ৰধানমন্ত্ৰী গ্ৰামীণ আৱাস যোজনাৰ ঘৰসমূহ নিৰ্ধাৰিত সময়ত নিৰ্মাণ কৰা, 'য়াৰ্ণ' বেংকৰ পৰা সুলভ আৰু কম দৰত আত্মসহায়ক গোটসমূহে সূতা ক্ৰয় কৰিব পৰা, পৌৰ সভাৰ অধীনত পাৰ্কিঙৰ ব্যৱস্থা, নগৰ উন্নয়ন আৰু সৌন্দৰ্যবৰ্ধন, ধান ক্ৰয়, পানীদিহিং পক্ষী অভয়াৰণ্যত জৈৱ-বৈচিত্ৰ্য অটুট ৰাখিব পৰাকৈ পানী আৰু ভূমি সংৰক্ষণৰ বাবে বিস্তৃত প্ৰকল্প ৰূপায়ণ আদি বিষয়সমূহে আলোচনাত ঠাই পায়।

## আমিনগাঁৱৰ উপায়ুক্ত কাৰ্যালয়ত চোৰ কৰায়ত্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ আমিনগাঁও সংহত উপায়ুক্ত কাৰ্যালয়ত এটা চোৰক আটক কৰা হৈছে। দিন দুপৰতে এনেকৈ উপায়ুক্ত কাৰ্যালয়ত চুৰি কাৰ্য সংঘটিত হোৱাক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। উপায়ুক্ত কাৰ্যালয়ৰ এজন কৰ্মচাৰীৰ ম'বাইল ফোন চাৰ্জত দি থকা অৱস্থাৰ পৰাই লৈ উধাও হৈছিল চোৰটো। পিছত প্ৰত্যক্ষদৰ্শীৰ তৎপৰতাত হাতে-লোটে আটক কৰিবলৈ সক্ষম হয় চোৰটোক। জানিব পৰা মতে, চাংসাৰি নিৱাসী চোৰটোৰ নাম উৎপল নাথ। চোৰটোক ইতিমধ্যে আৰক্ষীক গতাই দিয়া হৈছে।

## কটহগুৰি কনিষ্ঠ মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধিং, ২৭ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ কটহগুৰি কনিষ্ঠ মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাখন কালিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হয়। ২০২২ বৰ্ষৰ নৱাগত আদৰণী সভা পতাকা উত্তোলন আৰু শোভাযাত্ৰাৰে আৰম্ভ হয়। ইয়াৰ পিছতেই ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ চিনাকি পৰ্ব আৰু ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিচালিত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। ১.৩০ বজাত আৰম্ভ হোৱা মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ৰাজিদুল হকে। মুকলি সভাখনত কটহগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° খাইৰুল ইছলামে কালিৰ এই প্ৰতিযোগিতাৰ যুগত কঠোৰ অধ্যয়নৰ লগতে ম'বাইল ফোন ত্যাগ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক আহ্বান জনায়। কালিৰ নৱাগত আদৰণী সভাখনত মৈৰাবাৰী আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ লুৎফুৰ ৰহমান আৰু বটদ্ৰৱা চহৰীয়া আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ ৰণজিৎ ফুকনে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কয় যে— তোমালোক প্ৰথমে মানুহ হোৱা। পিছত ডাক্তৰ, ইঞ্জিনিয়াৰ হ'বা। তেওঁলোকে লগতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক সুখ্যাতিৰে উত্তীৰ্ণ হৈ পিছপৰা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ আহ্বান জনায়। প্ৰবক্তা ড° আশ্ৰফ ৰাহিদে আঁত ধৰা সভাখনত ২০২২ বৰ্ষত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, মানপত্ৰ আৰু নগদ ধনেৰে সম্বৰ্ধনা জনায়। মুকলি সভাখনত মহাবিদ্যালয়খনৰ সকলো প্ৰবক্তা, টুকটুকী প্ৰেছ ক্লাবৰ সাংবাদিকৰ লগতে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত আছিল।

## 'দৈষ্টিক'লৈ লেখা আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২৭ ছেপ্টেম্বৰ ঃ** ৰঙিয়াৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান সংগীত গ্ৰুপ অৱ' ক্ৰিয়েচনৰ উদ্যোগত এইবেলি অহা ১৬ অক্টোবৰত স্থানীয় হৰদত্ত বীৰদত্ত ভৱন প্ৰেক্ষাগৃহত বিশেষ ৰাজ্যিক বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে সংগীত গ্ৰুপ অৱ ক্ৰিয়েচনে প্ৰতি বছৰে ৰাজ্যৰ নিৰ্বাচিত কৃতী শিক্ষকলৈ উমানাথ শিক্ষাগুৰু বঁটা আগবঢ়াই আহিছে। এইবেলি অনুষ্ঠানটোৱে শিক্ষা ক্ষেত্ৰখনৰ উপৰি সাহিত্য, সংস্কৃতি, কৃষি, ক্ৰীড়া, চিকিৎসা বিজ্ঞান আদি ভিন্ন ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়াই অহা কেবাগৰাকী নিৰ্বাচিত বিশিষ্ট ব্যক্তিক এই বিশেষ বঁটা প্ৰদান কৰিব। বঁটা প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি লেখক দ্বিপেন মেনাৰ সম্পাদনাত 'দৈষ্টিক' শীৰ্ষক এখনি স্মৰণিকা প্ৰকাশ পাব। স্মৰণিকাখনৰ বাবে লেখক-লেখিকাসকলৰ পৰা বিভিন্ন বিষয়ক লেখা আহ্বান কৰা হৈছে। লেখাসমূহ অহা ৩০ ছেপ্টেম্বৰৰ পূৰ্বে পোৱাকৈ 'সচিব, সংগীত গ্ৰুপ অৱ' ক্ৰিয়েচন, গাঁও-কোঠৰা, ডাক - জামতোলা, জিলা-কামৰূপ (অসম), পিন নং-৭৮১৩৬৫ ঠিকনাত অথবা dwipenmena@gmail.com ই-মেইললৈ প্ৰেৰণ কৰিবলৈ সংগীত গ্ৰুপ অৱ' ক্ৰিয়েচনৰ সচিব পংকজ পল্লৱ শৰ্মাই অনুৰোধ জনাইছে।


আগন্তুক আন্তঃৰাষ্ট্ৰীয় গুৱাহাটী ট্ৰেড ফেয়াৰ উপলক্ষে আয়োজক সমিতিৰ উপাধ্যক্ষ ৰাজেশ দাসৰ সংবাদ মেল, গুৱাহাটী প্ৰেছ ক্লাবত

■ প্ৰধানমন্ত্ৰীয়ে ভূয়সী প্ৰশংসা কৰা তেজপুৰৰ লিচুৰ উৎপাদন বৃদ্ধিৰ লক্ষ্য ■

## ২০২ বিঘা মাটিত আনুষ্ঠানিকভাৱে লিচু খেতি আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ লিচু খাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভূয়সী প্ৰশংসা কৰাৰ পিছত তেজপুৰৰ ভালেসংখ্যক কৃষক আগবাঢ়ি আহিছে লিচু খেতিৰে স্বাৱলম্বী হ'বলৈ। তেজপুৰত শেহতীয়াকৈ ২০০ বিঘাৰো অধিক ভূমিত এইবাৰ নতুনকৈ আৰম্ভ কৰা হ'ব লিচু খেতি। সোৱাদযুক্ত মঙহাল সেন্দূৰী বৰণৰ লিচুৰে ইতিমধ্যে বিশ্ব দৰবাৰত পৰিচিতি লাভ কৰিছে আৰু কেইমাহমান পূৰ্বে লণ্ডনত তেজপুৰৰ লিচু যথেষ্ট চাহিদা বৃদ্ধি পাইছে। আনহাতে, এই লিচুৰ চাহিদা অনুপাতে এতিয়াও উৎপাদন যথেষ্ট কম। এইবাৰ দেশ-বিদেশৰ পৰা তেজপুৰৰ লিচু বিচাৰি বহুতেই বিমুখ হ'ব লগা হৈছে। গতিকে তেজপুৰৰ লিচুৰ বাবে আছে এখন বৃহৎ বজাৰ। সেই বাবেই শোণিতপুৰ জিলা প্ৰশাসন আৰু জিলা কৃষি বিভাগে বিষয়টোৰ গুৰুত্ব বুজি তেজপুৰৰ গৌৰৱ এই বিশেষ প্ৰজাতিৰ লিচুৰ খেতি কৰিবলৈ উৎসাহিত কৰিছে কৃষকসকলক। ইয়াৰ বাবে পৰিকল্পনা যুগুত কৰাৰ লগতে আৰম্ভ কৰা হৈছে দীৰ্ঘম্যাদী আঁচনি। উল্লেখ্য যে, তেজপুৰৰ লিচুৱে ২০১৩ বৰ্ষত জি আই টেগ পোৱাৰ লগতে চলিত বছৰৰ জুন মাহত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেজপুৰৰ লিচু লণ্ডনলৈ ফ্লেগ অফ কৰাৰ পিছত তেজপুৰৰ লিচুৰ প্ৰজাতি বোম্বায়া লিচু, বিলাতী লিচু আৰু চাহি লিচুৱে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোড্ডীয়ে তেজপুৰৰ লিচুৰ সোৱাদৰ প্ৰশংসা কৰাৰ পিছত শোণিতপুৰ জিলা কৃষি বিভাগে উক্ত লিচু খেতি সম্প্ৰসাৰণৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। আজি শোণিতপুৰ জিলা কৃষি বিভাগ, জিলা পৰিষদ, কৃষি বিজ্ঞান কেন্দ্ৰ, নাবাৰ্ডৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসন, অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প (এপাৰ্ট), বিশ্বনাথ কৃষি মহাবিদ্যালয়, নেৰামেক, অগ্নিগড় কৃষি উৎপাদক কোম্পানীৰ সহযোগত পৰোৱাত লিচু পুলি বিতৰণ তথা ৰোপণৰ এক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তেজপুৰৰ লিচুক আন্তঃৰাষ্ট্ৰীয় বজাৰ দখলৰ ক্ষেত্ৰত আৰু এখোজ আগুৱাই নিয়াৰ বাবে কৃষি বিভাগৰ উদ্যোগত আজি ২০২ বিঘা মাটিত লিচু পুলি ৰোপণৰ এক কাৰ্যসূচীৰ শুভাৰম্ভণি কৰা হয় । শোণিতপুৰ জিলা কৃষি বিষয়া পংকজ শইকীয়াই জিলা কৃষি বিভাগৰ উক্ত অভিযান সদৰী কৰাৰ পিছতেই শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই দিয়া আদৰণী ভাষণত কয় যে, জি আই টেগ লাভ কৰা তেজপুৰৰ লিচুৰ প্ৰসংগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰশংসা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ পত্ৰ প্ৰেৰণ কৰিছিল। পৰ্যটনৰ ক্ষেত্ৰত যিদৰে তেজপুৰৰ সুকীয়া পৰিচয় আছে একেদৰে এতিয়া লিচুৰ বাবেও তেজপুৰৰ সুনাম বৃদ্ধি পাইছে। তেজপুৰৰ লিচুৰ চাহিদা অনুপাতে উৎপাদন কম হোৱা হেতু ব্যাপক হাৰত ইয়াৰ উৎপাদনৰ বাবে কৃষকসকলক উৎসাহিত কৰিব লাগিব। প্ৰথম পৰ্যায়ত ২০০ বিঘা মাটিত লিচু খেতি কৰাৰ পৰিকল্পনা লোৱা হৈছে আৰু পৰৱৰ্তী সময়ত ইয়াৰ পৰিসৰ অধিক বৃদ্ধি কৰা হ'ব। মুখ্য অতিথি হিচাপে উপস্থিত থাকি তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাসে তেজপুৰৰ লিচুৰ জয়যাত্ৰাৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে, লিচুৰ উৎপাদন বৃদ্ধি কৰি কেনেদৰে এই লিচুক কেন্দ্ৰ কৰি একাংশ ব্যক্তিৰ জীৱিকা অৰ্জনৰ পথ প্ৰশস্ত কৰিব পাৰি তাৰ ওপৰত চৰকাৰ-প্ৰশাসনে গুৰুত্ব আৰোপ কৰিছে আৰু এই প্ৰক্ৰিয়াৰ দ্বাৰা একাংশ কৃষকে আৰ্থিক স্বাৱলম্বিতাৰ পথ প্ৰশস্ত কৰিবলৈ সক্ষম হ'ব বুলি মন্তব্য কৰে। আনহাতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো লোককে থলুৱা সামগ্ৰী ক্ৰয় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি দেশৰ উৎপাদন বৃদ্ধিৰ লগতে এই উৎপাদিত সামগ্ৰীৰ পৰা নিজৰ দেশতেই ধনৰাশি বিনিয়োগ হয় তাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰাৰ প্ৰসংগ অৱতাৰণা কৰি সাংসদ পল্লৱ লোচন দাসে অসমৰ অধিক গুণবিশিষ্ট লিচু এনেদৰে উৎপাদন বৃদ্ধি কৰি ইয়াৰ বিক্ৰীৰ ব্যৱস্থা ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কৰিব পাৰিলে ৰাজ্যখনৰ লগতে দেশৰ অৰ্থনৈতিক ভেটি শক্তিশালী হৈ পৰিব বুলি কয়। শোণিতপুৰ জিলা পৰিষদৰ ৮ লাখ টকাৰ সহযোগত লিচু পুলি ৰোপণৰ এই আঁচনিৰ বাবে মুঠ ১৯ লাখ টকাৰ আবণ্টন কৰা হৈছে।

## অসমত পিএফআইৰ নেতা গ্ৰেপ্তাৰত হিন্দু যুৱ-ছাত্ৰৰ প্ৰতিক্ৰিয়া

**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** অসমত বৰ্তমান 'পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া'ৰ চমুকৈ পিএফআইৰ শক্তিশালী সাংগঠনিক স্থিতি হোৱাৰ লগতে নেতৃত্ব বহন কৰা কেইজনমান লোকক ৰাষ্ট্ৰীয় অনুসন্ধান শাখাই গ্ৰেপ্তাৰ কৰা কাৰ্যত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমে। আজি বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিৰ জৰিয়তে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি পৰিষদৰ কেন্দ্ৰীয় সভাপতি বলেন বৈশ্য আৰু সাধাৰণ সম্পাদক মাধৱ দাসে কয় যে পিএফআইৰ দৰে ৰাষ্ট্ৰবিৰোধী সংগঠনৰ অসমত অস্তিত্ব প্ৰকট হোৱাটো দেশৰ অখণ্ডতাৰ প্ৰতি এক প্ৰৱল ভাবুকি। একাধিক বিচ্ছিন্নতাবাদী সংগঠন আৰু এসোপমান ইছলামিক জেহাদী সংগঠনৰ অসমত অস্তিত্ব প্ৰকট হোৱাটো দেশৰ অখণ্ডতাৰ প্ৰতি প্ৰৱল ভাবুকি। একাধিক বিচ্ছিন্নতাবাদী সংগঠন আৰু এসোপামান ইছলামিক জেহাদী সংগঠনে শক্তিশালী ৰূপত সাংগঠনিক কাৰ্যকলাপ চলাই থকা সময়তে ভূতৰ দানৱ পৰাদি এইবাৰ আকৌ পিএফআইৰ সাংগঠনিক অৱস্থিতিয়ে অনাগত ভয়ানক দিনৰ ইংগিত বহন কৰিছে বুলি বিবৃতিটোত বৈশ্য আৰু দাসে মন্তব্য কৰে। একেটা বিবৃতিতে বৈশ্যই আৰু দাসে আক্ষেপ প্ৰকাশ কৰি কয় যে পূৰ্বৰ চৰকাৰবোৰৰ নাকৰ তলতেই এই ভয়ানক জেহাদী সংগঠনবোৰে সাংগঠনিক কাম-কাজ চলাই আছিল। কেৱল নিজৰ চৰকাৰ আৰু গাদী বচাই ৰখাৰ স্বাৰ্থত পূৰ্বৰ চৰকাৰসমূহে এই জেহাদী তথা মৌলবাদী সংগঠনসমূহৰ বিৰুদ্ধে কোনো প্ৰতিৰোধৰ পদক্ষেপ লোৱা নাছিল। যিটো অসম তথা খিলঞ্জীয়া অসমবাসীৰ বাবে অতি দুৰ্ভাগ্যজনক বুলি মতপোষণ কৰে। শেষত বৈশ্য আৰু দাসে অসমত জেহাদী, পিএফআইৰ বিৰুদ্ধে কঠোৰ স্থিতি ল'বলৈ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰক দাবী জনাইছে। একাংশ ইছলামিক সংগঠনৰ নেতা তথা বুদ্ধিজীৱিকো তদন্তৰ আউটিলৈ আনিবলৈ সংবাদ মাধ্যমৰ যোগেদি হিন্দু ছাত্ৰ পৰিষদ, অসমে চৰকাৰ আৰু প্ৰশাসনক দাবী জনায়।

## বাহনা মহাবিদ্যালয়ত তথ্য-প্ৰযুক্তিৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৭ ছেপ্টেম্বৰ ঃ** কম্পিউটাৰ আৰু কাৰিকৰী শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান ইনষ্টিটিউট অৱ কম্পিউটাৰ এডুকেশ্যন (আই চি ই)এ দেওবাৰে যোৰহাটৰ বাহনা মহাবিদ্যালয় প্ৰেক্ষাগৃহত 'Smart use of ICT devices in our Day-2-Day life' শীৰ্ষক এখন তথ্য প্ৰযুক্তিৰ সজাগতা সভা অনুষ্ঠিত কৰে। কম্পিউটাৰ আৰু কাৰিকৰী প্ৰশিক্ষণৰ বাবে বাহনা মহাবিদ্যালয়ৰ সৈতে সহযোগিতাৰ চুক্তি স্বাক্ষৰিত কৰা প্ৰতিষ্ঠান আই চি ইৰ এই কাৰ্যসূচী বন্তি প্ৰজ্জ্বলনেৰে শুভাৰম্ভ কৰে বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰসন্ন কুমাৰ দত্তই। ইয়াৰ পিছতে প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা সমৱেত সংগীত পৰিৱেশন কৰে। অনুষ্ঠানত উপস্থিত থকা বাহনা অঞ্চলৰ কেইবাজনো সমাজকৰ্মীক আই চি ইৰ তৰফৰ পৰা এখন গামোচা আৰু একোটিকৈ উপহাৰেৰে আদৰণি জনায়। প্ৰতিষ্ঠানটোৰ প্ৰতিষ্ঠাপক তথা অবৈতনিক অধ্যক্ষ ধ্ৰুৱজ্যোতি তামুলীয়ে আদৰণী ভাষণ প্ৰদান কৰি প্ৰতিষ্ঠানটোৰ আপোচবিহীন গুণগত আৰু সম্পূৰ্ণ ব্যৱহাৰিক প্ৰশিক্ষণ সম্পৰ্কে অৱগত কৰে। তামুলীয়ে ভাষণ প্ৰসঙ্গত উল্লেখ কৰে 'যেনেদৰে গায়ক হ'বলৈ সংগীতৰ তত্ত্ব জনাৰ উৰ্ধ্বতো সময়মাফিক নিয়মিত ৰেৱাজ অত্যাৱশ্যকীয়, ঠিক সেইদৰে ব্যৱহাৰিক অভ্যাস অবিহনে কম্পিউটাৰ আৰু আন কোনো কাৰিকৰী শিক্ষায়েই ফলপ্ৰসু হ'ব নোৱাৰে। অনুষ্ঠানত তথ্য প্ৰযুক্তি বিষয়ৰ বিশিষ্ট লেখক দেৱজ্যোতি বৰাই তথ্য প্ৰযুক্তিৰ বুদ্ধিদীপ্ত ব্যৱহাৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। বৰাই প্ৰায়োগিক শিক্ষাক প্ৰকৃতাৰ্থত প্ৰয়োগ কৰিব পৰাকৈ গ্ৰহণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ জনাই কয়— কেৱল প্ৰমাণপত্ৰৰ বাবে কম্পিউটাৰ শিক্ষা গ্ৰহণ নকৰি, ব্যৱহাৰিকভাৱে প্ৰশিক্ষণ ল'লে নিয়োগ অথবা স্ব-নিয়োজনৰ মাধ্যমেৰে প্ৰতিষ্ঠা লাভ কৰিব পাৰি। সমজুৱাৰ একাষাৰত বিশিষ্ট সমাজকৰ্মী, সাংবাদিক তথা লেখক জিতু কলিতাই তথ্য প্ৰযুক্তিৰ দৈনন্দিন প্ৰতিটো খোজতে ব্যৱহাৰ কৰিব নোৱাৰিলে আজিৰ দিনত আগবাঢ়িবলৈ সমস্যা হ'ব যিহেতুকে বৰ্তমান আমাৰ অধিকাংশ কামেই তথ্য প্ৰযুক্তিৰ লগত সংযোগ হৈ পৰিছ। পোহৰ লাইভৰ পৰিচালক সঞ্চালক অমৰ বৰা, ৰাজীৱ নাজিৰ আদিয়ে মন্তব্য ৰখা সভাখনত তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত বাহনা মহাবিদ্যালয়ৰ নতুন প্ৰকল্প 'মুকলি'ৰ জৰিয়তে পালিত গাঁও আৰু মহাবিদ্যালয়ৰ কাষৰীয়া অঞ্চলত অতি সুলভ মূল্যত কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তিৰ প্ৰশিক্ষণ আগবঢ়োৱাৰ পৰিকল্পনাৰ কথা ব্যক্ত কৰি মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপক কোষৰ সমন্বয়ক ড° পংকজ বৰাই। ইয়াৰ বাবে আই চি ইৰ সহযোগিতা কামনা কৰে। সভাৰ মাজত প্ৰশিক্ষাৰ্থীসকলৰ মাজৰ পৰা গৌতম দত্তই গীটাৰত যন্ত্ৰ সংগীত, ৰিপাংকী বৰাই সৃষ্টিশীল নৃত্য, কৃষ্ণশ্ৰী বৰা আৰু কাকুৰাণী কলিতাই ঢোলবাদন, লক্ষ্যজ্যোতি দত্তই গীত পৰিৱেশন কৰি তথা শিক্ষক পলাশ বৰাই গীত পৰিৱেশনেৰে উপস্থিত সকলোকে মুগ্ধ কৰে। সভাত আইচিইৰ বাহনা শাখাৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। ২০১৫ চনৰ প্ৰতিষ্ঠা কালৰ পৰা এইপৰ্যন্ত অসমৰ বিভিন্ন ঠাইত থকা শাখাসমূহৰ পৰা ৪০১এগৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰমাণ-পত্ৰ লাভ কৰিবলৈ সক্ষম হোৱাৰ সমান্তৰালভাৱে অৰ্ধ-শতাধিক প্ৰশিক্ষাৰ্থীক নিয়োগৰ সহযোগিতা প্ৰদান কৰিবলৈ সক্ষম হোৱা বুলি প্ৰতিষ্ঠানটিৰ অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত বাহনা শাখাত জুলাই-ছেপ্টেম্বৰৰ বাবে শ্ৰেষ্ঠ প্ৰশিক্ষাৰ্থীৰূপে বিবেচিত হোৱা ত্ৰিদিশা বৰাক প্ৰমাণ-পত্ৰ আৰু উপহাৰ প্ৰদান কৰাৰ লগতে, 'ভনিকা ক্ৰিয়েচন' নামেৰে অগতানুগতিক হস্ত শিল্পৰ ব্যৱসায় আৰম্ভ কৰি স্ব-নিয়োজনৰ বাট দেখুওৱা প্ৰতিষ্ঠানটিৰ প্ৰাক্তন প্ৰশিক্ষাৰ্থী নিপামণি বৰাক সম্বৰ্ধনা জনোৱা হয়। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে শিক্ষক মানসজ্যোতি হাজৰিকা আৰু নিপামণি বৰাই। আইচিইৰ প্ৰতিষ্ঠাপক ধ্ৰুৱজ্যোতি তামুলীয়ে শলাগৰ শৰাই আগবঢ়ায়।

# আজি ভাৰত-দক্ষিণ আফ্ৰিকাৰ টি-২০ শৃংখলাৰ প্ৰথম মেচ

**থিৰুৱন্তপৰুম, ২৭ ছেপ্টেম্বৰ ঃ** ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাটো ২-১ৰ ব্যৱধানত দখল কৰাৰ পাছত কাইলৈ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব লগা তিনিখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন মেচত অংশ ল'ব। উল্লেখ্য যে অহা অক্টোবৰত অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলিছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত এতিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ৰ এক শৃংখলাত অংশ ল'ব টীম ইণ্ডিয়াই। এই তিনিখন মেচে বিশ্বকাপলৈ সাজু হোৱাৰ বাবে ভাৰতৰ অন্তিম সুযোগ। দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ প্ৰথম মেচখন কাইলৈ থিৰুৱন্তপুৰমত হোৱাৰ পাছত দুয়োটা দল আহিব গুৱাহাটীলৈ। অহা দুই অক্টোবৰত অসম ক্ৰিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ। ইফালে, শৃংখলাৰ তৃতীয় টি-২০খন চাৰি অক্টোবৰত ইন্দোৰত হ'ব। ইফালে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব লগা ভাৰতীয় দলটোত কিছু সাল-সলনিও হ'ব। কোৱোনাৰ বাবে মহম্মদ ছামি দলৰ পৰা ইতিমধ্যে বাহিৰ হোৱাত তেওঁৰ স্থানত উমেশ যাদৱেই খেলিব। আনহাতে, হাৰ্দিক পাণ্ডিয়াৰ স্থানত দলত লোৱা হৈছে শ্বাহবাজ আহমেদক। তদুপৰি দীপক হুদাৰ স্থানত শ্ৰেয়াছ আয়াৰে দললৈ আহিব পাৰে। ভাৰতীয় দলৰ অন্য সদস্যসকল হ'ল ঃ ৰোহিত শৰ্মা, কে এল ৰাহুল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, ঋষভ পণ্ট, দীনেশ কাৰ্তিক, ৰবীচন্দ্ৰন আশ্বিন, যুজবেন্দ্ৰ চাহল, অক্ষৰ পেটেল, আৰ্শ্বদীপ সিং, হৰ্ষল পেটেল, দীপক চাহাৰ আৰু যশপ্ৰীত বুমৰাহ।

# গুৱাহাটী ক্ৰীড়া সন্থাৰ ফুটবল বাছনি শিবিৰ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ২৭ ছেপ্টেম্বৰ ঃ** অসম ফুটবল সন্থাৰ ৪৩সংখ্যক অনূৰ্ধ্ব ১৫ ছাব জুনিয়ৰ আন্তঃজিলা ফুটবল চেম্পিয়নশ্বিপৰ বাবে গুৱাহাটী দলটো গঠনৰ বাবে গুৱাহাটী ক্ৰীড়া সন্থাই ৩০ ছেপ্টেম্বৰৰ পৰা নেহৰু ষ্টেডিয়ামত এক বাছনি শিবিৰৰ আয়োজন কৰিছে। খেলুৱৈসকলক জন্মৰ প্ৰমাণ-পত্ৰ আৰু আধাৰ কাৰ্ড বা পাছপ'ৰ্টৰ মৌলিক আৰু ফটোকপিসহ ৩০ ছেপ্টেম্বৰৰ পুৱা সাত বজাত নেহৰু ষ্টেডিয়ামত উপস্থিত হ'বলৈ অনুৰোধ জনাইছে ফুটবল সম্পাদক এল প্ৰণৱ সিঙে। খেলুৱৈসকলে অধিক তথ্যৰ বাবে ৯১০১০ ৪৭৫৬০ নম্বৰত যোগাযোগ কৰিব পাৰে।



সাঁতোৰবিদ এলভিছ আলী হাজৰিকাক সম্বৰ্ধনা, গুৱাহাটীত মঙলবাৰে

# অম্বা মেধি ফুটবলৰ ফাইনেলত বিদ্যুৎ পৰিষদ

**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা ৪১সংখ্যক অম্বা মেধি সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ফাইনেলত প্ৰৱেশ কৰিছে। মঙলদৈ ষ্টেডিয়ামত হোৱা প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন ছেমিফাইনেলত বিদ্যুৎ পৰিষদে পঞ্জাৱৰ ইণ্ডো তিব্বত ব'ৰ্ডাৰ পুলিচ চমুকৈ আই টি বি পিক ৩-০ গ'লত পৰাস্ত কৰে। খেলখন উদ্বোধন কৰে ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশীয়ে। খেলৰ প্ৰথম তিনি মিনিটতেই বিদ্যুৎ পৰিষদৰ ষ্ট্ৰাইকাৰ নিকোডিম নাৰ্জাৰীয়ে দলক প্ৰথমটো সফলতা প্ৰদান কৰাৰ আঠ মিনিট পিছত পুনৰ আন এটা গ'ল দি দলটোক ২-০ৰ অগ্ৰগতি প্ৰদান কৰে। আনহাতে, খেলৰ ৩৪ মিনিটত বিদ্যুৎ পৰিষদৰ অৰ্জুন মাৰ্দিয়ে এটা চমকপ্ৰদ গল দি ব্যৱধান ৩-০ লৈ বৃদ্ধি কৰে। কাইলৈ অসম ৰেজিমেণ্টেল চেণ্টাৰ, শ্বিলঙে এছএছবি দাৰ্জিলিঙৰ বিপক্ষে দ্বিতীয়খন ছেমিফাইনেলত অৱতীৰ্ণ হ'ব।

**TENDER NOTICE**

Sealed tender affixing court fee stamps worth Rs.8.25 (Rupees eight and twenty five paisa) only for the following works under APFBC Scheme during 2022-23 of Genetic Cell Division, Assam, Guwahati-29 is hereby invited from the intending Govt. registered contractors/Firms on the basis of terms & conditions laid down in tender document. The tender paper will be issued and received with effect from 28-09-2022 up to 3.00 PM of 28-10-2022 during all office working days by the office of the undersigned and it will be open on the next date i.e 29-10-2022 at 2.00 PM by the Tender Evaluation Committee. If the office happens to be to be closed by the date of receipt of tender as specified the same will be received in the next working day up to the same time.

| SI. No. | Item of Works | Estimated Cost (In Rs.) | Earnest Money Deposit (EMD) (In Rs.) | Cost of Tender document (In Rs.) |
|---|---|---|---|---|
| 1. | Restoration of the irrigation system by removing damaged sprinklers weathered pipes and other accessories of the Hi-Tech nursery, Rani | Rs.2,75,000,00 | 2 % of the estimated cost (1 % of the estimated cost for SC/ST/OBC/MOBC/UGE) | Rs.500.00 |

The undersigned reserves the right to accept or reject any/all tenders without assigning any reason what so ever. Intending tenders may collect tender document/paper on payment of Rs. 500.00 (Rupees Five Hundred) only on the form of Bankers Cheque/Demand Draft payable in favour of the undersigned on any working day during office hours till 1.00 PM of 28-10-2022.

**TENDER NOTICE**

Sealed tender affixing court fee stamps worth Rs.8.25 (Rupees eight and twenty five paisa) only for the following works under APFBC Scheme during 2022-23 of Genetic Cell Division, Assam, Guwahati-29 is hereby invited from the intending Govt. registered contractors/Firms on the basis of terms & conditions laid down in tender document. The tender paper will be issued and received with effect from 28-09-2022 up to 3.00 PM of 28-10-2022 during all office working days by the office of the undersigned and it will be open on the next date i.e 29-10-2022 at 2.00 PM by the Tender Evaluation Committee. If the office happens to be to be closed by the date of receipt of tender as specified the same will be received in the next working day up to the same time.

| SI. No. | Item of Works | Estimated Cost (In Rs.) | Earnest Money Deposit (EMD) (In Rs.) | Cost of Tender document (In Rs.) |
|---|---|---|---|---|
| 1. | Renovation of Polly house (mother chamber),Misting Chamber, Green houses of Hi -Tech nursery ,Rani (Total structure=8 Nos.) | Rs.3,38,300.00 | 2 % of the estimated cost (1 % of the estimated cost for SC/ST/OBC/MOBC/UGE) | Rs.500.00 |

The undersigned reserves the right to accept or reject any/all tenders without assigning any reason what so ever. Intending tenders may collect tender document/paper on payment of Rs. 500.00 (Rupees Five Hundred) only on the form of Bankers Cheque/Demand Draft payable in favour of the undersigned on any working day during office hours till 1.00 PM of 28-10-2022.

Sd/-
Divisional Forest Officer
Genetic Cell Division, Assam
Basistha, Guwahati-29

*Janasanyog/C/10915/22*

## ২৯ ছেপ্টেম্বৰত গুৱাহাটীত উপস্থিত হ'ব ভাৰতীয় দল

# দুই অক্টোবৰত বৰ্ষাপাৰা ষ্টেডিয়ামত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টি-২০ মেচ

**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** অহা দুই অক্টোবৰত অসম ক্ৰিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ। উক্ত মেচখনৰ বাবে ভাৰতীয় দলটো অহা ২৯ ছেপ্টেম্বৰত আহি গুৱাহাটীত উপস্থিত হ'ব। আজি এই কথা অৱগত কৰিছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। ইফালে, বিচিচিআয়ে জনোৱা অনুসৰি ভাৰতীয় ক্ৰিকেট দলে গুৱাহাটীত ৩০ ছেপ্টেম্বৰৰ দিনা দুপৰীয়া এক বজাৰ পৰা চাৰি বজালৈ নেট অনুশীলন কৰিব। তদুপৰি পহিলা অক্টোবৰৰ দিনা টীম ইণ্ডিয়াই আবেলি পাঁচ বজাৰ পৰা নিশা আঠ বজালৈ অনুশীলন কৰিব বৰ্ষাপাৰা ষ্টেডিয়ামত। দুই অক্টোবৰত মেচ খেলাৰ পাছত তিনি অক্টোবৰত টীম ইণ্ডিয়া ৰাওনা হ'ব ইন্দোৰলৈ। ইফালে, সকলো ঠিকে থাকিলে দক্ষিণ আফ্ৰিকা দলো ২৯ ছেপ্টেম্বৰতে আহি গুৱাহাটীত উপস্থিত হ'ব। দলে ৩০ ছেপ্টেম্বৰৰ দিনা নৈশলোকত অনুশীলন কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত গুৱাহাটীত অনুষ্ঠিত হ'ব এখন আন্তৰ্জাতিক ক্ৰিকেট মেচ। দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ প্ৰথম মেচখন ২৮ ছেপ্টেম্বৰত থিৰুৱন্তপুৰমত হ'ব। তাৰ পৰাই দুয়োটা দল আহিব গুৱাহাটীলৈ। ইফালে, শৃংখলাৰ তৃতীয় টি-২০খন চাৰি অক্টোবৰত ইন্দোৰত হ'ব। ইফালে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব লগা ভাৰতীয় দলটোত কিছু সাল-সলনিও হ'ব। কোৱোনাৰ বাবে মহম্মদ ছামি দলৰ পৰা ইতিমধ্যে বাহিৰ হোৱাত তেওঁৰ স্থানত উমেশ যাদৱেই খেলিব। আনহাতে, হাৰ্দিক পাণ্ডিয়াৰ স্থানত দলত লোৱা হৈছে শ্বাহবাজ আহমেদক। তদুপৰি দীপক হুদাৰ স্থানত শ্ৰেয়াছ আয়াৰ দললৈ আহিব। ভাৰতীয় দলৰ অন্য সদস্যসকল হ'ল ঃ ৰোহিত শৰ্মা, কে এল ৰাহুল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, ঋষভ পণ্ট, দীনেশ কাৰ্তিক, ৰবীচন্দ্ৰন আশ্বিন, যুঁজবেন্দ্ৰ চাহল, অক্ষৰ পেটেল, আৰ্শ্বদীপ সিং, হৰ্ষল পেটেল, দীপক চাহাৰ আৰু যশপ্ৰীত বুমৰাহ। উল্লেখ্য যে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলিছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত এতিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ৰ এক শৃংখলাত অংশ ল'ব টীম ইণ্ডিয়াই। ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাটো ২-১ৰ ব্যৱধানত দখল কৰিছে। শৃংখলাৰ নিৰ্ণায়ক তৃতীয়খন মেচত ভাৰত ছয় উইকেটত জয়লাভ কৰে। ১৮৭ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰা ভাৰতে ১৯.৫ অভাৰত চাৰিটা উইকেট হেৰুৱাই পূৰ্ণ কৰি চমকপ্ৰদ বিজয় অৰ্জন কৰে। উল্লেখ্য যে প্ৰথম মেচত ব্যৰ্থতাৰ পাছতো ক্ৰমাগত দুখন মেচত জয়ী হৈ শৃংখলা দখল কৰিছে ভাৰতে। ভাৰত প্ৰথমখন খেলত চাৰি উইকেটত পৰাস্ত হৈছিল যদিও নাগপুৰৰ বৰ্ষা বিঘ্নিত দ্বিতীয় মেচত ছয় উইকেটত জয়লাভ কৰিছিল।

### দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতা

# মিক্সড টীম ইভেণ্টত ভাৰতৰ দুটা সোণ

**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** ভাৰতৰ ১৫ আৰু ১৭ বছৰ অনূৰ্ধ্বৰ দলে চলিত দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ মিক্সড টীম ইভেণ্টত সোণ লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে অসম বেডমিণ্টন সন্থাৰ উদ্যোগত গুৱাহাটীত চলি থকা আন্তৰ্জাতিক জুনিয়ৰ প্ৰতিযোগিতাখনৰ আজি দ্বিতীয় দিনাও দলীয় শাখাৰ খেল অনুষ্ঠিত হয় আৰু ভাৰতীয় দলে উভয় শাখাৰে ফাইনেলত জয়লাভ কৰি দুটাকৈ সোণ অৰ্জন কৰে। ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত ১৭ বছৰ অনূৰ্ধ্বৰ মিক্সড দলীয় ইভেণ্টৰ ফাইনেলত ভাৰতে ৫-০ৰ ব্যৱধানত পৰাস্ত কৰে শ্ৰীলংকাক। ১৭ বছৰ অনূৰ্ধ্বৰ ভাৰতীয় দলৰ সদস্যসকল হ'ল ছাৰাছৱাট সংস্কাৰ, প্ৰণয় ছেট্টিগৰে, আইছানি তিৱাৰী আৰু ৰামু ৰুজুলা। আনহাতে, ১৫ বছৰ অনূৰ্ধ্বৰ ফাইনেলত ভাৰতে ৫-০ৰ ব্যৱধানত পৰাস্ত কৰে মালদ্বীপক। স্বৰ্ণজয়ী ১৫ বছৰ অনূৰ্ধ্বৰ খেলুৱৈসকল হ'ল প্ৰতীক কৌণ্ডিল্য, অভিনৱ গাৰ্গ, নিশা কৌৰ ভাট'য়ে আৰু তনবী ৰেড্ডী আন্দলুৰি। উল্লেখ্য যে অহা ৩০ ছেপ্টেম্বৰলৈ চলিব লগা পাঁচদিনীয়া প্ৰতিযোগিতাখনত মিক্সড দলীয় ইভেণ্টৰ খেল আজি সমাপ্ত হৈছে। এতিয়া কাইলৈৰ পৰা আৰম্ভ হ'ব ল'ৰা-ছোৱালী উভয় শাখাৰে একক, ডাবলছ আৰু মিক্সড ডাবলছ শাখাৰ খেল।

### প্ৰয়াত নীলকান্ত পাটোৱাৰী সদৌ অসম ফুটবল

# অসম পুলিচ ব্লুজ দলক ৩-০ গ'লত পৰাস্ত কৰি চেম্পিয়ন অৰ্জন চিৰাং দুৱাৰ এফচিৰ



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বৰপেটাৰোড, ২৭ ছেপ্টেম্বৰ ঃ** বৰপেটা ক্ৰীড়া সন্থাৰ উদ্যোগত তথা বৰপেটাৰোড ক্ৰীড়া সন্থাৰ সহযোগত বৰপেটাৰোড মিনি ষ্টেডিয়ামত প্ৰয়াত নীলকান্ত পাটোৱাৰী সদৌ অসম ফুটবলত আজি অনুষ্ঠিত ফাইনেলত চিৰাংদুৱাৰ এফচিয়ে চেম্পিয়ন অৰ্জন কৰিবলৈ সক্ষম হয়। আজি বিয়লি অনুষ্ঠিত ফাইনেলত চিৰাংদুৱাৰ এফচি দলে অসম পুলিচ ব্লুজ দলক সহজে ৩-০ গ'লৰ ব্যৱধানত পৰাভূত কৰে। খেলখনৰ প্ৰথমাৰ্ধত দুয়োটা দলে সুন্দৰ পাছ খেলি খেলখন ড্ৰ' আছিল যদিও দ্বিতীয়াৰ্ধত চিৰাং দুৱাৰে ৩টাকৈ গ'ল দি বিজয়লক্ষ্যত উপনীত হয়। খেলখনৰ বঁটা বিতৰণী সভাত কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বৰপেটাৰ আৰক্ষী অধীক্ষক অমিতাভ সিন্হাকে আদিকে কৰি বহুকেইজন বিশিষ্ট লোক উপস্থিত থাকি চেম্পিয়ন, ৰানাৰ্ছ আপ দল, শ্ৰেষ্ঠ খেলুৱৈ আদিক বঁটা প্ৰদান কৰে। আজিৰ ফাইনেলত ৰেফাৰী আছিল হাচমত আলী।

# সাঁতোৰত ৰাষ্ট্ৰীয় অভিলেখকাৰী আস্থা-শিৱাংগী গুজৰাটতো উজলিব

**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** ৩৬সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ যিসকল খেলুৱৈৰ পৰা ৰাজ্যবাসীয়ে সোণৰ পদক আশা কৰিছে তাৰ ভিতৰত অন্যতম দুটা ইভেণ্ট হ'ল সাঁতোৰ আৰু বক্সিং। উল্লেখ্য যে দীৰ্ঘ সময়ৰ পাছত সাঁতোৰত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় স্তৰত উজলি উঠিবলৈ সক্ষম হৈছে অসমৰ তিনিগৰাকী নৱাগত সন্তৰণবিদ। আস্থা চৌধুৰী, শিৱাংগী শৰ্মা আৰু বিক্ৰম চাংমায়ে বিগত সময়ছোৱাত ধাৰাবাহিকতা ৰক্ষা কৰি ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক অৰ্জনৰে গৌৰৱময় সফলতা লাভ কৰাৰ লগতে অসমৰ ক্ৰীড়াজগত বিশেষকৈ সাঁতোৰ ক্ষেত্ৰলৈ নতুন আশা লৈ আনিছে। বিগত দুখন খেলো ইণ্ডিয়া গেমছত আস্থা, শিৱাংগী আৰু বিক্ৰমে শ্ৰেষ্ঠত্ব প্ৰদৰ্শনেৰে সোণ লাভ কৰাৰ পাছত এতিয়া ছিনিয়ৰ পৰ্যায়তো অদমনীয় প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। গুৱাহাটীত সদ্যসমাপ্ত ৰাষ্ট্ৰীয় সাঁতোৰ প্ৰতিযোগিতাত আস্থা আৰু শিৱাংগীয়ে নতুন অভিলেখ গঢ়ি সোণ জয় কৰিছিল। এই প্ৰদৰ্শনে প্ৰত্যাশা লৈ আনিছে যে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াতো যে দুই জলপৰীয়ে অসমক গৌৰৱময় সাফল্য দিব। ইফালে, বক্সিংতো অসমে তিনি-চাৰিটা পদক লাভ কৰাটো নিশ্চিত। কিন্তু ৰাষ্ট্ৰীয় ক্ৰীড়াৰ প্ৰাকক্ষণত ৰাজ্যবাসীৰ বাবে হতাশাজনক খবৰটো হ'ল আঘাতৰ বাবে নাম প্ৰত্যাহাৰ কৰিছে দেশৰ তাৰকা মহিলা বক্সাৰ অসম কন্যা লাভলীনা বৰগোহাঁয়ে। উল্লেখ্য যে এছিয়ান চেম্পিয়নশ্বিপৰ বাছনিৰ সময়তে নাকত আঘাত পাইছিল লাভলীনাই। সেয়ে চিকিৎসকে তিনি সপ্তাহৰ জিৰণিৰ পৰামৰ্শ দিছে লাভলীনাক। অসমৰ প্ৰথমগৰাকী অলিম্পিক পদকজয়ী তথা খেলৰত্ন সন্মান লাভ কৰা ক্ৰীড়াবিদ লাভলীনাৰ এই সিদ্ধান্তৰ পাছতে ভাৰতীয় বক্সিং ফেডাৰেচনে তেওঁৰ স্থানত অসম বক্সিং দলত অন্তৰ্ভুক্ত কৰিছে ভাগ্যৱতী কছাৰীক। উল্লেখ্য যে এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত খেলুৱৈ নিৰ্বাচন ৰাজ্যিক সন্থাৰ পৰিৱৰ্তে ৰেংকিং অনুসৰি ফেডাৰেচনে কৰিছে। এতিয়া লাভলীনাৰ স্থানত মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাত খেলিব ভাগ্যৱতীয়ে। ইফালে, মহিলাৰ ৫২ কিলোগ্ৰামত মঞ্জু বসুমতাৰীয়ে খেলাৰ বিপৰীতে ৫৪ কিলোগ্ৰামত খেলিব বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জজয়ী যমুনা বড়োৱে। ফাইলাও বসুমতাৰীয়ে ৬০ কিলোগ্ৰামত তথা ৬৬ কিলোগ্ৰাম শাখাত অংশ ল'ব অংকুশিতা বড়োনে। ইফালে, দুবাৰকৈ অলিম্পিক খেলা শিৱ থাপাৰ লগতে অসমৰ আন দুই পুৰুষ বক্সাৰ হ'ল বাস্তৱ চেতিয়া আৰু ৰৌছন সোণাৰ।







CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES

Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811, 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat -94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি

# আমিনগাঁৱত হিতাধিকাৰীক গৃহ নিৰ্মাণৰ আবণ্টন-পত্ৰ প্ৰদান মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২৭ ছেপ্টেম্বৰ** ঃ আজি আমিনগাঁৱস্থিত কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত প্ৰধান মন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত কামৰূপ জিলাৰ বেজেৰা আৰু শুৱালকুছি উন্নয়ন খণ্ডৰ মুঠ ১,৫০৫ গৰাকী হিতাধিকাৰীলৈ গৃহ নিৰ্মাণৰ অনুমোদন-পত্ৰ বিতৰণ কৰে পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী তথা জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰী পাটোৱাৰীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনৰ দ্ৰুত বিকাশৰ পথ প্ৰশস্ত হোৱাৰ লগতে চৰকাৰখনে গ্ৰহণ কৰা জনকল্যাণকামী আঁচনিসমূহৰ দ্বাৰা সৰ্বস্তৰৰ তথা সকলো শ্ৰেণীৰ জনসাধাৰণ উপকৃত হ'বলৈ সক্ষম হৈছে বুলি কয়। তেওঁ প্ৰদান কৰা মাৰ্গ দৰ্শনৰ ফলত ৰাজ্যখনৰ প্ৰতিটো বিভাগে এতিয়া বিকাশৰ পথত দ্ৰুততাৰে অগ্ৰসৰ হ'বলৈ সক্ষম হৈছে বুলিও কয়। ভাষণ প্ৰসংগত তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে মহিলা সবলীকৰণৰ দিশত লোৱা তথা ৰাজ্যখনৰ বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিবলৈ সক্ষম হোৱা অৰুণোদয়, মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাই, স্বচ্ছতাৰে নিয়োগ প্ৰক্ৰিয়া সম্পন্ন কৰা, বানত সম্পূৰ্ণ ঘৰ উটুৱাই নিয়া পৰিয়াললৈ গৃহ নিৰ্মাণৰ বাবে দুৰ্যোগ ব্যৱস্থাপনাৰ ৯৫,১০০ টকাৰ উপৰি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ১ লাখ টকা অতিৰিক্ত পুঁজি প্ৰদান, অমৃত সৰোবৰ, ২৫ লাখ ব্যয় সাপেক্ষ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ ইত্যাদিৰ লেখীয়া অভিলাসী আঁচনিসমূহৰ বিষয়ে বহল ব্যখ্যা আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে অসমক দেশৰ শ্ৰেষ্ঠ ৫খন ৰাজ্যৰ ভিতৰত স্থান লাভ কৰোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে লোৱা সপোন বাস্তৱায়িত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বৰ হাত শক্তিশালী কৰাৰ বাবে সকলোকে আহ্বান জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে আজি অনুমোদন-পত্ৰ লাভ কৰা হিতাধিকাৰীসকলক গৃহ নিৰ্মাণৰ বাবে লাভ কৰা তিনিটা কিস্তিৰ পুঁজিৰ সদ্ব্যৱহাৰ কৰাৰ বাবে আহ্বান জনায়। তেওঁ লগতে এই হিতাধিকাৰীসকলে এম জি এনৰেগাৰ সৰ্বমুঠ ৯৫ সংখ্যক কৰ্ম দিনৰ ধন ২১,৭৫৫ টকা লাভ কৰিব বুলি সদৰী কৰাৰ লগতে স্বচ্ছ ভাৰত অভিযানৰ অধীনত শৌচাগাৰ, জলজীৱন আঁচনিৰ অধীনত নলযোগে পানী যোগান ইত্যাদিৰ সুবিধা লাভ কৰিব পাৰিব বুলি কয়। ইয়াৰ উপৰি বৰ্তমান নাম নথকা যোগ্য হিতাধিকাৰীয়ে পৰৱৰ্তী সময়ত এই আঁচনিখনৰ যোগেদি গৃহ লাভ কৰিবলৈ সক্ষম হ'ব বুলিও তেওঁ কয়। অনুষ্ঠানত জিলা উপায়ুক্ত কীৰ্তি জল্লীয়ে ভাষণ প্ৰদান কৰি আঁচনিৰ যোগেদি লাভ কৰা ধনৰ যথোচিত ব্যৱহাৰেৰে এটি ভাল গৃহ নিৰ্মাণৰ বাবে সংকল্পবদ্ধ হ'বলৈ হিতাধিকাৰীসকলক আহ্বান জনায়। আজিৰ এই অনুষ্ঠানত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰাগ কুমাৰ কাকতি, জিলা অতিৰিক্ত উপায়ুক্ত ক্ৰমে— ধ্ৰুৱজ্যোতি দাস, সিদ্ধাৰ্থ গোস্বামী, প্ৰণৱ দত্ত গোস্বামী, কামৰূপ জিলা পৰিষদৰ সদস্য ক্ৰমে অনিল ডেকা, নয়ন বৰাকে ধৰি গণ্য-মান্য ব্যক্তি তথা হিতাধিকাৰীসকল উপস্থিত থাকে।

## চিচিবৰগাঁও কনিষ্ঠ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ২৭ ছেপ্টেম্বৰ** ঃ ধেমাজি জিলাৰ চিচিবৰগাঁওস্থিত কনিষ্ঠ মহাবিদ্যালয়ত আজি ছাত্ৰ একতা সভাৰ ২০২২-২৩ বৰ্ষৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈ যায় ।প্ৰাপ্ত তথ্য অনুসৰি আজি ৰ এই নিৰ্বাচনত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থী সুখম চুতীয়াই সভাপতি পদত, বিশ্বজিৎ গোহাঁই সাধাৰণ সম্পাদকৰ পদত জয়লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ আন এগৰাকী সমৰ্থিত প্ৰাৰ্থী কাকুমণি দত্তই বিনা প্ৰতিদ্বন্দ্বিতাৰে আলোচনী সম্পাদকৰ পদলৈ নিৰ্বাচিত হৈছে। নিজৰ সমৰ্থিত প্ৰাৰ্থীৰ জয়লাভে উৎফুল্ল কৰি তুলিছে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সদস্যসকলক। এই কথা সদৰী কৰিছে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ হৈ তপন শইকীয়া আৰু মানসজ্যোতি চুতীয়াই।



**ধুবুৰীত উচ্চ শিক্ষাৰ দ্বাৰ মুকলি**

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিশ্ববিদ্যালয়ৰ ধুবুৰী গোট উদ্বোধন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৭ ছেপ্টেম্বৰ** ঃ অসমীয়া জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে প্ৰতিষ্ঠিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অন্যতম ধুবুৰী গোটৰ শুভ উদ্বোধনী অনুষ্ঠান আজি সফলতাৰে সমাপন হৈ যায়। ৰাজ্য চৰকাৰৰ অনুমোদন সাপেক্ষে আৰম্ভ হোৱা এই গোটৰ স্থায়ী চৌহদ ধুবুৰীৰ ডুমৰদহ, বালাজানত এই শুভাৰম্ভণী অনুষ্ঠান পুৱা ১০ বজাৰ পৰা আৰম্ভ হয়। বিশ্ববিদ্যালয়খনৰ এই উদ্বোধনী অনুষ্ঠানৰ দ্বাৰ মুকলি কৰে বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ, উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকা, বিশ্ববিদ্যালয়খনৰ মুখ্য সমন্বয়ক, সঞ্চালক (বিত্ত আৰু পৰিকল্পনা) তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই। ধুবুৰীত উচ্চ শিক্ষাৰ পথ মুকলি কৰা বিশ্ববিদ্যালয়খনৰ এই উদ্বোধনী অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক, অধ্যাপক মৃণাল কুমাৰ বৰা, উপ-পঞ্জীয়ক (প্ৰশাসনিক) ড° শেখৰকান্তি সৰকাৰ, উপ-পঞ্জীয়ক (শৈক্ষিক) ড° নয়নমণি শইকীয়া, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিভিন্ন জিলাৰ বিষয়ববীয়াৰ লগতে স্থানীয় বিএন কলেজ, ভোলানাথ কলেজ, হালাকুৰা কলেজ, পূব কামৰূপ কলেজ, সাপটগ্ৰাম কলেজ, ছোৱালী কলেজৰ অধ্যক্ষ-উপাধ্যক্ষ-অধ্যাপক, গৌৰীপুৰ প্ৰেছ ক্লাবৰ সভাপতিৰ লগতে সংবাদ মাধ্যমৰ কৰ্মীসকল আৰু ধুবুৰীৰ ভালেসংখ্যক প্ৰতিষ্ঠিত বিদ্বৎমহলে অংশ গ্ৰহণ কৰিব। উল্লেখনীয় যে বিশ্ববিদ্যালয়খনে নগাঁৱৰ মূল চৌহদৰ সমান্তৰালভাৱে গুৱাহাটী আৰু চলিত শিক্ষা বৰ্ষৰ পৰা যোৰহাট গোটতো পাঠদান প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ডুমৰদহত প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়খনৰ এইটো হ'ব তৃতীয়টো গোট। অনুষ্ঠানটো সফলতাৰে সমাপন হোৱাত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে।




